● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

**দিগ্‌দৰ্শন**

মোৰ দুৰ্বলতা বুলি ধাৰণা কৰা কিবা এটালৈ যদি মোক ঠেলি দিয়া তেন্তে তুমি ধাৰণা কৰা সেই দুৰ্বলতাক মই মোৰ শক্তিলৈ ৰূপান্তৰ কৰো।

মাইকেল জৰ্ডান
*আমেৰিকান বাস্কেটবল তাৰকা*



www.dainikagradoot.in
৭ ১৫ বছৰ পুৰণি গাড়ী চলালে ভৰিব লাগিব আঠগুণ ধন
১৩ আজি দ্বিতীয় মেচত ভাৰতৰ সন্মুখত শ্ৰীলংকা
৪ নতুনকৈ প্ৰণয়ন কৰা গো-সুৰক্ষা আইন ২০২১ৰ ওপৰত আলোকপাত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২য় সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ২০ আহিন ১৪২৮ ভাস্কৰাব্দ ৭ অক্টোবৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 7 October 2021 মূল্য ঃ ৭.০০ টকা

■ চৰকাৰী নথিত ইংৰাজীৰ লগতে অসমীয়া কেলেণ্ডাৰৰ তাৰিখ বাধ্যতামূলক ■ ২০২২ত ৩৪ দিন চৰকাৰী বন্ধ-৩১দিন সীমিত বন্ধ ■ ৫২ হেজাৰ ক্ষুদ্ৰ ব্যৱসায়ীলৈ ঋণৰ ষ্টাম্প ডিউটী ৰেহাই

# গ্ৰামোন্নয়নলৈ চাৰিশ কোটি অনুমোদন



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ বাবে চলিত বৰ্ষত চাৰিশ কোটি টকা অনুদান প্ৰদানত ড° হিমন্ত বিশ্ব শৰ্মাৰ কেবিনেটে আজি অনুমোদন জনায়। গ্ৰামোন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে ইয়াৰ অধীনত শস্য মজুতকৰণৰ বাবে গুদাম নিৰ্মাণ, ড্ৰায়াৰ ইউনিট নিৰ্মাণৰ উপৰি ২,৬৭১ জন হিতাধিকাৰীক ক্ষুদ্ৰ ধানৰ মিল প্ৰদান কৰা হ'ব। তদুপৰি কৃষি কাৰ্যত সহায়ক হোৱাকৈ ১২৬খন 'ক'ম্বাইন হাৰ্ভেষ্টাৰ' বিতৰণ কৰাৰ উপৰি এহেজাৰখন মিনি ট্ৰাক বিতৰণ কৰা হ'ব। তদুপৰি ইয়াৰ অধীনত মীন পালনৰ বাবে মৎস্য পালন কৰা পুখুৰী স্থাপন কৰা হ'ব। কেবিনেটে বৈঠকৰ অন্তত এক সংবাদমেলত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই বৈঠকৰ সিদ্ধান্তসমূহ সদৰী কৰি কয় যে ৰাজ্যৰ ৫২ হেজাৰ পদপথ ব্যৱসায়ীলৈ সকাহ দি প্ৰধানমন্ত্ৰী পদপথ ব্যৱসায়ী আত্মনিৰ্ভৰ নিধিৰ অধীনত ঋণৰ ক্ষেত্ৰত এইসকল ব্যৱসায়ীক ষ্টাম্প ডিউটি ৰেহাইৰ সিদ্ধান্তত আজি কেবিনেটে অনুমোদন জনায়। ৰাজ্য চৰকাৰে এই ষ্টাম্প ডিউটি বহন কৰিব। ক'ভিড-১৯ আৰু তলাবন্ধৰ ফলত *১০ পৃষ্ঠাত চাওক*

উৎসৱৰ বতৰতে ৯২৬ টকা হ'লগৈ ঘৰুৱা চিলিণ্ডাৰৰ মূল্য

## দেশত পুনৰ ৰন্ধন গেছৰ ১৫ টকা মূল্যবৃদ্ধি



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৬ অক্টোবৰ ঃ** ৰাইজক মূল্যবৃদ্ধিৰ মাধমাৰ শোধাই পুনৰ বৃদ্ধি পালে ৰন্ধন গেছৰ মূল্য। আজিৰে পৰা ১৪.২ কিলোগ্ৰামৰ ঘৰুৱা ব্যৱহাৰ্য ৰন্ধন গেছৰ প্ৰতিটো চিলিণ্ডাৰৰ *১০ পৃষ্ঠাত চাওক*



*জিএনআৰচি হাস্পতালৰ পৰা গ্ৰেপ্তাৰ কৰি অনাৰ পাছত ৰাজকন্যা বৰুৱা, দিছপুৰ আৰক্ষী থানাত বুধবাৰে।*

■ ভুৱা তথ্য প্ৰদান ঃ তদন্তৰ আওতালৈ জিএনআৰচি হাস্পতাল

■ মেডিকলে ব'ৰ্ডে নাপালে আইচিইউত চিকিৎসাধীন হোৱাৰ কাৰণ

## শাসকীয় বিধায়কৰ হেঁচাত আইনৰ সুৰুঙা উলিয়াই দিছিল আৰক্ষীয়ে

### গ্ৰেপ্তাৰ হ'ল সুৰামত্ত হৈ দুৰ্ঘটনা সংঘটিত কৰা ৰাজকন্যা বৰুৱা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ অক্টোবৰ ঃ** সুৰামত্ত হৈ বাহন চলাই আঠজনকৈ শ্ৰমিকক মহটিয়াই নিয়া বহুচৰ্চিত মডেল ৰাজকন্যা বৰুৱাক অৱশেষত আজি গ্ৰেপ্তাৰ কৰিলে দিছপুৰ আৰক্ষীয়ে। অসুস্থতাৰ অজুহাত দি থানাত হাজিৰ নোহোৱা বৰুৱাই জিএনআৰচিৰ হাস্পতালৰ আইচিইউত ভৰ্তি হৈ থকাৰ পৰিপ্ৰেক্ষিতত কালি মহানগৰ আৰক্ষীয়ে গঠন কৰা মেডিকেল ব'ৰ্ডে আজি তেওঁ চিকিৎসাধীন হৈ থকাৰ কোনো কাৰণ নাই বুলি প্ৰতিবেদন দাখিল কৰাৰ পাছতে মডেলগৰাকীক দিছপুৰ আৰক্ষীয়ে দুপৰীয়া গ্ৰেপ্তাৰ কৰে। তাৰ পাছতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত স্বাস্থ্য পৰীক্ষা কৰোৱাই তেওঁক সোধ-পোছ অব্যাহত ৰাখে। তেওঁৰ বিৰুদ্ধে ঘটনাৰ পাছত ৰুজু কৰা গোচৰত ভাৰতীয় দণ্ড বিধিৰ ৩০৮/৩২৬ ধাৰা সংযোজন আৰু নতুন গোচৰৰ ভিত্তিতে আজি *১০ পৃষ্ঠাত চাওক*

মাৰ্চিডিজৰ দৰে বিলাসী বাহনৰ গৰাকী ■ স্নাতক ডিগ্ৰী আহৰণৰ বাবে কন্যাক জেনেভালৈ

## বিদেশত সন্তানৰ শিক্ষাৰ নামতে দুই কোটি ব্যয়, ১০দিনৰ জিম্মালৈ প্ৰেৰণ ৰৌণক আলীক

পৰিয়ালৰ সদস্যয়ো বিভিন্ন অভিযোগ দিছে ধৃত আৰক্ষী বিষয়াৰ বিৰুদ্ধে ■ সম্পত্তিৰ পৰিমাণ দেখি চকু কপালত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ অক্টোবৰ ঃ** উপাৰ্জিত আয়ৰ উৎসৰ স'তে ব্যয়ৰ বৃহৎ ব্যৱধানৰ বাবে জালত পৰা অসম আৰক্ষীৰ নিলম্বিত উপ-মহাপৰিদৰ্শক ৰৌণক আলী হাজৰিকাক আজি আদালতে ১০ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। বৃহৎ দুৰ্নীতি আৰু বেপৰোৱা পেছাদাৰী আচৰণৰ বাবে গ্ৰেপ্তাৰ হোৱা নিলম্বিত ডিআইজিজনৰ আয়-ব্যয়ৰ নিমিলা অংকক লৈ সম্প্ৰতি ব্যস্ত মুখ্যমন্ত্ৰীৰ তদাৰকী শাখা। আজি আদালতত হাজিৰ কৰাৰ সময়ত অসম আৰক্ষীৰ প্ৰভাৱশালী বিষয়াৰূপে পৰিচিত অভিযুক্ত হাজৰিকাৰ সন্দৰ্ভত তথ্য সদৰী কৰি তদাৰকী শাখাৰ শীৰ্ষ বিষয়াৰ লগতে তদন্তকাৰী বিষয়াই কয় যে তেওঁ মাত্ৰ দুবছৰৰ বেংক একাউণ্টৰ তথ্য পৰীক্ষা কৰাতেই ব্যাপক বিসংগতি উদ্ধাৰ হৈছে। তেওঁৰ আয়তকৈ ১৬৫ শতাংশ অধিক সম্পত্তি আহৰণৰ গোপন উৎসৰ সন্ধান অব্যাহত ৰাখিছে তদন্তকাৰী সংস্থাটোৱে। আৰক্ষীয়ে জনোৱা *১০ পৃষ্ঠাত চাওক*



## মহানগৰীৰ ডকাইতিৰ ঘটনাত আৰক্ষী বিষয়াসহ দুজনক গ্ৰেপ্তাৰ

■ গুলিবৰ্ষণ কৰা পিষ্টল-আন দুৰ্বৃত্তৰ সন্ধান উলিওৱাত ব্যৰ্থ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ অক্টোবৰ ঃ** আৰক্ষীৰে গিজগিজাই থকা গুৱাহাটী মহানগৰীত কালি দিন-দুপৰতে সংঘটিত হোৱা গুলিচালনা আৰু ডকাইতিৰ ঘটনাত আৰক্ষী বিষয়াসহ দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে বুলি আৰক্ষী আয়ুক্তই সদৰী কৰিছে। ধৃত লোক দুজন হৈছে ক্ৰমে আৰক্ষী বিষয়া গণেশ দাস (৩৬) আৰু মহম্মদ ওমৰ আলী (১৯)। উল্লেখ্য যে ফটাশিল আমবাৰী থানাৰ অন্তৰ্গত ধীৰেনপাৰা সাৰদা পথৰ ব্যৱসায়ী গৌতম পালৰ ঘৰত কালি বিয়লি বন্দুকধাৰী ছজনীয়া এটা দুৰ্বৃত্তৰ দলে ধন-সোণ লুটপাত কৰি ওলাই যোৱাৰ পথত বৰ্ষাপাৰা ষ্টেডিয়ামৰ সন্মুখত লিটন মজুমদাৰ (৩৫) নামৰ *১০ পৃষ্ঠাত চাওক*

## ইউডিএফৰ ভৱানীপুৰ গোসাঁইগাঁৱৰ প্ৰাৰ্থী ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ অক্টোবৰ ঃ** আগন্তুক উপ-নিৰ্বাচনৰ বাবে আজি এআইইউডিএফে প্ৰাৰ্থী ঘোষণা কৰে। দুদিন ধৰি দলৰ কৰ্ণধাৰ সমিতিৰ বৈঠকৰ অন্তত সিদ্ধান্ত কৰা অনুসৰি ভৱানীপুৰ আৰু গোসাঁইগাঁও সমষ্টিত এআইইউডিএফে *১০ পৃষ্ঠাত চাওক*

## ইন'ভা চুৰি কৰি নিয়াৰ পথত আৰক্ষীৰ দ্বাৰা গুলিবিদ্ধ দুৰ্ধৰ্ষ ডকাইত

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**ডিব্ৰুগড়/চাবুৱা, ৬ অক্টোবৰ ঃ** কুখ্যাত ডকাইত তথা আৰক্ষীৰ গুলিত নিহত শিৱসাগৰৰ দুৰ্ধৰ্ষ বুবু কোঁৱৰৰ ঘনিষ্ঠ বিমান বৰাও এইবাৰ আৰক্ষীৰ দ্বাৰা গুলিবিদ্ধ হ'ল। অসম আৰক্ষীৰ বাবে মূৰৰ কামোৰণি হৈ *১০ পৃষ্ঠাত চাওক*

■ অগপৰ কাৰ্যালয়ত বিজেপি মিত্ৰজোঁটৰ শীৰ্ষ নেতৃত্বৰ সংবাদমেল
■ উপ-নিৰ্বাচনত তামুলপুৰ-গোঁসাইগাঁৱত ইউপিপিএলৰ প্ৰতীক

## মিত্ৰদলৰ সকলো প্ৰাৰ্থীৰ জয় নিশ্চিত, হাগ্ৰামাৰ কোনো প্ৰয়োজন ইয়াত নাই



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ অক্টোবৰ ঃ** বৰ অসমৰ বৰভূমিত খিলঞ্জীয়া জাতি-জনগোষ্ঠীক সম-অধিকাৰ, সম-উন্নয়নেৰে আগুৱাই নিবলৈ বিজেপি, অসম গণ পৰিষদ আৰু ইউপিপিএল-এ অবিৰত যাত্ৰা অব্যাহত ৰাখিব বুলি মন্তব্য কৰিছে ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই। আজি অগপৰ আমবাৰীস্থিত মুখ্য কাৰ্যালয়ত তিনিওটা মিত্ৰদলে আগন্তুক উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি এক যৌথ সংবাদমেলত কলিতাই এইদৰে মন্তব্য কৰি কয় যে ২০১৬ৰ পৰাই বিজেপি আৰু *১০ পৃষ্ঠাত চাওক*

## বেঞ্জামিন লিষ্ট ডেভিড মেকমিলানলৈ ৰসায়ন শাস্ত্ৰৰ ন'বেল বঁটা



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৬ অক্টোবৰ ঃ** ৰসায়ন বিজ্ঞানত নতুন আৰু থলুৱা অস্ত্ৰ উদ্ভাৱন কৰি ন'বেল বঁটা লাভ কৰিলে জাৰ্মান বিজ্ঞানী বেঞ্জামিন লিষ্ট আৰু স্কটলেণ্ডত জন্মগ্ৰহণ কৰা ডেভিড *১০ পৃষ্ঠাত চাওক*

■ চিকিৎসা-ঔষধ লাভত বাধা ঃ দমকল স্থাপনৰো অনুমতি নাই

## ভাইৰেল জ্বৰে গুৰুতৰ ৰূপ ধাৰণ কৰিছে ধলপুৰৰ উচ্ছেদিতৰ মাজত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**ধলপুৰ, ৬ অক্টোবৰ ঃ** দৰং জিলা প্ৰশাসনৰ শেহতীয়া উচ্ছেদ অভিযানে ধলপুৰৰ গঞাক আৰ্থিক আৰু মানসিকভাৱে জুৰুলা কৰাৰ পাছত শেহতীয়াভাৱে ভাইৰেল জ্বৰে তীব্ৰ ৰূপ ধাৰণ কৰাত আতংকিত হৈ পৰিছে উচ্ছেদিত লোকসকল। উচ্ছেদৰ দিন ধৰি আজিকোপতি ধলপুৰৰ গাতে লাগি থকা ব্ৰহ্মপুত্ৰৰ সুঁতিৰ সিপাৰৰ ভেটিৰ বজাৰ নামে এঠাইত আশ্ৰয় লৈ থকা লোকসকলৰ মাজত *১০ পৃষ্ঠাত চাওক*

## টে'টৰ নথি জালিয়াতিৰ গোচৰত গ্ৰেপ্তাৰ কলেজৰ সহকাৰী অধ্যাপক জেহিৰুল



**বিশেষ সংবাদদাতা**
**নগাঁও, ৬ অক্টোবৰ ঃ** টে'ট উত্তীৰ্ণৰ নথিপত্ৰ জাল কৰি চাকৰি লোৱা কে'বাজনো শিক্ষক ইতিমধ্যে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখা (চি আই ডি)ৰ জালত পৰাৰ পাছত এইবাৰ জালত পৰিছে নগাঁৱৰ ঐতিহ্যমণ্ডিত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ আৰবী বিভাগৰ সহকাৰী অধ্যাপক ড° জেহিৰুল ইছলাম। নগাঁও আৰু হোজাই জিলাতো এই দুষ্কাৰ্যৰ লগত জড়িত কে'বাজনো লোকক চি আই ডিয়ে গ্ৰেপ্তাৰৰ পাছত আজি অধ্যাপকজনক গ্ৰেপ্তাৰৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে কালি চামগুৰিৰ বাজিয়াগাঁওস্থিত ৰূপহী খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত সৰ্বশিক্ষাৰ অধীনত ডিষ্ট্ৰিক্ট *১০ পৃষ্ঠাত চাওক*

## আচৰণ বিধি ভংগ কৰি বিজেপি প্ৰাৰ্থী ৰূপজ্যোতিয়ে বিলালে শাৰী

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ৬ অক্টোবৰ ঃ** আসন্ন উপ-নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি হোৱাৰ পাছতে নিৰ্বাচনী আচৰণবিধি উলংঘনৰ অভিযোগ উত্থাপিত হৈছে মৰিয়নি বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী *১০ পৃষ্ঠাত চাওক*

## তামুলপুৰত ৪৭ জন চোৰাংচিকাৰীৰ আত্মসমৰ্পণ


**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ৬ অক্টোবৰ ঃ** বিটিএডিত অব্যাহত আছে চোৰাংচিকাৰীৰ আত্মসমৰ্পণ প্ৰক্ৰিয়া। আজি বাগ্‌সা জিলাৰ তামুলপুৰ ঘগ্ৰা *আঠ পৃষ্ঠাত চাওক*

তামুলপুৰত সমৰ্থকৰ উপস্থিতিত ঘোষণা ■ প্ৰমোদৰ বিৰুদ্ধে ক্ষোভ

## আজি মনোনয়ন দাখিল কৰিব প্ৰাৰ্থিত্ব বঞ্চিত বিজেপি নেতা ইমানুৱেলে

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ৬ অক্টোবৰ ঃ** সমাগত উপ-নিৰ্বাচনত তামুলপুৰ বিধানসভা সমষ্টিটো মিত্ৰ দল ইউপিপিএলক এৰি দিয়াৰ প্ৰতিবাদত কাইলৈ মনোনয়ন দাখিল কৰিব প্ৰাক্তন বিধায়ক তথা বিজেপি নেতা ইমানুৱেল মোছাহাৰীয়ে। বিপিএফত মোক্ষম আঘাত হানি ৰাষ্ট্ৰীয় ৰাজনীতিত জড়িত হৈ কাম কৰাৰ বাবে বিজেপিত যোগদান কৰা তামুলপুৰৰ প্ৰাক্তন বিধায়ক মোছাহাৰীক বিগত বিধানসভা নিৰ্বাচনতো দলে প্ৰাৰ্থিত্ব প্ৰদান কৰা নাছিল। তামুলপুৰৰ বিধায়কজনৰ অকাল মৃত্যুৰ পাছত সম্প্ৰতি অহা ৩০ অক্টোবৰত অনুষ্ঠিতব্য সমষ্টিটোৰ উপ-নিৰ্বাচনত পুনৰ আসনখন প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএলক এৰি দিছে বিজেপিয়ে। ইয়াতে ক্ষুণ্ণ হৈ আজি তামুলপুৰৰ নিজ বাসভৱনত সমষ্টিটোৰ বিভিন্ন প্ৰান্তৰ সহস্ৰাধিক সমৰ্থকৰ উপস্থিতিত এখন সভা *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৫° |
| ডিব্ৰুগড় | ৩৩° | ২৪° |
| দিল্লী | ৩৩° | ২১° |
| কলকাতা | ৩৩° | ২৭° |
| মুম্বাই | ৩৪° | ২৬° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৪° | ২০° |
| শ্বিলং | ২৪° | ১০° |

*৬ অক্টোবৰ, ২০২১*

### চেঙা তেল




*পুৱাহে আপোনাৰ স'তে দোস্তি কৰিছিলো; এতিয়াতো সন্ধিয়া, এতিয়া এওঁৰ স'তে দোস্তি!*

■ ৭৫০ মিলিলিটাৰৰ মূল্য ৪৪ লাখ টকা ■ স্বাস্থ্য সতেজ আৰু উজ্জ্বল কৰি ৰখা স্বৰ্ণভস্ম নিহিত পানী সংগ্ৰহ কৰা হয় ফ্ৰান্স-ফিজিৰ পৰা ■ ২৪ কেৰেটৰ সোণেৰে তৈয়াৰ কৰা হয় এই পানীৰ বটল ■ গিনিজ বুকৰ ৰেকৰ্ডত স্থান লাভ

## বিশ্বৰ সবাতোকৈ দুৰ্মূল্য পানী পান কৰে নীতা আম্বানীয়ে



**■ নিউজ ব্যুৰ'**
**মুম্বাই, ৬ অক্টোবৰ ঃ** সুদক্ষ ক্ৰিকেট খেলুৱৈ বিৰাট কোহলিয়ে পান কৰা পানীৰ মূল্য কিমান সেয়া দেশৰ সকলোৱে জানে। কিন্তু ৰিলায়েন্সৰ মুৰব্বী মুকেশ আম্বানীৰ পত্নী নীতা আম্বানীয়ে প্ৰতিদিনে পান কৰি অহা পানীৰ মূল্য কিমান আপুনি জানে নে? নীতাই যি পানী পান কৰে, ইয়াৰ মূল্য শুনিলে আপুনি অবাক হ'ব। দাবী কৰা অনুসৰি, ভাৰতৰ সবাতোকৈ ধনাঢ্য উদ্যোগপতিৰ পত্নী নীতাই বিশ্বৰ ভিতৰতে সবাতোকৈ দুৰ্লভ পানী পান কৰি আহিছে। আম্বানী পত্নীয়ে পিয়াহ দূৰ কৰিবলৈ পান কৰা এই পানীৰ ৭৫০ মিলিলিটাৰৰ বটলৰ মূল্য প্ৰায় *১০ পৃষ্ঠাত চাওক*



উত্তৰ-পূৱত ১৭৫০ কোটি বিনিয়োগৰ ঘোষণা

## পাম তেল খালে কৰ্কট ৰোগ হোৱাটো অপপ্ৰচাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ অক্টোবৰ ঃ** উত্তৰ-পূৱৰ ৰাজ্যসমূহত তেল পাম খেতিত ১৭৫০ কোটি টকা বিনিয়োগৰ কথা আজি ঘোষণা কৰে থ্ৰীএফ অইল পাম কোম্পানীৰ বিষয়ববীয়াই। মহানগৰীৰ হোটেল তাজ ভিভাণ্টাত আজি 'অসম তথা উত্তৰ পূৰ্বাঞ্চলক তেল পাম খেতিৰ সম্ভাৱনা আৰু কৃষকৰ সুযোগ' সন্দৰ্ভত সাংবাদিকৰে মত-বিনিময় অনুষ্ঠানত কোম্পানীয়ে এই ঘোষণা কৰে। অনুষ্ঠানত থ্ৰীএফ অইল পাম কোম্পানীৰ *১০ পৃষ্ঠাত চাওক*

# মঙলদৈ আদালতত ই-ষ্টাম্প বিক্ৰেতাৰ দপদপনি

## ৩০ শতাংশ অধিক মূল্যত বিক্ৰী কৰে ই-ষ্টাম্প

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ৬ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰে ষ্টাম্প শুল্ক ৫৬০ গুণ বৃদ্ধি কৰাৰ সময়তেই মঙলদৈ আদালতত দলিল তথা ই-ষ্টাম্প বিক্ৰেতাসকলেও দলিলৰ নিৰ্ধাৰিত নিৰিখতকৈ ৩০ শতাংশ বেছিকৈ লোৱাৰ গুৰুতৰ অভিযাগ উত্থাপিত হৈছে। উল্লেখ্য যে ষ্টাম্প শুল্ক বঢ়াৰ লগে লগে পত্ৰ শপতত এশ টকা, সাধাৰণ চুক্তি পত্ৰত এশ টকা আৰু চুক্তিপত্ৰৰ মূল্য অনুযায়ী এখন চুক্তিপত্ৰত এহেজাৰৰ পৰা কে'বা হেজাৰৰ ষ্টাম্প শুল্ক দিব লাগে। এই বৰ্ধিত শুল্কৰ গইনা লৈ মঙলদৈ আদালতৰ দুজনকৈ ই-ষ্টাম্প বিক্ৰেতাই ই-ষ্টাম্পৰ মূল্য ৩০ শতাংশ অধিক লোৱাত সাধাৰণ ৰাইজ, উকিল, তৰণী আদিৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নাম প্ৰকাশত অনিচ্ছুক এজন ব্যক্তিয়ে এনে অধিক ধন আদায় লোৱাৰ কাৰণ জানিব বিচৰাত ই-ষ্টাম্প বিক্ৰেতাই বিভিন্ন অজুহাত দেখুৱাই কথাটো আওকাণ কৰা বুলি কয়। ই-ষ্টাম্প বিক্ৰেতাৰ উপৰি সাধাৰণ দলিল বিক্ৰেতাসকলেও দলিলৰ নিৰ্ধাৰিত মূল্যতকৈ অধিক মূল্য লোৱাৰো অভিযোগ আছে। এই বিষয়ত ব্যক্তিজনে জিলা উপায়ুক্তক লিখিত অভিযোগ দাখিল কৰিব বুলি অৱগত কৰে। ইপিনে, ষ্টাম্প শুল্ক বৃদ্ধি হোৱাৰ লগে লগে অধিবক্তাসকল বিমোৰত পৰিছে বুলি কে'বাজনো অধিবক্তাই জানিবলৈ দিছে। তেওঁলোকে ৰাইজ তথা মোৱাক্কিলৰ লপৰা এতিয়াৰ পৰা অতি কমেও এখন পত্ৰ শপতত পাঁচশ টকা ল'ব লাগিব। কাৰণ চৰকাৰী বৰ্ধিত ষ্টাম্প শুল্কৰ উপৰি অধিবক্তাসকলে অতিৰিক্ত ৩০ শতাংশ অবৈধ মূল্য দিবলগীয়া হৈছে। এই ক্ষেত্ৰত জিলা উপায়ুক্ত প্ৰভাতী থাউছেনে কি ভূমিকা লয় সেয়া সময়ত স্পষ্ট হ'ব।


## নতুন আৰু পুনৰ বিক্ৰী-জাননী (Fresh and Re-Sale Notice)

ইয়াৰ দ্বাৰা সমূহ ৰাইজক জনোৱা যায় যে ধুবুৰী বন সংমণ্ডলৰ অধীনত থকা বিভাগীয় বাজেয়াপ্তকৃত কাঠৰ নতুন আৰু পুনৰ বিক্ৰীৰ বাবে অহা ০১-১০-২০২১ (ইং)ৰ পৰা Online www.assamforestonline.in ত নিবিদা আহ্বান কৰা হৈছে আৰু এই নিবিদা ধুবুৰী বন সংমণ্ডল প্ৰাধিকাৰীৰ কাৰ্যালয়, ধুবুৰীৰ পৰা www.assamfoirestonline.inত গ্ৰহণ কৰা হ'ব।

উপৰোক্ত সংক্ৰান্তত বিতং তথ্য সম্বলিত বিক্ৰী-জাননী (Sale Notice) onlineত উপলব্ধ হ'ব

বন সংমণ্ডল প্ৰাধিকাৰী
ধুবুৰী বন সংমণ্ডল

জনসংযোগ/চি/৬৩৫৩/২১



## SHORT SALE NOTICE

It is for general information of all concerned that the provision of the Assam Minor Mineral Concession Rule 32(1) & 33 (1), 2013 sealed tenders affixing non-refundable court fee Rs.8.25 (Rupees Eight and twenty five paise) only for sale of the following River Sand, Gravel, Boulder and Sandgravel Mahals under Chirang Forest Division, Kajalgaon are hereby invited which was cancelled by the undersigned earlier vide this office advertisement letter No.B/CRD/Short Sale Notice/7928-29, dated 29/08/2021. The date of receiving of tender has been re-fixed on **25th October/2021** up to 3:00PM. In case, the office is closed on that day for any reason the next working day shall be fixed as date of receiving of tender. The intending tenderer may collect the details of Sale notice from the office of the undersigned during office working hours on payment of Rs.500.00 (Rupees Five hundred) only (for each Sale Notice & Tender Form) in the Form of treasury challan. Preferably bidder from BTC area will be given priority.

| Sl.No. | Name of Range | Name of Mahal |
|---|---|---|
| 1. | Amteka Range | Kanamakra Kaligaon No.2 Sand and Gravel River Mahal. |
| 2. | Amteka Range | Kanamakra Sand and River Gravel Mahal (Chikapara No.1 & 2) |
| 3. | Amteka Range | Kanamakra Sand and Gravel River Mahal (Lakhipur to Bhabanipur Muslim Basti) |
| 4. | Amteka Range | Kanamakra Sand and Gravel River Mahal (Letupara to Tulshijhora) |
| 5. | Amteka Range | Kanamakra Sand and Gravel River Mahal (Parbotjhora To Rajapara) |
| 6. | Amteka Range | Nangalbhanga Huthuti Sand and Gravel River Mahal |
| 7. | Runikhata Range | Bhur River Boulder Mahal (R/F area) |
| 8. | Runikhata Range | Bhurkhola Sand, Gravel and Boulder River Mahal, Deosri (R/F area) |
| 9. | Runikhata Range | Deosri Aie River Boulder Mahal,(R/F area) |
| 10. | Runikhata Range | Bhurjhar Aie River sand, Gravel and River Boulder Mahal,(R/F area) |
| 11. | Kuklung Range | Agrong River Sand, Gravel and Boulder Mahal No.2,(R/F area) |

Sd/- Divisional Forest Officer,
Chirang Division, Kajalgaon

Janasanyog/C/6389/21



No. FG.27/CAMPA/Drone/Monitoring/2021-22

## SHORT TENDER NOTICE FOR SURVEYING & MAPPING OF CAMPA PLANTATION WORKS

The Addl. Principal Chief Conservator of Forests & Chief Executive Officer, State CAMPA, Assam invites bids from reputed Firms/ Agencies for Aerial Survey and Mapping of various CAMPA plantation activities created since 2011-12 to 2019-20.

The last date for submission of bids is **25th Oct, 2021**. The complete documents can be collected from the O/o the CEO, State CAMPA, Assam, Lankeshwar, Jalukbari on any working day or downloaded from PCCF & HoFF website **http://www.forest.assam.gov.in**

Sd/-
Addl. Principal Chief Conservator of Forests &
Chief Executive Officer, State CAMPA, Assam
Lankeshwar, Jalukbari, Guwahati – 14

Janasanyog/C/6384/21



No. SMET/TMC/NIT/792/2017/5557

## SHORT NOTICE INVITING QUOTATIONS

Principal cum Chief Superintendent, Tezpur Medical College & Hospital (TMC&H), Tezpur invites sealed quotations from reputed agencies dealing with Annual Maintenance Contract for CCTV's surveilance system for Comprehensive Annual Maintenance Contract for CCTV'S Cameras with accessories installed at TMC&H, Tezpur. Interested bidders can download the detailed NIQ from the TMC&H's website https://tmcassam.org. from 07/10/2021 (11.00 a.m. onwards). Last date to submit the quotation is 22/10/2021 upto 13.00hrs.

Principal cum Chief Superintendent
Tezpur Medical College & Hospital, Tezpur

Janasanyog/C/6343/21



## SHORT SALE NOTICE

Sealed tenders affixing Court fee stamps worth of Rs. 8.25 (Rupees Eight and Paisa twenty five) only on each tender are invited for Sale of Timber Lots under various Ranges/Depot etc. of Aie Valley Division, Bongaigaon. Details of Lot tibmers & other terms and conditions in the original sale notice which can be procured from the office of the undersigned during office hours.

The intending Tenderers shall have to pay documents fee and any other fee system in online portal.

The date of receiving tenders have been fixed on 09/10/2021 to 29/10/2021 from 10.00 A.M. up to 05.00 P.M (I.S.T) in the office of the undersigned. In case the office remains closed on that day for any unforeseen or unavoidable reason, then tenders will be received up to 5.00 P.M (IST) on next working day.

Divisional Forest Officer
Aie Valley Division
Bongaigaon.

Janasanyog/C/6363/21



## Guwahati Metropolitan Development Authority

STATFED Building, Bhangagarh, Guwahati - 781005
Website: **www.gmda.assam.gov.in** Tel: 0361-2529650/9824
E-mail: **ceogmdaghy@gmail.com** Fax: 0361-2529991

**No. GMDA/DEV/119/2020/23** **Dated: 06-10-2021**

### NOTICE INVITING RE-TENDER

Guwahati Metropolitan Development Authority invites online tender in two bid system from reputed and experienced APWD (Roads) registered Contractors of **Class-I (A, B & C)** (as applicable) for the work.

| Sl. No. | Name of Work | Value (In ₹) | Bid Security | Cost of Bid (₹) | Completion Period |
|---|---|---|---|---|---|
| 1 | Improvement of Bhogargaon-Lokabandhu Nagar Road at Lokabandhu Nagar, Kahilipara, Guwahati | 188.00 lakhs | 2% of Bid value (1% only for the tenderer belonging to ST, SC, OBC & UGE) | 4000.00 | 12 (twelve) months |


The detailed tender documents can be downloaded from the e-procurement portal **https://assamtenders.gov.in** from **11-10-2021 to 01-11-2021**. Interested bidders are required to create their own user ID & password in the e-tendering portal.

Amendment/ Addendum to the tender, and further notifications, if any, shall appear in the website **https://assamtenders.gov.in**. Authority reserves the right to reject any or all offers without assigning any reason thereof.

Tender floated vide NIT No. GMDA/DEV/119/2020/21, dated: 04-09-2021 hereby stands cancelled due to unavoidable reason.

*Sd/-* **Chief Executive Officer**
Guwahati Metropolitan Dev. Authority
Bhangagarh, Guwahati - 5


## শ্ৰদ্ধাঞ্জলি



*স্বৰ্গীয় শৰৎ চন্দ্ৰ বৰা*
*জন্ম ঃ ১৯২৬ চন, ১২ ডিচেম্বৰ, ৰবিবাৰ*
*মৃত্যু ঃ ২০০২চন, ৬ অক্টোবৰ, ৰবিবাৰ*

*আজি তোমাৰ উনবিংশতম মৃত্যু বাৰ্ষিকী তিথিৰ দিনা আমি সকলোৰে শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত কাতৰ প্ৰাৰ্থনা কৰিছো।*

পৰিয়ালবৰ্গ
শৰৎ কমপ্লেক্স, ঘৰ নং-৪
শিৱ মন্দিৰ পথ, খানাপাৰা,
গুৱাহাটী-৭৮১০২২


## ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৱচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- **9954021556, 9947066469.**



## ADVERTISEMENT FOR ALLOCATION OF SHOP (YOGA AND AYURVEDIC CENTRE) AT NEW CENTRAL SHOPPING COMPLEX OF MISSAMARI MILITARY STATION

**1.** Application for opening of shop **(Yoga and Ayurvedic Treatment Centre)** at Central Shopping Complex of Missamari Military Station are invited from the following eligible categories only:-

(a) War Widows/Widows of Defence Personnel killed while on duty.
(b) Disabled soldier.
(c) Ex-Servicemen.
(d) Spouses / Widows of Ex-Servicemen.

**2.** The following category of the shops are available for allotment:-

| S/ No. | Shop No. | Area (In Sqr Mtr) | Name of Shop | Approx Licence fee per month | Minimum Monthly Rebate | Security Deposit (02 times of Monthly rebate) |
|---|---|---|---|---|---|---|
| 1. | P-2G | 36 | Yoga and Ayurvedic Treatment Centre | 6430.00 | 2500.00 | 5000.00 |

**Note** : (a) Shop keeper to install electric and water meters at their own cost and actual consumption of electricity and water will be charged by MES authorities. (b) The rebate will be revised annually.

3. Allotment of shop will be done as per Government of India (MoD) letter No B/89915/AP-2/2003/ Land (Policy & ANC)/75 dated 28 Sep 17 and letter No B/89915/AP-2/2003/Land (Policy & ANC)/75 dated 07 Feb 2018 and the highest bidder will be allotted the shop.

4. Tender application forms are available at station Headquarters, Missamari office on cash payment @ **Rs 500/-(Rupees five hundred only)** during working hours (between 9 AM to 2 PM).

5. Application should reach Station Headquarters Missamari by **1000h** on **23 Oct 2021** addressed to **Administrave Commandant, Station Headquarters Missamari, Sonitpur (Dist), Assam, PIN-784506, c/o 99 APO** in sealed envelope only.

6. **Applicant should not be more that 60 years of age on the date of application.**

**Administrative Commandant**
**Station Headquarters Missamari**



No.SIPRD-121/2021/93

## NOTICE INVITING TENDER

Sealeed quotations affixing non-refundable court free stamp of Rs. 8.25 are invited from the eligible & Registered Printing Press for printing of Booklet of SIPRD, Assam. Interested parties may download the details of tender document from https://sirdassam.gov.in from 05-10-2021 onwards. The last date for receipt of the tender is 08/11/2021 and will be opened on the same date at 12.00 hours. Director, SIPRD reserves the right to accept or reject any or all tenders without assigning any reason thereof.

Director
SIPRD, Assam.

Janasanyog/C/6367/21



BODOLAND TERRITORIAL COUNCIL SECRETARIAT
BODOFA NWGWR, KOKRAJHAR
VEHICLE CELL, GAD

*No.BTC/Vehicle Cell-02/2020/35,* *Dated Kokrajhar, the 1st October, 2021*

### QUOTATION

Sealed quotation affixing Court fee stamp worth for Rs.8.25 (Rupees eight and twenty five paise) only are herby invited from the intending parties for disposal of the following vehicles and damaged spare parts of Bodoland Territorial Council Secretariat, Kokrajhar now kept "AS IS WHERE IS BASIS".

| Sl. No. | VEHICLE NO. | TYPE OF VEHICLE | DATE OF PURCHASE | AUCTION VALUE |
|---|---|---|---|---|
| 1 | AS-16A/0019 | Scorpio | 08/12/2008 | Rs. 1,40,000.00 |
| 2 | AS-16A/9362 | Scorpio | 21/06/2012 | Rs.1,60,000.00 |
| 3 | AS-16A/3762 | Scorpio | 18/11/2018 | Rs.1,25,000.00 |
| 4 | AS01V/3758 | TATA Safari Ex | 31/03/2005 | Rs.55,000.00 |
| 5 | AS-16A/6804 | Bolero Invader | 18/3/2010 | Rs.1,60,000.00 |
| 6 | AS-16A/0011 | Maruti Gypsy | 14/10/2006 | Rs.85,000.00 |
| 7 | AS-01AF/5900 | Scorpio SLX | 26/10/2007 | Rs.1,10,000.00 |
| 8 | AS01T/0023 | Scorpio | 10/8/2004 | Rs.98,000.00 |
| 9 | AS-16E/5081 | TharCRDE | 26/7/2016 | Rs.1,85,000.00 |
| 10 | AS-16/8823 | Maruti OMNI | 28/2/2006 | Rs.45,000.00 |
| 11 | AS-16A/5904 | Ambassador | 14/11/2009 | Rs.25,000.00 |
| 12 | AS-16A/9371 | Tata Sumo Grand | 2012 | Rs.95,000.00 |
| 13 | AS-16B/5603 | Scorpio | 3/4/2012 | Rs.1,1,0000.00 |
| 14 | AS-16A/2799 | Scorpio | 5/4/2008 | Rs.1,05,000.00 |
| 15 | AS-16A/1535 | Scorpio | 26/7/2007 | Rs.85,000.00 |
| 16 | AS-16B/4570 | Maruti Gypsy | 22/12/2011 | Rs.55,000.00 |
| 17 | AS-16B/8578 | Maruti Gypsy | 21/1/2012 | Rs.55,000.00 |
| 18 | AS-16B/8582 | Maruti Gypsy | 15/12/2012 | Rs.62,000.00 |
| 19 | AS-16B/8590 | Maruti Gypsy | 15/1/2012 | Rs.55,000.00 |
| 20 | AS-16B/5517 | Maruti Gypsy | 5/3/2012 | Rs.61,000.00 |
| 21 | AS-16B/8580 | Maruti Gypsy | 21/1/2013 | Rs.60,000.00 |
| 22 | AS-16B/8577 | Maruti Gypsy | 19/1/2013 | Rs.63,000.00 |
| 23 | AS-16B/8581 | Maruti Gypsy | 21/1/2013 | Rs.85,000.00 |
| 24 | AS-16B/8588 | Maruti Gypsy | 21/1/2013 | Rs.60,000.00 |
| 25 | AS-16B/8584 | Maruti Gypsy | 21/1/2013 | Rs.55,000.00 |

| Sl. No. | Name of damaged spare parts | Rate |
|---|---|---|
| 1 | Maruti Gypsy Tyres (CCT.78.15) | @50.00 per piece |
| 2 | Bolero Tyre (215.75-15) | @50.00 per piece |
| 3 | Scorpio Tyre (236.R.16) | @60.00 per piece |
| 4 | Scrab parts of various vehicles | @10.00 per Kg. |
| 5 | Exide Battery of various vehicles | @500.00 per piece |

Intending parties / quotationers may inspect the above vehicles and damaged spare parts of vehicles in the BTC Secretariat premises on 19th, 20th and 21st, 2021 on office hour.

The quotation will be received on 28/10/2021 from 11:00 A.M. to 03:00 P.M. in the BTC Secretariat, Kokrajhar and will be opened at 04:00 P.M. on the same day in presence of Tenderes / Quotationers.

The intending parties are requested to drop quotations in the quotation Box at ground floor, Block-"A", BTC Secretariat fulfilling all the requirements as specified terms & conditions at **Annexure-I** and the undersigned reserve the right to reject any quotation / quotations without assigning any reasons thereof.

Sd/-
Deputy Secretary
Bodoland Territorial Council
Kokrajhar

*IPR(BTC)-275/2021*


## আজিৰ দিনটো




কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১


### ২০ আহিন বহস্পতিবাৰ ৭ অক্টোবৰ

**সূৰ্যোদয় ঃ** ঘঃ ৫।২১।৫৬, **সূৰ্যাস্ত ঃ** ঘঃ ৫।২।১০। **তিথি ঃ** শুক্লা প্ৰতিবদ, দং ২৪।৪৭।৪২ ঘঃ ৩।১৭।১। **নক্ষত্ৰ ঃ** চিত্ৰা, দং ৪৬।২৭।২ ৰাঘঃ ১২।১৬।৪৫। **যোগ ঃ** ইন্দ্ৰ দং ৬।৩৭।১১ ঘঃ ৮।০।৪৮। বৈধৃতি, দং ৫৯।৫৩।২১ শেষ ৰাঘঃ ৫।২১।১৬। **কৰণ ঃ** বৱ। **জন্মত ঃ** কন্যাৰাশি, শূদ্ৰবৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, দেৱৰীগণ, বাঘৰ অস্থি, বায়ুযোগ, অষ্টোত্তৰী বুধ বিংশোত্তৰী মঙ্গলৰ দশা, ঘঃ ১২।৩০।২৬ যোৱাত তুলাৰাশি, বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ, বৰুণযোগ, ৰাঘঃ ১২।৬।৪৫ যোৱাত দেৱগণ, মহিষৰ অস্থি, বিংশোত্তৰী ৰাহুৰ দশা। **আদ্যঋতু হ'লে ঃ** ১৫ দিনীয়া বেশ্যাযোগ, মতান্তৰে তিনিমহীয়া পতিহীন যোগ। **মৰণত দোষ ঃ** নাই, ঘঃ ৩।১৭।১ যোৱাত এপদ। **যোগিনী ঃ** পূবত, ঘঃ ৩।১৭।১ যোৱাত উত্তৰত। **যাত্ৰাঃ** নাই, তিথ্যাদি দোষ; ঘঃ ৮।০।৪৮ যোৱাত বৈধৃতি যোগ দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** কোমোৰা, ঘঃ ৩।১৭।১ যোৱাত তিতাভেকুৰী খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** সাহস আৰু দক্ষতা সমভাৱে লাভ কৰিব উপকৃত হ'ল। প্ৰেমত আনন্দ। মনত কিছু অহেতুক চিন্তাই ঠাই ল'লেও আপোনাৰ উপস্থিত বুদ্ধিৰ দ্বাৰা আঁতৰাব পাৰিব। কৰ্মস্থানত আনন্দ।

**বৃষ ঃ** আৰ্থিকত ব্যয় বৃদ্ধি পাব। পত্নী সুখ। বিদ্যাত দুশ্চিন্তাৰ মাজেদি শুভ ইংগিত পাব। বিয়া-বাৰু বা উৎসৱ আদিত যোগদান কৰক। মাতৃৰ শৰীৰ চিন্তা। ব্যৱসায়ত মধ্যম।

**মিথুন ঃ** বিদ্যাত শুভ ফল। সময়ৰ নাটনি। মধ্যম দিন হ'লেও কৰ্মস্থানত ভালেই দেখিব। আৰ্থিকতো বেয়া নহ'ব। দায়িত্বপূৰ্ণ কামত মাংগিলক কৃতকাৰ্য হোৱাৰ সম্ভাৱনা। শৰীৰ মধ্যম।

**কৰ্কট ঃ** কৰ্মস্থানত আয় বৃদ্ধি কাৰক। কৰ্ম ব্যস্ততা। সহযোগীৰ সহায়ত উৎসাহ পাব। প্ৰতাৰকৰ বাবে দুশ্চিন্তা থাকিব। নতুন কোনো উদ্দেশ্যেত সফল হ'ব।

**সিংহ ঃ** আৰ্থিকতো কিছু কষ্ট শৰীৰ সম্পৰ্কে উদাস নহ'ব। ৰাইজৰ লগত অতিৰিক্ত খৰচ। আচৰিত কথাৰ সম্ভেদ পাব। বিদ্যাত বেয়া বোলা নাযায়। ভ্ৰমণত অলপ সাৱধান থাকক।

**কন্যা ঃ** মজলীয়াভাৱে দিনটো পাৰ হ'ব। কৰ্মক্ষেত্ৰত সহকৰ্মীৰ অলপ সতৰ্ক থকাটো উচিত হ'ব। প্ৰেমপ্ৰীতিত উদাস চিন্তা। পঢ়াত মধ্যম।

**তুলা ঃ** উচ্চ বিদ্যাত সাফল্য লাভ। শৰীৰ পূৰ্বৰ তুলনাত আশাপ্ৰদ। আগতে ভবা কথা আৰু কামৰ লগত আনৰ বিভেদ থাকিব। আৰ্থিক, আয়ু বৃদ্ধি পাব। কোনো প্ৰিয় লোকৰ যোগাযোগত আনন্দ।

**বৃশ্চিক ঃ** ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত কিছু উচ্চ চিন্তা থাকিব আৰু সফলতাও পাব। কৰ্মস্থানত উন্নত আশা নকৰাই ভাল। পঢ়াত মনোনিবেশ কৰিব।


**ধনু ঃ** দিনটোত পাৰিপাৰ্শ্বিক বাধা-বিঘিনিৰ কাৰণে মনটো গধুৰ হৈ থাকিব। শৰীৰৰ প্ৰতি আওকাণ নকৰিব। কৰ্মত খ্যাতি বুদ্ধিৰ যোগ।

**মকৰ ঃ** নিজৰ মান-সন্মানৰ ক্ষেত্ৰত সচেতন হ'ব। কৰ্মত মজলীয়া প্ৰভাৱ পৰিব। বিদ্যাত ধৈৰ্য ধৰক। পাৰিবাৰিক সামান্য উৎকণ্ঠা দেখা যায়। ভ্ৰমণত দ্ৰব্য লাভ কৰিব। ব্যৱসায়ত আশাপ্ৰদ উন্নতিৰ যোগ।

**কুম্ভ ঃ** নিজৰ উদ্দেশ্য সাধনত ব্ৰতী হওক। কৰ্মত দক্ষতা থাকিব। ব্যৱসায়-বাণিজ্য, উদ্যোগ আদিত সফলতাৰ ইংগিত দেখা যায়। পঢ়া-শুনাত শুভ।

**মীন ঃ** যত্নৰ দ্বাৰা বিদ্যাত সাফল্য লাভ। আৰ্থিকত ব্যয় বৃদ্ধি পাব। কোনো দূৰ বাৰ্তাত আনন্দ লাভ, বেংক কৰ্মচাৰীৰ শুভ। কোনো কাৰণত মন চঞ্চল থাকিব। প্ৰেমত শুভ।

## শব্দ-বেহু ঃ ০৭ অক্টোবৰ




@ সব্যসাচী

**পথালিয়ে ঃ**

১। আহাৰৰ লগত কেঁচাই খাবলৈ নিমখ, জলকীয়া, পিঁয়াজ আদি সানি মিহলোৱা শাক-পাচলি (৩)
৪। গীতত কণ্ঠদান কৰোঁতা, গায়ক (৪)
৭। ক্ৰোধ, অসন্তুষ্টিৰ বাবে হোৱা মনৰ উত্তেজনাময় অৱস্থা (২)
৯। মাটিত বহা গাড়ীৰ চকাৰ দীঘলীয়া সাঁচ (২)
১১। শৃংগাৰ-বিদ্যা, ৰতি-বিদ্যা (৪)
১৩। সৰু ল'ৰা-ছোৱালীয়ে উমলিবলৈ কাপোৰ আদি মেৰাই ঘূৰণীয়াকৈ সজা বস্তু (২)
১৪। চোলা, কোট আদিত ডিঙিৰ বাবে থকা ডাঠ অংশ (৩)
১৫। ঢোলৰ হাতেৰে বজোৱা মূৰটো, হাত চাপৰি (২)
১৮। বাধাপ্ৰাপ্ত, আঘাত কৰি যাক বা যিহক বাধা দিয়া হৈছে (৪)
২০। কাৰ্বি মহিলাই আঙুলিত পিন্ধা ৰূপ বা পিতলৰ আঙঠি (৪)
২২। পাল পাতি কাম কৰা মানুহ (২)
২৪। ব্যয়, ব্যৱহাৰ কৰি ঢুকোৱা কাৰ্য (৩)
২৬। ধোঁৱা টানিবলৈ ধোঁৱা-খোৱাত লগাই লোৱা সৰু চুঙাজাতীয় বস্তু (২)
২৭। হুবহু, অবিকল, একেই আকৃতিৰ (৪)
২৯। দ ঠাইত হোৱা, সংকটৰ পৰা উদ্ধাৰ কৰ, জ্যোতিষ্ক (২)
৩১। গুৰ প্ৰস্তুত কৰিবৰ উপযোগী কুঁহিয়াৰৰ ৰস (২)
৩৩। ৰজা, দেৱতা আদিলৈ পানী আগবঢ়োৱা ৰূপ বা সোণৰ নলীযুক্ত লোটা (৪)
৩৪। ৰাজহাঁহ (৩)

**থিয়কৈ ঃ**

২। লক্ষ, এশ হাজাৰ(২)
৩। নাগেৰা আকৃতিৰ এবিধ ডাঙৰ বাদ্যযন্ত্ৰ, দুন্দুভি (৩)
৪। এটা ভাৰতীয় ধ্ৰুপদী নৃত্য (৪)
৫। বন্তি বা জুইৰ কঁপি থকা আগ, মূৰৰ টিকনি (২)
৬। কোনো সম্পত্তিৰ গৰাকী,গৃহস্থ (৩)
৮। অকস্মাৎ হোৱা ডাঙৰ আঘাত বা দুৰ্ঘটনা (৪)
১০। কলা-সংস্কৃতিৰ চৰ্চা আৰু সাধনা কৰোঁতা, শিল্পী (৪)
১২। পুৰুষ, স্বামী (২)
১৬। বিৰাম, বাধাপ্ৰাপ্ত (২)
১৭। দুখীয়া, দৰিদ্ৰ (২)
১৮। পথালিৰ জোখ, পুতলৰ বিস্তৃতিৰ পৰিমাপ (২)
১৯। মান্য মুচলমান লোকৰ নামৰ আগত লিখা সন্মানবোধক শব্দ (৪)
২০। জমা থোৱা ধন (৪)
২১। কাঠ আদিৰে সজা পানীত চলোৱা যান-বিশেষ, নৌকা (২)
২২। কোনো কাম আৰম্ভ কৰাৰ আগতে কৰা দৃষ্টিকটু কুচকাৱাজ বা মিছা বীৰত্ব (৪)
২৩। কোনো অৱতাৰী পুৰুষৰ ক্ৰিয়া-কলাপ, কেলি (২)
২৫। বিহংগ,পক্ষী, বিহগ (৩)
২৮। উপানহ, পাদুকা (৩)
৩০। সিৰ, নাড়ী (২)
৩২। এবিধ মূল্যবান বাখৰ (২)

**উত্তৰ অহা সংখ্যাত**

**০৬ অক্টোবৰ সংখ্যাৰ উত্তৰ ঃ**

**পথালিয়ে ঃ** ১। অৱলোকন ৪। সমবেত ৬। খৰাং ৭। বন্ধ্ৰ ৮। আফু ৯। গছা ১১। লাটুম ১৩। নাক ১৪। ধুতিনীতি ১৬। বাই ১৭। ফান ১৮। হতবাক ২০। ফই ২১। ত্ৰিভুজ ২৩। লপা ২৪। কন্যা ২৫। সোপা ২৬। ক্ষিতিজ ২৮। নিৰৰ্থক ২৯। কলংকিত

**থিয়কৈ ঃ** ১। অধৰমধু ২। লোং ৩। নখফুলা ৪। সংগম ৫। তদাৰক ১০। কানীন ১২। টুপী ১৩। নাইবা ১৫। তিফাই ১৬। বাতৰি ১৯। কষ্টোপাৰ্জিত ২০। ফটাকানি ২১। ত্ৰিপাক্ষিক ২২। জকজক ২৭। বেং

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
**ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।**
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com

অসম চৰকাৰ
GOVERNMENT OF ASSAM

সঁহাৰি
XOHARI

অসম চৰকাৰে মুকলি কৰিছে

# অসম লোকসেৱা অধিকাৰ ৱেব-প'ৰ্টেল

www.rtps.assam.gov.in

এক ৱেব-প'ৰ্টেল, যি বৈদ্যুতিন মাধ্যমেৰে প্ৰদান কৰিব অধিসূচীত ৰাজহুৱা সেৱা

প'ৰ্টেল মুকলি কৰিব

## শ্ৰীমতী নিৰ্মলা সীতাৰমণ

মাননীয় কেন্দ্ৰীয় মন্ত্ৰী, বিত্ত আৰু বাণিজ্যিক পৰিক্ৰমা

## ডঃ হিমন্ত বিশ্ব শৰ্মা

মাননীয় মুখ্যমন্ত্ৰী, অসম

৭ অক্টোবৰ, ২০২১

স্থানঃ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক সভাকক্ষ, গুৱাহাটী

## প'ৰ্টেলৰ কেতবোৰ লক্ষণীয় দিশ

- কৰিব পাৰিব অনলাইন আবেদন (ডিজিটেল নথি-পত্ৰসহিতে) আৰু অনলাইনযোগে মাচুল পৰিশোধ
- আবেদন কৰা ৰাজহুৱা সেৱাসমূহ লাভ কৰিব নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত
- দ্বিধাহীনভাৱে লাভ কৰিব সেৱাসমূহ
- অনলাইনযোগে অভিযোগ খণ্ডনৰ সুবিধা উপলব্ধ

অধিক তথ্যৰ বাবে ভিজিট কৰক ঃ www.rtps.assam.gov.in / সহায়ৰ বাবে নিকটৱৰ্তী পিএফচিলৈ আহক

যিকোনো প্ৰশ্ন/ অভিযোগৰ বাবে, যোগাযোগ কৰক ঃ
১৮০০-৩৪৫-৩৫৭৪

আমাক অনুসৰণ কৰক
Assam State Citizen-Centric Service Delivery Project
ACCSDP ARIAS Society
@accsdp_assam

জানক। আবেদন কৰক। লাভ কৰক।

প্ৰশাসনিক সংশোধনী, প্ৰশিক্ষণ, পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগ, অসম চৰকাৰৰ তত্বাৱধানত
বিশ্ববেংকৰ দ্বাৰা আৰ্থিক সাহাৰ্যপ্ৰাপ্ত অসম নাগৰিক-কেন্দ্ৰীক সেৱা প্ৰদান প্ৰকল্প (ACCSDP), ARIAS ছ'চাইটিৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত

দৈনিক অগ্ৰদূত
গুৱাহাটী বৃহস্পতিবাৰ ২০ আহিন ১৪২৮-ভাস্কৰাব্দ ৭ অক্টোবৰ ২০২১

# উদ্বেগজনক তথ্য

কামৰূপ (মহানগৰ) জিলাৰ উপায়ুক্তই সংবাদ মাধ্যমৰ আগত সদৰী কৰা এক উদ্বেগজনক তথ্যই সকলোকে সজাগ-সতৰ্ক কৰিছে। এই তথ্য অনুসৰি বৃহত্তৰ গুৱাহাটীৰ ক'ভিড আক্ৰান্তসকলৰ ৮০ শতাংশই এটা নাইবা দুটা ক'ভিড প্ৰতিষেধক লোৱা লোক। সংবাদ মাধ্যমত প্ৰকাশ পোৱা উপায়ুক্তই দিয়া এই তথ্য শাৰদীয় উৎসৱৰ পৰিপ্ৰেক্ষিতত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলিয়ে গণ্য কৰিব লাগিব। অসমৰ ডিব্ৰুগড় জিলাৰ লাহোৱালস্থিত আই চি এম আৰ-আৰ এম আৰ চিৰ বিজ্ঞানীৰ মতে প্ৰতিষেধক লোৱা লোকসকলেও ক'ভিড বিয়পাইছে। চৰকাৰে প্ৰৱেশ দ্বাৰ (এন্ট্ৰিপইন্ট) সমূহত বেছিভাগ প্ৰতিষেধক নোলোৱা লোকৰহে ক'ভিড পৰীক্ষা কৰা নীতি চিকিৎসা বিজ্ঞান অনুসৰি নিৰ্ভৰযোগ্য হ'ব নোৱাৰে। এগৰাকী উচ্চ পদস্থ প্ৰশাসনীয় বিষয়া আৰু এগৰাকী বিজ্ঞানীৰ ভাষ্যক নিশ্চয় কোনেও আওকাণ কৰিব নোৱাৰে। বিশেষকৈ শাৰদীয় উৎসৱৰ আগমুহূৰ্তত বৃহত্তৰ গুৱাহাটীৰ ক'ভিড পৰিস্থিতিৰ এখন ছবি জিলা প্ৰশাসন কৰ্তৃপক্ষই দাঙি ধৰা তথ্য সকলোৰে বাবে সকীয়নি বুলিয়ে ক'ব পাৰি। চিকিৎসা বিজ্ঞানীসকলে সদায় সকীয়াই আহিছে যে ক'ভিড প্ৰতিষেধক ল'লেই এজন লোক ক'ভিডত আক্ৰান্ত নহ'ব বুলি ধৰি ল'ব নালাগে। ক'ভিডৰ প্ৰতিষেধক অৰ্থাৎ টিকাকৰণে এজন লোকৰ দেহত এন্টিব'ডিৰ সৃষ্টি কৰে আৰু তেনে লোকৰ পৰা আন লোকলৈ ক'ভিড ভাইৰাছ সংক্ৰমণৰ সম্ভাৱনা কম আৰু আন লোকৰ পৰাও ভাইৰাছে সহজে সংক্ৰমিত কৰিব নোৱাৰে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল প্ৰতিষেধক লোৱা লোক ক'ভিডত আক্ৰান্ত হ'লেও তেওঁৰ ৰোগে জটিল ৰূপ ধাৰণ নকৰে; কিন্তু এই তথ্যসমূহৰ সত্যতা স্বীকাৰ কৰি লোৱা হৈছে যদিও ক'ভিডৰ পৰা প্ৰতিষেধক লোৱাৰ পাছতো কোনো লোক সম্পূৰ্ণ সুৰক্ষিত হ'ব নোৱাৰে অৰ্থাৎ এটা নাইবা দুটা প্ৰতিষেধক লোৱাৰ পাছতো এজন লোক ক'ভিডত আক্ৰান্ত হ'ব পাৰে। বৃহত্তৰ গুৱাহাটীত নতুনকৈ ক'ভিডত আক্ৰান্তসকলৰ ৮০ শতাংশই ক'ভিডৰ প্ৰতিষেধক লোৱা বুলি প্ৰকাশ পোৱা তথ্যয়ো ইয়াকেই দেখুৱাইছে। উল্লেখ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰ, ইজৰাইল, ৰাছিয়া, ছিংগাপুৰ, ব্ৰাজিল আদি দেশত ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পাইছে টিকাকৰণৰ পাছতো। ছিংগাপুৰত ৮২ শতাংশ লোকক প্ৰতিষেধক দিয়া হৈছে যদিও সংক্ৰমণ পুনৰ বৃদ্ধি পাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক্ষেত্ৰতো একেই অৱস্থাৰ সৃষ্টি হৈছে আৰু চৰকাৰে সেয়ে তৃতীয়টো প্ৰতিষেধক (বুষ্টাৰ) ল'বলৈ পৰামৰ্শ দিছে নাগৰিকসকলক। ইজৰাইলে ইতিমধ্যে তৃতীয়টো প্ৰতিষেধক লোৱাটো বাধ্যতামূলক কৰিছে। দুটা প্ৰতিষেধক লোৱাসকলক প্ৰতিষেধক লোৱা বুলি চৰকাৰে স্বীকৃতি দিবলৈকে এতিয়া অস্বীকাৰ কৰিছে। সেয়ে ইজৰাইলী নাগৰিকসকলে তৃতীয়টো প্ৰতিষেধক ল'বলৈ বাধ্য। দুটা প্ৰতিষেধক ইজৰাইলৰ সংখ্যাগৰিষ্ঠ লোকে লোৱাৰ পাছতো ক'ভিডৰ পুনৰ সংক্ৰমণ বৃদ্ধি পোৱাত ইজৰাইল চৰকাৰে এনে ব্যৱস্থা গ্ৰহণ কৰিছে। বিভিন্ন দেশৰ ক'ভিডৰ অভিজ্ঞতাৰ পৰা ভাৰতেও শিক্ষা ল'ব বুলি আশা কৰা হৈছে। ব্যাপক টিকাকৰণৰ বাবে দেশত ক'ভিডত আক্ৰান্তৰ সংখ্যা হ্ৰাস পাইছে আৰু মৃত্যুৰ সংখ্যাও কমিছে। যোৱা পাঁচ অক্টোবৰত ২৪ ঘন্টাত ভাৰতত নতুনকৈ আক্ৰান্ত হৈছে ১৮,৩৪৬ জন আৰু মৃত্যুৰ সংখ্যা হ্ৰাস পাইছে। এয়া দেশজুৰি ব্যাপক টিকাকৰণৰ ফল। ভাৰতৰ ৬৯ শতাংশ লোকে অন্ততঃ এটা প্ৰতিষেধক ইতিমধ্যে লৈছে; কিন্তু দুটা প্ৰতিষেধক নোলোৱালৈকে কোনো লোকক সম্পূৰ্ণ প্ৰতিষেধক লোৱা বুলি ক'ব নোৱাৰি। চৰকাৰে দ্বিতীয়টো প্ৰতিষেধক দিয়াত পলম কৰিলে একাংশ লোক আক্ৰান্ত হোৱাৰ সম্ভাৱনা নথকা নহয়। অসমৰ কে'বা লাখ লোকে দ্বিতীয়টো প্ৰতিষেধক সময়মতে লোৱা নাই বুলি প্ৰকাশ পাইছে। এই ঘটনাই উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে।

এনে এক পৰিস্থিতিৰ মাজতে বৃহত্তৰ গুৱাহাটীৰ ক'ভিড আক্ৰান্তৰ বৃহৎ সংখ্যক লোকে আক্ৰান্ত হোৱাৰ আগেয়ে প্ৰতিষেধক লৈছিল বুলি প্ৰকাশ পাইছে। বিশেষকৈ প্ৰতিষেধক লোকসকল বৃহৎ হাৰত ক'ভিডত আকান্ত হোৱাটো চিন্তাৰ বিষয়। প্ৰশ্ন হয় কেৱল বৃহত্তৰ গুৱাহাটীতেই এইদৰে সৰ্বাধিক টিকাকৰণৰ পাছতো ক'ভিডত অধিক সংখ্যক লোক আক্ৰান্ত হৈছে কিয়? বৰ্তমান অসমৰ ক'ভিড পৰিস্থিতি যথেষ্ট উন্নত। এয়া টিকাকৰণৰেই সুফল বুলি ক'ব পাৰি। যোৱা পাঁচ অক্টোবৰত ২৪ ঘন্টাত অসমত ৩৮৫ জন নতুন আক্ৰান্ত হৈছে; কিন্তু ইয়াৰে ১৩১ জনেই বৃহত্তৰ গুৱাহাটীৰ। অৰ্থাৎ ৰাজ্যৰ প্ৰায় সকলো জিলাতেই সংক্ৰমণ অধিক হাৰত হ্ৰাস পাইছে যদিও বৃহত্তৰ গুৱাহাটীত তেনেদৰে হ্ৰাস পোৱা নাই। যোৱা মাহৰ পৰা বৃহত্তৰ গুৱাহাটীত গড়ে ১২০-১৩০ প্ৰতিদিনে আক্ৰান্ত হৈছে। পৰিস্থিতি প্ৰায় অপৰিৱৰ্তিত হৈ থকাটো উদ্বেগজনক। মহানগৰত জনসংখ্যা বেছি, ঘনবসতি আদি কিছুমান দিশ মন কৰিবলগীয়া; কিন্তু ঘনবসতি আৰু জনসংখ্যা বেছি হোৱা সত্ত্বেও ক'ভিড স্বাস্থ্যবিধি মানি চলা মহানগৰবাসীৰ মাজত পৰিলক্ষিত নহয়। যোৱা পহিলা অক্টোবৰৰ পৰা পূৰ্বৰ সকলো ক'ভিড স্বাস্থ্যবিধি শিথিল কৰা হৈছে আৰু নিশা ন বজালৈকে সকলো দোকান-বজাৰ খুলিবলৈ অনুমতি দিয়া হৈছে। আনকি আগন্তুক দুৰ্গাপূজা অনুষ্ঠিত কৰিবলৈও অনুমতি দিয়া হৈছে আৰু পূজা মণ্ডপলৈ অন্ততঃ এটা প্ৰতিষেধক লোৱা সকলোকে যোৱাৰ অনুমতি দিয়া হৈছে। প্ৰশাসনে এইদৰে ক'ভিড স্বাস্থ্যবিধি মানি পূজা অনুষ্ঠিত কৰিবলৈ দিয়াত সংশ্লিষ্ট সকলো পক্ষই সন্তুষ্টি প্ৰকাশ কৰিছে; কিন্তু প্ৰশ্ন হৈছে, চৰকাৰ-প্ৰশাসনৰ নিৰ্দেশসমূহ এশ শতাংশ মানি চলিবনে ভক্তসকলে? প্ৰতিষেধক লোৱাসকলে মণ্ডপত ভিৰ কৰিলে তেওঁলোকৰ পৰা কৰ'না ভাইৰাছৰ সংক্ৰমণ নঘটিব নাইবা তেওঁলোক আক্ৰান্ত নহ'ব বুলি কেনেকৈ নিশ্চিত হ'ব? যিহেতু গুৱাহাটীৰ ক'ভিড আক্ৰান্তৰ ৮০ শতাংশই প্ৰতিষেধক লোৱাৰ পাছত সংক্ৰমিত হোৱা বুলি প্ৰকাশ পাইছে। এনে ক্ষেত্ৰত পূজা মণ্ডপৰ ক'ভিড স্বাস্থ্যবিধিয়ে কিমানদূৰ ৰাইজক সুৰক্ষা দিব?

## খোলা মঞ্চ

# ৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে?



**স্বাধীনতাৰ** অৰ্থ ব্যাপক। স্বাধীন দেশৰ নাগৰিক হোৱা সত্ত্বেও আমাৰ মনত প্ৰশ্ন উদয় হয় যে স্বাধীনতাই আমাক কি দিলে? স্বাধীনতা কেৱল ক্ষমতা হস্তান্তৰৰ বিষয় নহয়। স্বাধীনতাৰ অৰ্থ সামগ্ৰিক উন্নয়ন। আজি আমি স্বাধীন দেশৰ নাগৰিক; কিন্তু প্ৰকৃতপক্ষে আমি স্বাধীনতাৰ মৰ্ম উপলব্ধি কৰিব পাৰিছো নে? স্বাধীন দেশৰ নাগৰিক চিকিৎসা অবিহনে মৃত্যুবৰণ কৰে, উন্নত চিকিৎসাৰ বাবে মধ্যবিত্ত আৰু দৰিদ্ৰ জনগণে হাহাকাৰ কৰে অৰ্থৰ অভাৱত। চৰকাৰৰ সুবিধা কেৱল মাত্ৰ আঁচনিত লিপিবদ্ধ থাকে। সম্পূৰ্ণ সা-সুবিধা জনগণে কেতিয়াও নাপায়। স্বাধীনতা অকল চৰকাৰৰ আছে।

**আশা আহমেদ,** *লেখিকা*

স্বাধীন দেশৰ নাগৰিকে অপুষ্টিত ভুগি থাকে। বিদ্যালয়লৈ যোৱাৰ বয়সত অলেখ ল'ৰা-ছোৱালীবোৰে পিঠিত বস্তা লৈ প্লাষ্টিক, বটল আদি বুটলি পেটৰ ভাত যোগাৰ কৰিবলৈ দিন-ৰাতি কষ্ট কৰি থকা দেখা যায়। শিক্ষাৰ বাবে লাখ লাখ টকা ব্যয় কৰিবলগা হয় অৰ্থাৎ শিক্ষাক ক্ৰয় কৰিব লাগে স্বাধীন দেশত। স্বাধীন দেশত চিকিৎসা আৰু শিক্ষাৰ বাবে কিয় অৰ্থ ব্যয় কৰিবলগা হয়? এয়া হ'ল আমাৰ ৭৫ বছৰীয়া স্বাধীনতাৰ উপহাৰ। বৰ্তমানে আৰু বেছিকৈ অনুভৱ হৈ আছে যে আমি আকৌ পৰাধীনতাৰ শিকলি পিন্ধি আছো। ক'তো আমাৰ স্বাধীনতা নাই। বাক্ স্বাধীনতা নাই, নাৰী নিৰ্যাতন দিনক দিনে বৃদ্ধি পাই আছে। নিবনুৱা সমস্যা প্ৰকটভাৱে দেখা দিছে।

দেশৰ সম্পদ ব্যক্তিগত খণ্ডৰ ওচৰত বিক্ৰী হৈ আছে। দেশৰ মানুহ শোষিত হৈ আছে বিভিন্ন পন্থাৰে। অনুভৱ হয় যেন আমি আকৌ পৰাধীনতাৰ গ্লানিক নতুনকৈ আহ্বান কৰি আছো। দেশৰ মানুহ শোষিত হোৱাটো স্বাধীনতা নে পৰাধীনতাৰ সূত্ৰপাত? স্বাধীন দেশত আমি পৰাধীন হোৱাৰ দিশে ধাৱিত হৈ আছো। ভৱিষ্যতে আমাৰ দেশখন স্বাধীন হৈ থাকিব নে? দেশৰ জনতাই প্ৰকৃত স্বাধীনতাৰ মৰ্ম উপলব্ধি কৰিব পাৰিবনে। ৭৫ বছৰীয়া স্বাধীনতাই আমাক কেৱল 'স্বাধীনতা' শব্দটোৰেই শিকালে।

*ফোন : ৯৯৫৪২৮৩৯৩৩*

# নতুনকৈ প্ৰণয়ন কৰা গো-সুৰক্ষা আইন ২০২১ৰ ওপৰত আলোকপাত

অসমত গো-ধন সুৰক্ষিত কৰাৰ বাবে আইন এখন প্ৰণয়ন কৰাৰ লক্ষ্যৰে এইবাৰৰ বাজেট অধিৱেশনৰ প্ৰথম দিনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিধানসভাৰ মজিয়াত 'দ্য আছাম কেটল প্ৰিজাৰভেছন বিল, ২০২১' নামেৰে বিধেয়ক এখন উত্থাপন কৰিছিল। কংগ্ৰেছ, এ আই ইউ ডি এফ, চি পি আই (এম) আদি বিৰোধী দলে বিধেয়কখনৰ বিৰোধিতা কৰিছিল যদিও বিৰোধীৰ আপত্তি, পৰামৰ্শ আৰু প্ৰতিবাদৰ মাজতেই বাজেট অধিৱেশনৰ অন্তিম দিনা চৰকাৰে বিধেয়কখন বিধানসভাত গৃহীত কৰাবলৈ সক্ষম হৈছিল।

উল্লেখ্য যে গৰু, ম'হ আদি সংৰক্ষণৰ লক্ষ্যৰে ১৯৫০তে 'দ্য আছাম কেটল প্ৰিজাৰভেছন এক্ট, ১৯৫০' নামেৰে আইন এখন প্ৰণয়ন কৰা হৈছিল। সেই আইন অনুযায়ী গৰু-ম'হ হত্যা কৰাৰ বাবে আগতীয়াকৈ অনুমতি লোৱাৰ ব্যৱস্থা আছিল; অৰ্থাৎ কৰ্তৃপক্ষৰ অনুমতি অবিহনে গৰু-ম'হ বধ কৰাটো আইন বিৰোধী আছিল। কেৱল প্ৰজননৰ বাবে অসমৰ্থ আৰু কামত লগোৱাৰ বাবে অনুপযোগী ১৪ বছৰৰ উৰ্ধ্বৰ গৰু-ম'হক কৰ্তৃত্বশীল বিষয়া আৰু পশুধনৰ চিকিৎসকৰ প্ৰমাণ-পত্ৰ সাপেক্ষে হত্যা কৰিব পৰা গৈছিল। ধৰ্মীয় পৰম্পৰা অনুযায়ী পশু হত্যা কৰাৰ ক্ষেত্ৰত অৱশ্যে এই নিয়ম প্ৰযোজ্য নাছিল।

সেই আইনখনত গৰু-ম'হৰ হত্যা, ভোগকৰণ আৰু অবৈধ পৰিবহণ নিয়ন্ত্ৰণ কৰাৰ বাবে পৰ্যাপ্ত আইনী নিয়ম-নীতি নথকা বুলি যোৱা ১২ জুলাইত মুখ্যমন্ত্ৰীয়ে পুৰণি আইনখন খাৰিজ কৰি তাৰ ঠাইত নতুন আইন প্ৰণয়ন কৰাৰ লক্ষ্যৰে 'দ্য আছাম কেটল প্ৰিজাৰভেছন বিল, ২০২১' নামেৰে বিধেয়ক এখন বিধানসভাত উত্থাপন কৰিছিল। যোৱা ১৩ আগষ্টত উক্ত বিধেয়কখনে বিধানসভাৰ অনুমোদন লাভ কৰিছে। ৰাজ্যপালৰ অনুমোদন লাভ কৰিলে বিধেয়কখন অৰ্থাৎ 'দ্য আছাম কেটল প্ৰিজাৰভেছন এক্ট ২০২১' নামেৰে নতুন আইনত পৰিণত হ'ব।

নতুন আইনখনৰ মতে গৰুৰ মাংস নোখোৱা সম্প্ৰদায়ৰ লোকে বসবাস কৰা অঞ্চলত মন্দিৰ অথবা সত্ৰক কেন্দ্ৰ কৰি তাৰ চাৰিওফালৰ পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধৰে আৱৰা অঞ্চলত গো-মাংসৰ বিক্ৰী আৰু ক্ৰয় নিষিদ্ধ কৰা হৈছে। লগতে উপযুক্ত অনুমতি-পত্ৰ অবিহনে অসমৰ পৰা, অসমলৈ আৰু অসমৰ মাজেৰে গৰু-ম'হৰ আন্তঃৰাজ্যিক পৰিবহণ তথা সৰবৰাহো নিষিদ্ধ কৰা হৈছে।


যিকোনো চৰকাৰী সিদ্ধান্তক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়া আৰু সমালোচনা হোৱাটো স্বাভাৱিক কথা। এই বিধেয়কখনক কেন্দ্ৰ কৰিও অনেক প্ৰতিক্ৰিয়া প্ৰকাশ হৈছিল।

**নতুন আইনখনে চোৰাং ব্যৱসায়ৰ অৱসান ঘটোৱাত নিশ্চয়কৈ সহায়ক হ'ব। গৰুৰ সৰবৰাহ নিয়ন্ত্ৰণ কৰাৰ লগতে গৰুৰ বজাৰসমূহৰ পঞ্জীয়ন আৰু নিয়ন্ত্ৰণো কৰা হ'ব। আইনখনৰ আওতাত ম'হ ৰখা হোৱা নাই**

বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই প্ৰস্তাৱিত আইনখন প্ৰণয়ন হ'লে পশুধন খণ্ডত কু-প্ৰভাৱ পৰিব আৰু দুখীয়াৰো দুখীয়া লোকে জীৱিকা হেৰুৱাব বুলি মতপ্ৰকাশ কৰিছিল। লগতে বিধেয়কখন প্ৰণয়ন কৰাৰ আগতে পশুধন পালকৰ লগত চৰকাৰে আলোচনা কৰা নাছিল বুলি কৈ তেওঁ বিধেয়কখন বিধানসভাৰ ছিলেক্ট কমিটীলৈ প্ৰেৰণ কৰাৰ বাবে প্ৰস্তাৱ দিছিল। কংগ্ৰেছী বিধায়ক ৰকিবুল হুছেইনে গৰুৰ চোৰাং ব্যৱসায় ৰোধৰ বাবে আইনখন সহায়ক হ'ব বুলি মন্তব্য কৰাৰ লগতে আইনখন উত্থাপিত আকাৰত গ্ৰহণযোগ্য নহয় বুলি কৈছিল। ধিং সমষ্টিৰ এ আই ইউ ডি এফ বিধায়ক আমিনুল ইছলামৰ মতে অসমত ১.০৯ কোটিৰো অধিক গৰু আছে আৰু ইয়াৰ বাৰ্ষিক বৃদ্ধি ১২ শতাংশ। গতিকে গৰুৰ সংৰক্ষণৰ বাবে আইন প্ৰণয়নৰ কোনো প্ৰয়োজন নাই। তেওঁৰ মতে আইনখন প্ৰণয়ন কৰিলে পশুধন পালকসকলে বছৰি ২০ হেজাৰ কোটি টকাৰ লোকচান ভৰিব লাগিব। দলটোৰ আন এগৰাকী বিধায়ক ৰফিকুল ইছলামৰ মতে আইনখনে ৰাজ্যখনৰ গাখীৰ উৎপাদনৰ ক্ষেত্ৰত কুপ্ৰভাৱ পেলাব। সৰভোগ সমষ্টিৰ বিধায়ক চি পি আই (এম) দলৰ মনোৰঞ্জন তালুকদাৰৰ মতে বিষয়টো হেজাৰ হেজাৰ গৰু-ম'হ পালকৰ জীৱিকাৰ লগত সাঙোৰ খাই আছে। দুখীয়া খেতিয়কে কামত নলগা গৰু বেচিব নোৱাৰিলে কেনেদৰে সেই বোজা কঢ়িয়াব বুলি প্ৰশ্ন কৰি তেওঁ কৈছে যে মন্দিৰৰ পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধৰে আৱৰা ঠাইত গো-হত্যা কৰিব নোৱাৰিলে অসমত স্লটাৰ হাউছ নিৰ্মাণ কৰা ঠাইয়েই নোলাব।

বিৰোধী দলসমূহে বিধেয়কখনৰ সংশোধন বিচাৰি ৭৬টা প্ৰস্তাৱ দিছিল; কিন্তু সেইবোৰৰ বিশদ বৰ্ণনা বাতৰিত প্ৰকাশ পোৱা নাই। অৱশ্যে বিধেয়কখনৰ পৰা 'ম'হ' শব্দটো গুচাই দি প্ৰথমতে উত্থাপন কৰা বিধেয়কখনৰ ওপৰত এক গুৰুত্বপূৰ্ণ সংশোধন ঘটোৱা হৈছে। নতুন আইনখনে ম'হক সামৰি নোলোৱা কথাটো ভাল হ'ল নে বেয়া হ'ল, সেই বিষয়ে কোনো প্ৰতিক্ৰিয়া বা সমালোচনা হোৱা নাই। বিধেয়কখন গৃহীত হোৱাৰ সময়ত বিৰোধী দলৰ কোনো সদস্য বিধানসভাত উপস্থিত নাছিল কাৰণে তেওঁলোকে আগবঢ়োৱা সংশোধনী প্ৰস্তাৱসমূহ পোহৰলৈ নাহিল।

বিধেয়কখন গৃহীত হোৱাৰ বাতৰি পৰিৱেশন কৰোতে একাংশ সংবাদ মাধ্যমে ব্যৱহাৰ কৰা শিৰোনামে নতুন আইনখনৰ বিষয়ে মানুহৰ মনত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। এখন দৈনিক বাতৰি কাকতে ব্যৱহাৰ কৰা শিৰোনামটো হৈছে, 'ৰাজ্যত নিষিদ্ধ গো-মাংস বিক্ৰী-সৰবৰাহ'। এনে শিৰোনামে



**সোঁতৰ বিপৰীতে চিন্তা**
**প্ৰবীণ চৌধুৰী**

মানুহৰ মনত এনে ধাৰণাৰ সৃষ্টি কৰিছে যেন গোটেই ৰাজ্যতে গো-মাংস বিক্ৰী আৰু সৰবৰাহ নিষিদ্ধ কৰা হৈছে, যেন অসমত বসবাস কৰা গো-মাংসভোজী লোকে অসমত আৰু কোনোদিনেই গো-মাংস খাব নোৱাৰিব। ২১ ছেপ্টেম্বৰৰ 'দৈনিক অগ্ৰদূত'ত প্ৰকাশ পোৱা সঞ্জীৱ সভাপণ্ডিত



ৰচিত 'কাৰচাজি (১০)' শীৰ্ষক প্ৰবন্ধটো পঢ়িলেও তেনে ধৰণৰ ভাবৰেই সৃষ্টি হয়। তেওঁ লিখিছে, অসমৰ জনসংখ্যাৰ প্ৰায় ৫০ শতাংশ মানুহে গৰুৰ মাংস খায়। প্ৰায় ৪০ শতাংশ মুছলমান, পাঁচ-ছয় শতাংশ খ্ৰীষ্টান আৰু তিনি-চাৰি শতাংশ হিন্দুৱে গৰুৰ মাংস খায়। গতিকে তেওঁৰ মতে গৰু বিক্ৰী কৰিব নোৱৰা কৰি দিয়া কথাটোৱে বহুত মানুহৰ খাদ্যৰ অভ্যাসত পোনপটীয়াকৈ আঘাত কৰিছে। আচলতে কথাটো তেনে ধৰণৰ নহয়। গোটেই ৰাজ্যখনত গো-মাংস বিক্ৰী নিষিদ্ধ কৰি দিয়া হোৱা নাই। নতুন আইনখনৰ মতে গো-মাংস নোখোৱা সম্প্ৰদায়ৰ লোকে বসবাস কৰা অঞ্চলত আৰু মন্দিৰ অথবা সত্ৰক কেন্দ্ৰ কৰি তাৰ চাৰিওফালৰ পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধৰে আৱৰা অঞ্চলতহে গো-মাংসৰ বিক্ৰী আৰু ক্ৰয় নিষিদ্ধ কৰা হৈছে। এইখিনিক বাদ দি বাকী সমগ্ৰ অসমতে গো-মাংসৰ বিক্ৰী আৰু ক্ৰয় আগৰ দৰেই থাকিব। মোৰ মতে এই সিদ্ধান্ত দুটা উচিত সিদ্ধান্ত হৈছে। পাঁচ কিলোমিটাৰৰ ব্যাসাৰ্ধটো যদি বেছি হৈছে, সেই কথা অৱশ্যে মই ক'ব নোৱাৰো। এই সিদ্ধান্তই মুছলমান আৰু খ্ৰীষ্টান অধ্যুষিত অঞ্চলত গো-মাংস কিনা-বেচা বা খোৱাৰ ক্ষেত্ৰত কোনো প্ৰতিবন্ধক লগোৱা নাই।

সভাপণ্ডিতে অসমৰ ৪০ শতাংশ মুছলমানে গো-মাংস খায় বুলি কৈছে; কিন্তু মই জনাত পুৰণি অসমীয়া মুছলমানে, বিশেষকৈ আঢ্যৱন্ত আৰু অভিজাত মুছলমানে আমি ছাগলী-কুকুৰা আদিৰ মাংস খোৱাৰ দৰে নিয়মিতভাৱে গো-মাংস নাখায়, কেৱল উৎসৱ-পাৰ্বণ আৰু বিশেষ অনুষ্ঠানতহে খায়। অসমৰ ন-মুছলমানসকলে নিয়মিতভাৱে গো-মাংস খায় নে নাখায়, সেই বিষয়ে মই অৱগত নহয়।

সভাপণ্ডিতে চাৰি-পাঁচ শতাংশ হিন্দুৱে গো-মাংস খায় বুলি কোৱা কথাষাৰত মই পতিয়ন যাব পৰা নাই। এই চাৰি-পাঁচ শতাংশ হিন্দুৱে ক'ত গো-মাংস কিনে সেই কথাও মোৰ ধাৰণাৰ বাহিৰত। অসমৰ ৰেস্তোৰাঁসমূহৰ খাদ্য তালিকাত মই ক'তো গো-মাংসৰে প্ৰস্তুত কৰা খাদ্যৰ নাম দেখা নাই। আনহাতে, তেনে তালিকাত গাহৰিৰ মাংসৰ খাদ্যৰ নাম দেখিছো। অথচ গাহৰিও অসমীয়া সংখ্যাগৰিষ্ঠ হিন্দু মানুহৰ খাদ্য নহয়। তথাকথিত উচ্চ বৰ্ণৰ হিন্দু মানুহে গাহৰিৰ মাংস নাখায়। আমি সৰুতে কেৱল 'কছাৰী' মানুহে গাহৰিৰ মাংস খায় বুলি জানিছিলো। অসমীয়া মানুহৰ মাজত গাহৰি মাংসৰ ব্যাপক প্ৰচলন হোৱা বেছিদিন হোৱা নাই। সৌ সিদিনালৈকে এতিয়া য'তে ত'তে দৃষ্টিগোচৰ হোৱাৰ দৰে মুকলিকৈ গাহৰিৰ মাংস বিক্ৰী কৰা দেখা নগৈছিল। মই মাজে-সময়ে গাহৰিৰ মাংস খাওঁ যদিও তেনেদৰে মুকলিকৈ গাহৰি বেচা দোকান দেখিলে মোৰ ভাল নালাগে। আমাৰ মন্দিৰ বা নামঘৰৰ ওচৰত কেৱল যে গো-মাংস বিক্ৰী কৰা বিপণী দেখিলেই বেয়া লাগিব তেনে নহয়; গাহৰিৰ মাংস বিক্ৰী কৰা বিপণী দেখিলেও সমানেই বেয়া লাগিব। একেদৰে মছজিদ এটাৰ ওচৰত অথবা অধিক মুছলমান লোকৰ বসতি অঞ্চলত গাহৰিৰ মাংসৰ বিপণী দেখিলে মুছলমান লোকৰ ভাল নালাগিব। মোৰ মতে, যেনেদৰে হিন্দু, বৌদ্ধ, জৈন, শিখ আদি ধৰ্মাৱলম্বী লোকৰ বসতি অঞ্চলত গো-মাংস কিনা-বেচা আৰু খোৱাটো চৰকাৰে বিচৰা নাই, তেনেদৰে মুছলমান লোকৰ বসতি অঞ্চলতো গাহৰিৰ মাংসৰ কিনা-বেচা বা খোৱাটো হ'ব নালাগে। আইনী ব্যৱস্থাতকৈ সংস্কাৰ-সংস্কৃতিৰ প্ৰতি স্বতঃস্ফূৰ্ত পাৰস্পৰিক সন্মান প্ৰদৰ্শনেৰে এনেবোৰ বিষয় সকলোৰে বাবে গ্ৰহণযোগ্য কৰিব পৰাটোতহে বাহাদুৰি আছে।

সভাপণ্ডিতে কৈছে যে ব্যৱসায়িক উদ্দেশ্যত গৰু ইফালৰ পৰা সিফাললৈ নিব নোৱৰা হৈছে; কিন্তু চৰকাৰৰ অনুমতি সাপেক্ষে গৰু ইফালৰ পৰা সিফাললৈ নিয়াৰ ব্যৱস্থা আছে। তদুপৰি নিৰ্দিষ্ট জিলাসমূহৰ ভিতৰত পশুপালন বা কৃষি কৰ্মৰ বাবে গৰু সৰবৰাহত কোনো ধৰণৰ অনুমতিৰ প্ৰয়োজন নাই। একেখন জিলাৰ ভিতৰত থকা পঞ্জীভূত পশু বজাৰত গৰুৰ কিনা-বেচাৰ বাবেও অনুমতিৰ প্ৰয়োজন নাই।

এচাম লোকে ক'ব খোজে যে আইনখনে মানুহৰ খাদ্যৰ অধিকাৰত হাত দিছে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে বিধানসভাৰ মজিয়াতে স্পষ্টীকৰণ দিছে যে বিধেয়কখনে খাদ্যৰ অধিকাৰত হস্তক্ষেপ নকৰে।

অসমৰ মাজেৰে বাংলাদেশলৈ অবৈধভাৱে গৰু সৰবৰাহ কৰা আৰু গৰু ভৰ্তি ট্ৰাক আৰক্ষীয়ে জব্দ কৰাৰ বাতৰি সঘনাই প্ৰকাশ হৈ আছে। নতুন আইনখনে এই চোৰাং ব্যৱসায়ৰ অৱসান ঘটোৱাত নিশ্চয়কৈ সহায়ক হ'ব। গৰুৰ সৰবৰাহ নিয়ন্ত্ৰণ কৰাৰ লগতে গৰুৰ বজাৰসমূহৰ পঞ্জীয়ন আৰু নিয়ন্ত্ৰণো কৰা হ'ব। আইনখনৰ আওতাত ম'হ ৰখা হোৱা নাই। গতিকে আইনখনৰ নাম 'আছাম কাও প্ৰিজাৰভেছন এক্ট, ২০২১' দিয়া হ'লে 'এপ্ৰ'প্ৰিয়েট' হ'লহেঁতেন। যি হওক, মোৰ দৃষ্টিত গৰুৰ সুৰক্ষাৰ বাবে প্ৰণয়ন কৰা নতুন আইনখনত আপত্তি অথবা অসন্তোষ কৰিবলগীয়া বিশেষ নাই।

*ফোন : ৮১৩৫৮৪৮৬২৩*

# আকৌ আহিল পূজাৰ মাদকতা

## শংকা-বেদনাৰ মাজতো জীৱনটো উপভোগ্য আকৰ্ষণীয় কৰি তুলিবলৈ আনন্দ-উছাহৰ খুবেই প্ৰয়োজন, নহ'লে যে জীয়াই থকাৰ মাদকতাই হেৰাই যাব

**শাৰদী** ৰাণী তোমাৰ হেনো নাম— শাৰদী ৰাণীক আদৰিবলৈ ৰাজ্যজুৰি চলিছে বিশাল আয়োজন, প্ৰাণচঞ্চল হৈ পৰিছে ধৰণী। বহু আকাংক্ষিত প্ৰিয় ঋতু শৰৎ বন্দনাৰ যেন অন্ত নাই। দেহ-মন পুলকিত কৰি তোলা শৰতৰ আগমনত পূৰ্ণতা পাই উঠে সৃষ্টিৰ অজস্ৰ অনবদ্য সমল। প্ৰকৃতিৰ বৰদান মানি বহু চিৰসেউজ গীত, কবিতাৰ সমাহাৰত মুখৰিত হৈ উঠে উমাল সন্ধিয়াবোৰ। অতীজৰে পৰাই সৃষ্টিশীল লোকসকলৰ সৃষ্টিৰ আঁৰত শৰতৰ মায়াসনা যাদুকৰী শক্তিয়ে প্ৰাধান্য পাই আহিছে। ঋতু অনুসৰি হোৱা বতৰৰ পৰিৱৰ্তনৰ প্ৰভাৱত মনুষ্যৰ মন-মগজুত বিভিন্ন ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। সেই প্ৰতিক্ৰিয়াৰ অন্তৰালত শৰৎ ঋতুত সৃষ্টিৰ জোৱাৰ উঠে। এই সৃষ্টিৰ জোৱাৰত হৃদয়ৰ দুৱাৰ খোল খাই শব্দকোষৰ নৱ নৱ গাঁথনিৰে কলমৰ চিয়াহীৰে শব্দৰ অজস্ৰ মালা গাঁথো। ভিন্ন স্বাদৰ এনে ধৰণৰ শত সহস্ৰাধিক শব্দ মালাৰ সুগন্ধি বিয়পি পৰে পাঠক সমাজৰ ৰুচিসন্মত মনৰ অকুণ্ঠ তৃপ্তিত। এক অনন্য মাদকতাত মন উন্মনা হৈ উঠে শৰতৰ পৰশত, বিনন্দীয়া প্ৰকৃতিও ফলে-ফুলে জাতিস্কাৰ হৈ উঠে। কোনোৰেই ব্যতিক্ৰম নহয় প্ৰকৃতি পৰিৱৰ্তনৰ এই ৰোমাঞ্চকৰ মায়াসনা ৰস পান কৰা মিঠা আমেজৰ পৰা। নজনাকৈয়ে শৰতৰ প্ৰেমত মতলীয়া হৈ পৰা মনৰ সাঁচতীয়া কৰণিৰ পৰা উফৰি পৰা শব্দৰ নতুনত্বই উকা কাগজত পৃষ্ঠা ভৰা বুকু ভৰাই তোলে। শৰতৰ ৰোমাঞ্চিত শিহৰণত আকুল হৈ পৰা কল্পনাবিলাসী মনবোৰত সৃষ্টিৰ জোৱাৰ উঠে, চিনাকি শব্দৰ এই জোৱাৰৰ মাজত কতজন তৃষ্ণাতুৰ পাঠকে বিচাৰি পায় তেওঁলোকৰ মনৰ সমল। বহু প্ৰতীক্ষাৰ অন্তত উৎকট গৰমে দহি পেলোৱা সময়ক শান্ত সমাহিত শৰততেই নতুনত্ব প্ৰদান কৰি অধিক আকৰ্ষণীয় কৰি তোলে জীৱনক অধিক কাষৰ পৰা পোৱাৰ তাড়নাত।

সমাগত শাৰদীয় দুৰ্গোৎসৱ। ৰাজ্যত এতিয়া উৎসৱক আদৰাৰ প্ৰস্তুতি তুংগত, দুৰ্গোৎসৱৰ কিছুদিনৰ পাছতে পোহৰৰ উৎসৱ দীপাৱলীৰো আয়োজন কৰা হ'ব। আনন্দমুখৰ সীমাহীন ব্যস্ততাৰ



**অৱলোকন**
**চাইৰা ইছলাম বড়া**

মাজত ক্ষণ গণিছে ভক্তগণে; কিন্তু উৎসৱৰ আনন্দত মতলীয়া হোৱাৰ বাবে পৰিৱেশ কিমান নিৰাপদ সেয়াও এক উত্তৰবিহীন প্ৰশ্ন হৈ পৰিছে। দীৰ্ঘদিন অধিক সজাগতাৰ মাজত কৰ'না প্ৰট'কল মানি চলি হঠাতে উৎসৱৰ আনন্দত বিলীন হৈ পুনৰ ভয়াবহ বিপদক আদৰি ল'বলগীয়া হ'লে সকলো অথলে যাব। বহুতো লোকে আগ-পিছ নাভাবি নিজৰ লগতে আনৰো বিপদৰ কাৰক হৈ পৰে। অৱশ্যে কৰ'নাৰ সংক্ৰমণ পূৰ্বতকৈ কিছু হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত কৰ'না বিধিৰ বাধ্য-বাধকতা কিছু পৰিমাণে শিথিল হোৱাৰ সুযোগ গ্ৰহণ কৰি দুৰ্গোৎসৱৰ দিনকেইটা আনন্দ-উৎসৱৰ মাজত উদ্‌যাপন কৰিবলৈ জনসাধাৰণৰ মাজত উৎসাহ-উদ্দীপনা দেখা পোৱা গৈছে; কিন্তু দৈনিক এতিয়াও ঠায়ে ঠায়ে সংক্ৰমণ বৃদ্ধি পোৱাৰ খবৰে আতংকিত কৰি তোলে। পূজাৰ বেছি সমাগমত কৰ'না সংক্ৰমণে যাতে পুনৰ গা কৰি উঠিব নোৱাৰে, তাৰ বাবে প্ৰতিজন লোকৰ সজাগ-সচেতনতাৰ অতীব প্ৰয়োজন। অন্যথা উৎসৱৰ নামত আনন্দত উটি-ভাঁহি গ'লে নিজৰেই বিপদৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। স্বাস্থ্যয়েই মূলধন, শৰীৰ সুস্থ-সবল হৈ থাকিলে প্ৰতি বছৰে উৎসৱ উদ্‌যাপন কৰিবলৈ সময় আহিব। সেয়ে অন্ততঃ এইবাৰো সকলোৰে কৰ'না বিধি মানি সম্পূৰ্ণ আধ্যাত্মিকতাৰ মাজত অনুষ্ঠুপীয়াকৈ পূজাভাগ অনুষ্ঠিত কৰা উচিত।

যিয়েই নহওক, স্তব্ধ জীৱনে মুকলি পৰিৱেশৰ মাজত উশাহ সলাবলৈ লওঁতেই উৎকট গ্ৰীষ্ম প্ৰবাহৰ মাজতে শৰৎ আহি হৃদয়ৰ গোপন কোণত টুকুৰিয়ালেহি। একে সময়তে পূজাৰ আগমনৰ বাতৰিয়ে বেজাৰৰ সমস্ত বোজা যেন খহাই পেলালে। শত



সহস্ৰ লোকৰ জীৱন কাঢ়ি নিয়া কৰ'নাৰ কাল ধুমুহা জাকে মানৱ জীৱনৰ সুদৃঢ় ভেটি দুৰ্বল কৰি তচ্‌নচ্ কৰি পেলোৱাৰ সময়তে পুনৰ যাদুকৰী শৰতৰ আগমনত কিছু শান্ত হৈ পৰিল। নহ'বনো কিয়, এয়া যে শৰৎ কালৰ বিশেষত্বৰ চিৰন্তন মহিমা মন-প্ৰাণ সজীৱ কৰি তোলাৰ। আহিনমহীয়া কুঁৱলীৰ আচ্ছাদন ফালি পূবালী সূৰুযৰ হেঙুলী ৰেঙণিয়ে ধৰণী উজ্জ্বলাই তোলাৰ দৰে শংকিত মনবোৰো ক্ৰমান্বয়ে ফৰকাল হ'বলৈ ধৰিছে। নিয়ৰসনা ভিজা দুবৰিৰ সেমেকা সন্ধিয়াবোৰো উমাল হৈ হেৰুৱা উদ্দাম উভতি আহিছে। কৰ্মময় জীৱনৰ ব্যস্ততাৰ মাজত অভ্যস্ত হৈ পৰা একঘেয়ামীয়ে সময়ক যন্ত্ৰৱৎ কৰি তোলে। ব্যস্ততাৰ মাজে মাজে মনৰ খোৰাক যোগাবলৈ আনন্দ-উলাহত অতিবাহিত কৰা মুহূৰ্তবোৰে ন-উৎসাহ, ন-উদ্যম আনি দিয়ে। বিগত বছৰত কৰ'নাৰ বাবে ম্লান পৰিছিল দুৰ্গা পূজাৰ আনন্দ-উলাহ। এই বছৰ পৰিৱেশ কিছু উন্নত হোৱাৰ পূৰ্বাভাস পাই মৃতশিল্পীসকলৰ মুখতো সন্তুষ্টিৰ হাঁহি বিৰিঙিছে, সময়ৰ সদ্ব্যৱহাৰ কৰি তেওঁলোকো ভীষণ ব্যস্ত হৈ পৰিছে দেৱী প্ৰতিমাত শেষ পৰশ দিবলৈ। দুৰ্গোৎসৱৰ স'তে জড়িত হৈ আছে বহু শিল্পীৰ উপাৰ্জনৰ কষ্টোপাৰ্জিত ক্ষেত্ৰখন। যোৱা বছৰৰ কৰ'নাসৃষ্ট পৰিৱেশত এইসকল শিল্পীৰ শোচনীয় অৱস্থা হৈছিল। সেয়ে এই বছৰ পৰিস্থিতিৰ অনুকূলে সকলো ধৰণৰ ব্যৱসায়ীয়ে যথেষ্ট সকাহ পাইছে। পূজাস্থলীসমূহত মেলাসদৃশ পৰিৱেশ গঢ়ি উঠিলে বিক্ৰেতাসকলৰ মাজতো উপাৰ্জনৰ পথ সুচল হৈ পৰে। যিয়েই নহওক, সকলোৰে মনত এইবাৰ দুৰ্গোৎসৱৰ সময়ত কিছু হ'লেও আশাৰ সঞ্চাৰ হৈছে ইতিবাচক সঁহাৰি লাভ কৰি, যিহেতু হেজাৰ সমস্যাৰ মাজতো অৰ্থনৈতিকভাৱে জীৱন সংগ্ৰাম চলাই নিয়াটোও বাধ্যতামূলক।

ভাল লগা ঋতুৰ মাধুৰিমা অন্তঃকৰণেৰে উপভোগ কৰিবলৈ আজিও কোনোবাখিনিত আমাৰ দুভৰি থমকি ৰয়। জীৱনত প্ৰথমবাৰৰ বাবে কোবাই যোৱা কৰ'নাৰ বিষাক্ত বতাহ জাকে সন্দেহাতীত কৰি পেলোৱা মনবোৰ পূৰ্বৰ দৰে মুক্ত হ'বলৈ আৰু কিমান সময় লাগিব, এয়াও এক দুৰ্বোধ্য সাঁথৰ। শংকা-বেদনাৰ মাজতো জীৱনটো উপভোগ্য আকৰ্ষণীয় কৰি তুলিবলৈ আনন্দ-উছাহৰ খুবেই প্ৰয়োজন, নহ'লে যে জীয়াই থকাৰ মাদকতাই হেৰাই যাব। তথাপি পৰিৱেশ পৰিস্থিতিৰ ওপৰত আমি সকলো নিৰ্ভৰশীল। সময়ৰ উৰ্ধ্বত কোনোৰেই নহয়। পৰিস্থিতিৰ জটিলতা বুজি অধিক সংযত আৰু সতৰ্ক হোৱাটোও আমাৰেই নৈতিক দায়িত্ব। জীৱনৰ স্পৰ্শকাতৰ সময়ত খন্তেকীয়া সুখত মগ্ন হৈ নিয়ম বহিৰ্ভূত কোনো কামেই কৰা উচিত নহয়। আমি আশা কৰিম গৃহবন্দিত্ব জীৱনৰ বেদনাৰ অশ্ৰুকণা এই শাৰদীয় ঋতুৰ পৰশত যেন আনন্দৰ সুখৰ গাঁথালৈ পৰ্যবসিত হৈ সুখেৰে দিনবোৰ উপচি পৰাৰ লগতে কৰ'না নামৰ অদৃশ্য কাল শত্ৰু পৃথিৱীৰ পৰা সমুলঞ্চে বিনাশ হয়। কৰ'নাত প্ৰদূষিত হোৱা পৰিৱেশত অকালতে মৰহিব ধৰা জীৱনবোৰ শাৰদীয় বতৰত শেৱালিৰ সুশোভিত সুৱাসেৰে পুনৰ জীপাল হৈ উঠাৰ কামনাৰে শাৰদ সম্ভাষণ যাচিলো।

*ফোন : ৯১০১৫১৭৮৪৭*

# চৰকাৰৰ চৰ উন্নয়ন বিভাগ

**অভিমত**

**অসম** চৰকাৰৰ অন্তৰ্গত এটা চৰকাৰী বিভাগ হৈছে অসম চৰ-চাপৰি উন্নয়ন বিভাগ। অসম চৰকাৰৰ অন্তৰ্গত অসমৰ ব্ৰহ্মপুত্ৰৰ চৰ-চাপৰি অঞ্চল সামৰি তথা অসমৰ চৰ-চাপৰি অঞ্চলৰ আৰ্থসামাজিক দিশ বিকাশৰ লক্ষ্যৰে অসম চৰকাৰৰ পৰিকল্পনা বিভাগৰ অধীনত এই বিভাগৰ নিৰ্মাণৰ আধাৰ আৰু বৰ্তমান পৰিচালিত হয়।

বৰ্তমান অসমৰ চৰ-চাপৰি অঞ্চলৰ অৰ্থনৈতিক ভেটি উন্নত হৈছেনে অসম চৰ উন্নয়ন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ উন্নত হৈছে আমাৰ চৰকাৰে চকু দিয়াটো নিতান্তই প্ৰয়োজন। বিভিন্ন চৰকাৰী আঁচনি সম্বলিত অসমৰ চৰকাৰী ধন আৰু চৰকাৰী ঋণ অসমৰ চৰ-চাপৰি অঞ্চলত বসবাস কৰা হিতাধিকাৰীসকলে এই চৰকাৰী বিভাগটোৰ পৰা আদায় কৰিব পাৰিছে নে নাই? সেইটো এবাৰ পৰ্যবেক্ষণ কৰিব লাগে। নাবাৰ্ডৰ লগতে ৱৰ্ল্ড বেংকৰ বিভিন্ন আঁচনিৰ অধীনত অসমৰ চৰ-চাপৰিৰ কৃষি খণ্ডত আজি বহুদশক ধৰি কাৰ্য চলি আছে। বৰ্তমান সেইবোৰৰ স্থিতি কেনে অৱস্থাত সেইবোৰ তথ্য বৰ্তমান পৰ্যবেক্ষণ কৰিব লাগে। ইমানবোৰ সুবিধা পোৱা সত্ত্বেও অসমৰ চৰ-চাপৰি অঞ্চলত বসবাস কৰা লোক শ্ৰমিক কামৰ তাগিদাত কিয় চহৰমুখী হয়। তদুপৰি অসমৰ বৃহত্তৰ চৰ-চাপৰি অঞ্চলত মাতব্বৰীৰাজ চলি আছে বুলি অসম চৰকাৰে যদি সেই অঞ্চলবোৰ চৰকাৰী পুলিচ প্ৰশাসনৰ আওতালৈ আনিব নোৱাৰে আৰু অসম চৰকাৰে সেই বৃহত্তৰ অঞ্চলবোৰ অৱহেলা কৰে তেন্তে অসম চৰকাৰৰ অধীনত অসমৰ চৰ উন্নয়ন চৰকাৰী বিভাগ থকাৰ অৰ্থই বা ক'ত? মহিলাৰ দ্বাৰা উৎপাদিত পিঠাগুড়িৰ পাপৰ, কেঠা-কম্বল, মৰাপাটৰ ৰচীৰ দ্বাৰা বিভিন্ন উৎপাদিত সামগ্ৰী আদিৰে সমৃদ্ধ এখন ডাঙৰ বজাৰৰ সম্ভাৱনীয়তাক অসম চৰকাৰৰ চৰ-চাপৰি উন্নয়ন বিভাগে উৎকৃষ্ট প্ৰদৰ্শনীৰ জৰিয়তে সমাজক পৰিচয় কৰাই দিছে নে নাই সেইটো পৰ্যবেক্ষণ কৰা দৰকাৰ।

**নবাব মঃ জুলফিক**

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৭ অক্টোবৰ বৃহস্পতিবাৰ, ২০২১ পৃষ্ঠা ৫



## চকমাটিৰ, বাকচ আৰু গুৰু-চৰিতৰ কথা

# চকমাটিৰ বাকচটো লৈ অহা নহ'ল

**ড° খনীন চৌধুৰী**

**আমি** সাধাৰণতে 'টিউছন' বুলি যাক কওঁ, তেনে টিউছন নকৰিছিলো। মাথোন এবাৰ এটা অভ্যাস গঢ় লৈছিল- আমাৰ পুত্ৰ যেতিয়া কলেজত পঢ়ি থাকে, তেতিয়া তাৰ লগৰখিনিৰো দায়িত্ব লোৱাৰ এক অছিলাত। সেই সময়ত এখন ব'ৰ্ড কিনি লৈছিলো। লগতে ব'ৰ্ড মচিবলৈ ডাষ্টাৰ আৰু চকমাটিৰ বাকচ এটাও। ডাষ্টাৰৰ ঠাইত কাপোৰো ব্যৱহাৰ কৰিছিলো। কোনো ছাত্ৰ বৰ আশাৰে আহিছিল মোৰ ওচৰত পঢ়িবলৈ বহুত কিবা জনা হ'ব বুলি। তেনে এজন ছাত্ৰই মোক বহুত 'ফীজ' দিছিল সাধাৰণতে লোৱাতকৈ। মই বুজি পাইছিলো যে তেওঁ কোনোপধ্যেই নোৱাৰিব, মানে মই নোৱাৰিম। সেয়ে তেওঁৰ পইচা মই ফিৰাই দিছিলো। পাছৰ জীৱনত প্ৰতিষ্ঠিত ব্যৱসায়ীৰূপে সাব্যস্ত কৰা তেনেজন ছাত্ৰৰ দোকান আজিও আছে চান্দমাৰিৰ অ'ভাৰব্ৰীজৰ তলত সেই বিশেষ গেলামালৰ দোকানখন। আজিও মাজে মাজে আমি বস্তু কিনিবলৈ যাওঁ তাৰ দোকানলৈ।

আমাৰ টিউছনৰ আড্ডাত সাধাৰণতে পঢ়াৰ লগতে আন আলোচনা-বিলোচনাৰ পৰিৱেশো গঢ় লৈছিল- সাহিত্য, কবিতা-আবৃত্তি আদিৰ। আমাৰ ঘৰটোৰ সমুখত এচলীয়া চালিৰ এটা কোঠা আছিল। তাতেই টিউছনৰ কাৰবাৰটো হৈছিল। ব'ৰ্ডত লিখি পঢ়ুৱাবলৈ আমাৰ সহজ হৈছিল— ঠিক শ্ৰেণীত পঢ়ুওৱাৰ দৰে হৈছিল। কোঠাটো চকৰ গুৰিৰে ভৰি পৰিছিল। মুখে-হাতে চকমাটি লাগি আছিল। ছাত্ৰ-ছাত্ৰীক ব'ৰ্ডলৈ মাতি আনি কৰিবলৈ দিছিলো। নতুন নতুন শিক্ষণ-পদ্ধতিৰ অনুশীলনী কৰিছিলো। চকমাটি শেষ হ'লে কিনি আনিব নালাগিছিল, কোনো এজন ছাত্ৰই কিনি লগত লৈ আহিছিল।

ইফালে, আমি বিভাগত স্নাতকোত্তৰ শ্ৰেণীত বীজগণিত, এনালাইছিছ, ৰিং-থিয়ৰী, এক্সিয়মেটিক জ্যামিতি, ল'জিক, ট'প'লজি আদি পঢ়ুৱাইছিলো। সাধাৰণতে এবাৰত একোটাকৈ শ্ৰেণী আছিল যদিও, ৰুটিন মিলাবৰ বাবে কেতিয়াবা একেলগে দুটাকৈও শ্ৰেণী ল'ব লগা হৈছিল।

এদিন শেষৰ পিৰিয়ডৰ শ্ৰেণী লৈ আছো। কিবা কাৰণত টেবুলৰ ওপৰত থকা চকৰ বাকচ কে'বাটাও হঠাতে চকুত পৰিল আমাৰ (যেনিবা সেইদিনাখনহে!)। 'মোৰ বেয়া মনটো' জাগৰিত হৈ উঠিল। মোৰ কিয় জানো চকৰ বাকচৰ এটা তাৰ পৰা লৈ আহিবৰ মন গ'ল। মই জানো, চৰক বাগচ এটাৰ দাম বৰ বেছি ১০।১২ টকা। তথাপি মন গ'ল মোৰ, এটা চকৰ বাকচ 'বিনা-পইচা'ত পাবলৈ বুলি 'মোৰ সেইখিনি লাভ হ'ব।'

মোৰ টিউছন কৰি পোৱা পইচাৰ লগত যোগ হ'ব পৰোক্ষভাৱে। মনটো ভাল লাগি গ'ল। মনেৰে সাজু হৈ ল'লো। শ্ৰেণী শেষ হোৱাৰ পাছত ছাত্ৰসকল গ'লে মই লৈ আহিম মোৰ বেগত ভৰাই। আৰু লগে লগে মোৰ লগত ৰৈ থকা বিৰোধেও মূৰ দাঙি উঠিছিল। যোগৰ স'তে বিয়োগ থকাৰ দৰে অথবা বিয়োগৰে যোগ ৰৈ থকাৰ দৰে।

'কিয়নো নিবি তই?'

'মোৰ অলপ হ'লেও লাভ হ'ব যে!'

'মোৰ মনে কৈছে নিবলৈ, মই নিমেই।'

'এটা বাকচহে!'

'মনটোক শান্ত কৰিব লাগিব মই।'

ইফালে, মই শ্ৰেণীত শিকাই গৈ আছো— গণিত, ল'জিক, জ্যামিতি। উপৰুৱাকৈ ইয়াত সামাজিক নিয়ম-আচৰণ, আটাইখিনি গৌণ বিবেচিত হৈ ৰৈছে। হঠাতে গা ধুলে বা অকলে থাকিলে, সৰুতে শিকা বা আওৰোৱা কবিতাৰ স্তৱক একোটা মনলৈ আহি ৰয় মনটোক দোলা দি যায়। ক'ব নোৱৰাকৈয়ে। আৰু তেনেদৰেই হঠাতেই আহি পৰিছিল মোৰ অজানিতেই এই ক'ব খোজা- মোৰ মনৰ ভিতৰত চাপ পেলাই ৰৈ থকা অকণি সাধুটো আৰু মোক জোঁকাৰি গৈছিল। মোৰ পাঠদান শেষ কৰি আৰম্ভ কৰিছিলো সেই মুকুতামালা সদৃশ কথন— 'গুৰু চৰিত'ৰ। (এনে বৈপৰীত্যৰ স'তে মোৰ ছাত্ৰসকল অতি পৰিচিত হৈয়ে আছিল)। কৈছিলো— এটা কাহিনী শুনাচোন ঃ গুৰুচৰিতৰ ঃ সত্ৰৰ বহাত উদাসীন ভকতে নিৰামিষেই খাইছিল। এবাৰ এজন ভকতৰ বৰকৈ মাছ খাবৰ মন গ'ল। কীৰ্তনঘৰৰ সন্মুখতেই 'ঠাকুৰ বজাৰ'। এইখন বজাৰেই এটা সময়ত আছিল ঠাইখনৰ প্ৰধান বজাৰ। পাছলৈ ক্ৰমে হৈছিল 'বৰ বজাৰ' আৰু নখান্দা-পথাৰৰ ফালে, 'সৰু বজাৰ'। ভকতজনে সৰুমাছ কিনিলে বজাৰৰ পৰা। মাছখিনি চাফা কৰি ভালমতে বাছি-কুটি ল'লে। অকলে থকা ভকতৰ আলধৰাজনো নাছিল। মাছখিনিৰে ভকতৰ পছন্দৰ মনে বিচৰা 'সুস্বাদু ব্যঞ্জন' ৰান্ধিলে। (চৰিত পুথিত 'ব্যঞ্জন' শব্দটি আছে) মাছ কিনাৰ পৰা ব্যঞ্জন ৰন্ধালৈকে ভকতৰ পিছে মনত শান্তি নাছিল। মাছ কিয়নো খাবৰ মন যাব, তাকে ভাবি। যি হওক, দুপৰীয়া হ'ল। কীৰ্তনঘৰৰ যথা কৰণীয় কৰি পুনৰ গা-পা ধুই সাজু হ'লহি আহাৰ গ্ৰহণ কৰিবলৈ বুলি। আহাৰ স্থান, মজিয়া মচি লৈ বহা আসন পাৰি ল'লে। যথা আসনত বহি আহাৰ গ্ৰহণ কৰিবলৈ উদ্যত হ'ল। চকু মুদি, ঈশ্বৰৰ নাম লৈ সোঁহাতখ) আগুৱাই দিলে— সাজি থোৱা ভাতৰ কাঁহীখনলৈ- কাষত মাছৰ সুস্বাদু ব্যঞ্জনখন! সোঁহাতখন কাঁহীৰ ফালে বাওঁখনখনেৰে সোঁহাত খামোচ মাৰি ধৰি ৰৈছে। সোহাঁতৰ মুঠিবন্ধ কৰি ৰখা আছে!

ভাতলৈ বুলি ভকতে চাই ৰৈছে, আকুলভাৱে ওচৰত মাছৰ ব্যঞ্জন। আৰু ধীৰে ধীৰে ভকতে নিজকে ক'বলৈ লাগিছে ঃ

হে মন! খা। খা, মন খা!; হে মন খা!, খা মন খা; খা-ৰে মন খা!.. ৰে মন খা!ও; খা-ৰে মন খা!

এনেদৰে ভকতে কে'বাবাৰো উচ্চাৰিলে সেই বাক্যকেইটি খা-ৰে মন খা!.. ৰে মন খা!; খা-ৰে মন খা! আৰু ক্ৰমাৎ ভকতে বিচৰা ধৰণেই ক্ৰমে অনুভৱ কৰি আহি থাকিল তেওঁৰ মনৰ সন্তুষ্টি। আৰু ক্ৰমান্বয়ে ভকতৰ মাছৰ ব্যঞ্জনৰ হেঁপাহটো স্তিমিত হৈ আহি থাকিল। শেষত পূৰাকৈয়ে নাকচৰ ফালে আহি শান্তি পালে।... ভকত জিকিল। উঠি আঁতৰি আহিল মাছৰ ব্যঞ্জনৰ পৰা। সৰুতে শুনিছিলো এই কাহিনী-গুৰুৰ তিথিৰ সোঁৱৰণী সভাত, কে'বাবাৰো, ডেকা সত্ৰীয়া (প্ৰয়াত) ধৰ্মেশ্বৰ মহন্তদেৱৰ মুখৰ পৰা সত্ৰীয়া ভাষাতেই।

সাধুটো ছাত্ৰসকলক কৈ শ্ৰেণীৰ পৰা ওলাই গুচি আহিছিলো। দুৱাৰ মাৰিবলৈ ৰৈ থকা অৰ্জুন— ৰছিদহঁতক কোঠাৰ দুৱাৰ মাৰিবলৈ কৈ চকৰ বাকচটো শ্ৰেণীতেই এৰি বাছত উঠিছিলো। মনটো বৰ ফৰকাল লাগিছিল!!

*ফোন ঃ ৮৭৫৩০৮০৩২৭*

---

# তুলনাৰ পৰা পোৱা অদৃশ্য প্ৰেৰণাই আমাক কৰ্মৰ প্ৰতি আগ্ৰহী কৰি তোলে

**ৰীণা বিশ্বাস**

**বিশিষ্ট** প্ৰৱন্ধকাৰ কালিৰাম মেধিয়ে তেওঁৰ 'গৌৰৱ' নামৰ পাঠত তুলনা আৰু তুলনাৰ পৰা হোৱা গৌৰৱ সম্পৰ্কে খুব সুন্দৰ আৰু সৰ্বজন গৃহীত মন্তব্য আগবঢ়াইছে। তুলনাই যে অতি সামান্যজনকো নিজৰ মন আৰু চকুত বিশিষ্ট হিচাপে প্ৰতিষ্ঠা কৰি আত্মসন্তুষ্টিৰে জীয়াই থাকিবলৈ প্ৰেৰণা দিয়ে সেই কথা অতি শুদ্ধ, সাৱলীল আৰু সাৰ্বজনীনভাৱে প্ৰযোজ্য বুলি মত প্ৰকাশ কৰিছে।

আমাৰ সমাজত একেবাৰে বোকাই-পানীয়ে লেটি লৈ জীৱন নিৰ্বাহ কৰা মানুহৰ পৰা আৰম্ভ কৰি গগনচুম্বী অট্টালিকালৈকে বসবাস কৰা বিভিন্ন শ্ৰেণীৰ মানুহ আছে। পৰিস্থিতি, সামাজিক স্থান আৰু মৰ্যাদা অনুৰূপে সকলোৱে নিজৰ নিজৰ স্থানত আত্মসন্তুষ্টিৰে জীৱন ধাৰণ কৰে। সমাজৰ একেবাৰে তল খাপত জীৱন ধাৰণ কৰা মানুহ এজনেও নাভাবে যে ভগৱানে তেওঁৰ লগত অন্যায় কৰি এনেকুৱা জীৱন দান কৰিছে। ঠিক তেনেকৈ সমাজৰ উচ্চ শ্ৰেণীৰ মানুহেও নাভাবে যে ঈশ্বৰে তেওঁলোকৰ ওপৰত কৃপা কৰি তেওঁলোকক উচ্চ শ্ৰেণীত জন্ম দিছে। বৰঞ্চ প্ৰত্যেকেই প্ৰত্যেকৰ সামাজিক স্থানত আত্মসন্তুষ্টিৰে জীৱন নিৰ্বাহ কৰে।

এতিয়া কথা হ'ল— আমাৰ দৰে সমাজৰ মধ্যবিত্ত শ্ৰেণীৰ মানুহেও যেতিয়া বাছ আস্থান, ৰেল আস্থান আৰু নগৰ-চহৰৰ বাটে-পথে ভিক্ষা কৰি ফুৰা অথবা পদপথ, মন্দিৰৰ ছিৰি, অভাৰ ব্ৰীজৰ তল আদি ঠাইত আশ্ৰয় লোৱা গৃহহীন মানুহবোৰক অতি পুতৌ লগা অৱস্থাত দেখো, ফটা-ছিটা মলিয়ন কাপোৰ পিন্ধি অতি অস্বাস্থ্যকৰ অৱস্থাত পৰি থকা দেখো, তেতিয়া আমাৰ মনত ক্ষন্তেক সময়ৰ বাবে হ'লেও ভাব হয়— 'কেনেকৈ এই মানুহবোৰে ইমান অস্বাস্থ্যকৰ পৰিৱেশত জীয়াই আছে?' আমাৰ মনত সেই মানুহবোৰৰ প্ৰতি পুতৌ জন্মে। আমি অলপ সময়ৰ বাবে হ'লেও ঈশ্বৰক ধন্যবাদ দিওঁ যে আমি এনেকুৱা পৰিৱেশত জন্ম নহ'লো। তেতিয়াই আপোনা-আপুনি আমাৰ মনত তুলনা ওপজে যে অন্ততঃ এইবোৰ পুতৌ লগা মানুহৰ তুলনাত আমি বহুত ভালকৈ আছো। আৰু লগে লগে আমাৰ মনটো সন্তুষ্টিৰে ভৰি পৰে; কিন্তু সেই অস্বাস্থ্যকৰ পৰিৱেশত জীয়াই থকা মানুহবোৰে জানো নিজৰ অৱস্থাৰ প্ৰতি বিৰাগ হৈ জীয়াই থাকিবলৈ এৰি দিয়ে? নিশ্চয় নহয়। বৰঞ্চ তেওঁলোকেও কিজানি আন কাৰোবাৰ লগত নিজৰ অৱস্থাৰ তুলনা কৰি নিজকে শ্ৰেষ্ঠ যেন জ্ঞান কৰি সেই মতেই আত্মসুখত জীয়াই থাকে। জীৱন কালত যিকোনো পৰিস্থিতিত আত্মসন্তুষ্টিৰ অবিহনে জীয়াই থকাটো সম্ভৱ নহয়। আমি আমাৰ ভৱিষ্যতৰ বিষয়ে একো নজনাকৈয়ে এক দীঘলীয়া জীৱন পৰিক্ৰমাত আমাতকৈ হীনজনৰ অৱস্থাৰ লগত তুলনা কৰি এনেকৈয়েই আত্মসন্তুষ্টিৰে জীয়াই থাকো।

ধৰি লওক, আপুনি বাটৰ ফুটপাথেদি নলাত পৰি নোযোৱাকৈ খুপি খুপি খোজ কাঢ়ি গৈ আছো। এনেতে হঠাৎ এজন সম্ভ্ৰান্ত ব্যক্তিয়ে আপোনাৰ কাষেদি এখন বিলাসী গাড়ীত উঠি বায়ুবেগে পাৰ হৈ গ'ল। বিলাসী বাহনখনত চকুত দামী ছানগ্লাছ পৰিহিত মানুহজনক দেখি প্ৰথমে আপোনাৰ নিজৰ প্ৰতি পুতৌ জন্মিব এইবুলি যে— আপুনি আপোনাৰ সাধাৰণ উপাৰ্জনেৰে এখন বমাৰুতি গাড়ী কিনিব পৰা নাই অথচ এইজনা ব্যয়বহুল মানুহৰ কি পৰম সৌভাগ্য, ইমান বিলাসী শীত-তাপ নিয়ন্ত্ৰিত গাড়ীত উঠি বায়ুবেগে যাতায়াত কৰিছে! আপুনি কিজানি স্বগতোক্তিয়েই কৰি পেলাব। আৰু হয়তো এটা হীনমন্যতাই অলপ সময়ৰ বাবে ভিতৰি ভিতৰি আপোনাক জোঁকাৰি যাব; কিন্তু অলপ সময়ৰ পাছতেই স্বতঃস্ফূৰ্তভাৱে আপোনাৰ মনটোৱে সেই বিলাসী বাহনত যোৱা মানুহজনৰ সম্ভাব্য চৰিত্ৰ, তেওঁৰ জীৱিকা অৰ্জনৰ পথ আদিৰ লগত আপোনাৰ চৰিত্ৰ আৰু জীৱিকা অৰ্জনৰ পথৰ এক অদৃশ্য তুলনাত লিপ্ত হ'ব আৰু আপুনি যিমানেই নিঃস্ব নহওক কিয়, সেইজনৰ তুলনাত আপুনি নিজকে শ্ৰেষ্ঠ বুলি পতিয়ন যাব। আপুনি হয়তো কল্পনা কৰিব যে সেই মানুহজন অতি দাম্ভিক, হৃদয়হীন, ধনৰ অহংকাৰত মত্ত অথবা অসৎ লোক। আপুনি আৰু ভাবিব যে অসৎ উপায় অৱলম্বন কৰি যিকোনো মানুহেই বিলাসী বাহনত উঠি বায়ুবেগে যাতায়াত কৰিব পাৰে। তেওঁৰ তুলনাত আপুনি সৎ, পৰোপকাৰী আৰু সৎ উপায়েৰে উপাৰ্জন কৰা সম্ভ্ৰান্ত লোক। সেয়ে আপুনি ভগা ফুটপাথেৰে খোজ কাঢ়ি গ'লেও আপোনাৰ মৰ্যাদা সেই বিলাসী বাহনত যোৱা জনতকৈ বহুত গুণে বেছি। আপোনাৰ মনত উৎপন্ন হোৱা আত্মগৌৰৱ তুলনাৰ পৰাই ওপজা। সেয়ে কালিৰাম মেধিয়ে তেওঁৰ 'গৌৰৱ' পাঠত তুলনাৰ পৰাই গৌৰৱ উপজে বুলি মন্তব্য কৰিছে।

তুলনা সম্ভৱ হয় দুজন বা ততোধিক লোকৰ মাজতেই। পুৰা বাঢ়নী টাৰেৰে বাট-পথ পৰিষ্কাৰ কৰা ব্যক্তিজনেও নিজৰ কৰ্মক লৈ গৌৰৱবোধ কৰে। বাট-পথ সাৰোতে যিমানেই ধনী-মানী মানুহ বা বিলাসী বাহন তেওঁৰ সন্মুখেৰে পাৰ হৈ নাযাওক কিয়, তথাপি তেওঁৰ মনত সদায় নিজে কৰা কামটোৰ প্ৰতিহে বেছি আকৰ্ষণ থাকে। তেওঁৰ মনত সদায় গৰ্ববোধ হয় যে তেৱেঁই বাঢ়নী টাৰেৰে সাৰি-পুচি বাট-পথ পৰিষ্কাৰ কৰি ৰাখে বাবেই ঠাইখন আৱৰ্জনামুক্ত হৈ থাকে। ঠিক তেনেদৰে আমাৰ ঘৰত সদায় গাখীৰ দিয়া, পাচলি বিক্ৰী কৰা, মাছ বিক্ৰী কৰা আদি সকলো ধৰণৰ জীৱিকা নিৰ্বাহ কৰা মানুহবোৰৰ মনত নিজৰ কৰ্মক লৈ একপ্ৰকাৰৰ সন্তুষ্টি থাকে আৰু তেওঁলোকেও আন এজনৰ লগত নিজৰ কৰ্ম আৰু জীৱিকাৰ তুলনা কৰি নিজকে শ্ৰেষ্ঠ বুলি আত্মসন্তুষ্টি লাভ কৰে। এই আত্মসন্তুষ্টিয়ে সকলোৰে মনত এক বুজাব নোৱৰা আনন্দৰ সৃষ্টি কৰে। আন কাকো বুজাব নোৱৰা এনে আনন্দই হৈছে মানুহৰ জীৱনৰ চালিকা শক্তি। এই শক্তিয়ে মানুহক ভাগৰি নপৰাকৈ কাম কৰি যাবলৈ উদ্‌গনি জগায়। সেইবাবেই কালিৰাম মেধিয়ে তেওঁৰ 'গৌৰৱ' নামৰ প্ৰৱন্ধত কৈছে— 'ৰাণীৰ অলংকাৰ যেনেকৈ গৌৰৱৰ বস্তু, সেইদৰে বান্দীৰ



বাঢ়নীটাৰো গৌৰৱৰ বস্তু।' এজনৰ সামাজিক স্থান একেবাৰে শীৰ্ষ স্থানত আৰু আনজনৰ একেবাৰে নিম্ন স্থানত যদিও দুয়োজনে নিজৰ নিজৰ বস্তু দুপদ লৈ বুকু ফিন্দাই গৌৰৱ কৰে। ৰাণীয়ে ভাবে, তেওঁ ৰজাৰ ভাৰ্যা হোৱাৰ বাবেহে ইমান মূল্যৱান অলংকাৰ পৰিধান কৰিব পাৰিছে, তেওঁৰ দৰে আপুৰুগীয়া অলংকাৰ পৰিধান কৰাটো কিমানজনৰ সৌভাগ্য হয়! সেয়াই ৰাণীৰ আত্মসন্তুষ্টি। ঠিক তেনেদৰে ৰাণীৰ একেবাৰে বিপৰীত স্থানত থকা বান্দীগৰাকীয়েও তাইৰ বাঢ়নীটাৰক লৈ গৌৰৱ কৰে। কাৰণ ৰাণীৰ মূল্যৱান অলংকাৰ যেনেদৰে ৰাণীৰ বাবে আপুৰুগীয়া, ঠিক তেনেদৰে বান্দীৰ বাঢ়নীটাৰো তাইৰ বাবে আপুৰুগীয়া সম্পদ; কিয়নো এই বাঢ়নীটাৰৰ অবিহনে তাই ৰাস্তা-পদূলি পৰিষ্কাৰ কৰিব নোৱাৰে। সেয়ে বাঢ়নীটাৰেই তাইৰ আচল পৰিচয়। এই পৰিচয় কৰ্মৰ লগত জড়িত। কৰ্মৰ পৰা পোৱা আত্মসন্তুষ্টিয়ে মানুহক জীৱনৰ হেজাৰ বাধা-বিঘিনি নেওচি আগবাঢ়ি যাবলৈ সাহস যোগায়।

কৰ্মৰ প্ৰতি থকা গৌৰৱবোধেই মানুহক নিজৰ যোগ্যতা অনুসৰি একেবাৰে নিম্ন খাপৰ পৰা উচ্চ খাপলৈ সকলো শ্ৰেণীৰ লোককে প্ৰাণঢালি কৰ্ম কৰি যাবলৈ ইন্ধন যোগায়। উদাহৰণস্বৰূপে অপ্ৰাকৃতিকভাৱে মৃত্যুবৰণ কৰা লোকৰ মৃতদেহসমূহৰ শৱ বিচ্ছেদ কৰি তাৰ মৃত্যুৰ কাৰণ প্ৰমাণ কৰা হয়। সেই কাম সকলোৰে বাবে কৰা কেৱল অসম্ভৱেই নহয়; বৰঞ্চ ভাবিলেই ভয় লগা আৰু বেদনাদায়ক; কিন্তু নিজৰ জীৱিকা অৰ্জনৰ খাতিৰত যিসকলে এই কাম সদায় কৰে, তেওঁলোকৰ বাবে এই কামো গৌৰৱৰ বিষয়। কাৰণ তেওঁলোকে কিমান নিখুঁতভাৱে এই কাম সম্পন্ন কৰিব পাৰে আৰু তেওঁলোকৰ বাদে যে সাধাৰণ যিকোনো মানুহে এই কাম কৰিব নোৱাৰে, সেই কথা ভাবি হ'লেও তেওঁলোকে নিজে নিজকে শ্ৰেষ্ঠ প্ৰতিপন্ন কৰে। সেই বাবেই বছৰ বছৰ ধৰি এনেকুৱা কৰ্ম কৰিও মানুহে আনন্দ মনেৰে জীৱিকা অৰ্জন কৰি জীৱন নিৰ্বাহ কৰিব পাৰে। গতিকে বিভিন্ন শ্ৰেণীৰ মানুহে বাস কৰা এই প্ৰতিযোগিতামূলক পৃথিৱীখনত সকলোৱে মাজত নিজকে উচ্চ আৰু প্ৰয়োজনীয় বুলি জ্ঞান কৰি মনৰ সন্তুষ্টি আৰু আনন্দৰে জীয়াই থাকিবলৈ একে অপৰৰ লগত কৰা তুলনাৰ বিশেষ মহত্ত্ব আছে। লেখক কালিৰাম মেধিয়ে 'গৌৰৱ' বিষয়টো উপস্থাপন কৰিবলৈ 'তুলনাৰ' যি ভূমিকা প্ৰকাশ কৰিছে, সেয়া সচৰাচৰ সকলো শ্ৰেণীৰ মানুহৰ বাবেই প্ৰযোজ্য।

আমি নিজকে আনজনৰ পৰা অলপ হ'লেও শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিবলৈ কৰা তুলনাই আমাক আত্মসন্তুষ্টি প্ৰদান কৰে। নিজৰ যিমানেই পুতৌলগা পৰিস্থিতিয়ে নহওক কিয়, আমি নিজকে অন্ততঃ এজনৰ তুলনাত হ'লেও শ্ৰেষ্ঠ বুলি গণ্য কৰি জীৱনৰ বহুতো আহুকালৰ পৰা আঁতৰি থাকিব পাৰো। নিজে কৰা কাম আনে কৰা কামতকৈ অলপ হ'লেও শ্ৰেষ্ঠ বুলি ভাবি আমি নিজৰ স্থানত নিজকে অটুট কৰি ৰাখো। ফলত কেতিয়াবা আমি বহুত নিকট সম্বন্ধীয় মানুহৰ পৰা তিৰস্কাৰ-গঞ্জনাও পাবলগীয়া হয়। তেনে তিৰস্কাৰ-গঞ্জনা পাইও সেই কথা পাহৰি আমি নিজৰ মতে জীয়াই থাকিব পাৰো। সেয়ে কেতিয়াবা উচিত দিশত কৰা তুলনা আমাৰ জীৱনৰ বোধ-বাক্যত পৰিণত হয়।

আমি আমাৰ কৰ্ম জীৱনত অথবা দৈনন্দিন জীৱনত যেতিয়া কাৰোবাৰ স'তে নিজকে তুলনা কৰো, সেই তুলনা হয় স্বতঃস্ফূৰ্ত। কেতিয়া কোন মুহূৰ্তত কাৰ লগত আৰু কি পৰিস্থিতিত আমি নিজকে আন এজনৰ লগত তুলনা কৰো, সেই কথাৰ কোনো আগজাননী নাথাকে। যাৰ স'তে আমি নিজকে তুলনা কৰি এক মুহূৰ্তৰ বাবে হ'লেও আত্মতুষ্টি লাভ কৰো, সেই বিশেষ মুহূৰ্তটোৱেও কিজানি আমাক নিজৰ দৃষ্টিত বিশেষ কৰি তোলে; যাৰ ফলত আমি নিজেই নিজক এক বিশেষত্ব দিবলৈ সক্ষম হওঁ আৰু 'নাই নাই' বুলি হাবাথুৰি খাবলগীয়া পৰিস্থিতিতো আমি নিজৰ চকুত নিজকে ওপৰত তুলি ৰাখো। এই অনুভৱে বহুত সময়ত আমাক জীৱনৰ আহুকাল নেওচি আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত ইন্ধনৰ দৰে কাম কৰে।

আমি যেতিয়া নিজে নিজকে আন এজনৰ স'তে তুলনা কৰো, তেতিয়া নিজকে শ্ৰেষ্ঠ যেনেই লাগে; কিন্তু সেই ঠাইত যদি আন কোনোবাই আমাক যিকোনো এটা দিশত মূল্যাংকন কৰি আন এজনৰ লগত তুলনা কৰে, তেতিয়া আমাৰ মন অসন্তুষ্টিৰে ভৰি পৰে। বিশেষকৈ বন্ধু স্থানীয় ব্যক্তি বা আত্মীয়-স্বজনৰ মাজত এই কথাটো বাৰুকৈ খাটে। ধৰি লওক আপুনি আপোনাৰ এজন খুব ভাল বন্ধুৰ লগত কথা পাতি আছে। কথাৰ মাজতে কিবা বিষয়ক লৈ দুয়োৰে মাজত খকা-খুন্দা লাগিল। এজনৰ মত আন এজনে মানি ল'ব বিচৰা নাই। তেতিয়া যদি আপুনি ভুলক্ৰমে আপোনাৰ আন এজন বন্ধুৰ লগত সেই ভাল বন্ধুজনৰ তুলনা কৰে তেন্তে এক মুহূৰ্তও পলম নকৰি আপোনাৰ বন্ধুজনে আপোনাৰ ওপৰত হয় খঙত অগ্নিশৰ্মা হ'ব, নহয় অসন্তুষ্ট হৈ কথা পতা বন্ধ কৰি দিব। তেওঁ যিকোনো প্ৰকাৰে আপোনাক বুজাবলৈ যত্ন কৰিব যে তেওঁক কোনোবাই আনৰ লগত তুলনা কৰি কথা ক'লে তেওঁ মুঠেও ভাল নাপায়। আপুনি হয়তো কিছু সময়ৰ বাবে আপোনাৰ ভাল বন্ধুজনৰ স্বভাৱৰ প্ৰতি কৌতূহলী হৈ পৰিব আৰু বাৰে বাৰে ভাবিবলৈ বাধ্য হ'ব যে অপুনি আপোনাৰ বন্ধুজনক আন এজন ভাল বন্ধুৰ কিবা ভাল অথবা বেয়া গুণৰ লগত তুলনা কৰি এনে কি ৰামায়ণখন অশূচি কৰি পেলালে যে তাৰ প্ৰতিক্ৰিয়াৰ ফল একেবাৰে হাতীয়ে মাউতে তল যোৱাৰ নিচিনা হ'ল!

আচলতে অগণন মানুহেৰে পৰিপূৰ্ণ এই বিচিত্ৰ ধৰাখনিত নিজকে শূন্যৰ পৰা এঢাপ হ'লেও উত্তৰণ কৰি নিজৰ চকুত নিজকে শ্ৰেষ্ঠ ৰূপ দি আত্মসুখেৰে জীয়াই থাকিবলৈ প্ৰতিজন লোকেই বাঞ্ছা কৰে। হীনজনেও শ্ৰেষ্ঠজনৰ লগত তুলনা কৰি ক'ৰবাত নিজকেই শ্ৰেষ্ঠ প্ৰতিপন্ন কৰে আৰু তুলনাৰ এনে ইতিবাচক প্ৰৱণতাই সমাজৰ সকলো শ্ৰেণীৰ মানুহকে নিজ নিজ কৰ্ম কৰি আত্মসন্তুষ্টিৰে জীয়াই থাকিবলৈ প্ৰেৰণা যোগায়।

*ফোন ঃ ৭০০২৭৩৪৯৬২*

---

# শেৱালিৰ সুৱাসে শৰৎ অহাৰ বতৰা দিছে

## উছৱৰ ঋতু শৰৎ

'Season of mists and mellow fruitfulness,
Close-bosom friend of the maturing sun:
John Keats

**ইংৰাজী** সাহিত্যৰ ৰোমাণ্টিক যুগৰ এগৰাকী প্ৰখ্যাত কবি জন কীটছে তেওঁৰ 'Ode To Autumn' শৰৎ কালৰ প্ৰতি স্তোত্ৰমূলক কবিতাটোত শৰতৰ বৰ্ণনা দিবলৈ গৈ শৰৎ কুঁৱলী, নিয়ৰ আৰু পৰিপূৰ্ণতাৰ ঋতু বুলি উল্লেখ কৰিছে। দৰাচলতে শৰৎ এক পৰিপূৰ্ণতা আৰু পৰিপক্কতাৰ ঋতু। বছৰৰ বাৰটা মাহৰ বিভিন্ন সময়ত আমি ছয়টা ঋতু পাওঁ। প্ৰকৃতিজগতৰ জলবায়ুৰ বিভিন্ন পৰিবৰ্তনলৈ লক্ষ্য ৰাখি বছৰৰ বাৰটা মাহক ছয়টা ভাগত ভগোৱা হৈছে আৰু ইয়াৰ প্ৰতিটো ভাগকে একো একোটা ঋতু বুলি কোৱা হয়। যেনে-গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত শীত আৰু বসন্ত। প্ৰতিটো ঋতুৰে নিজা নিজা বৈশিষ্ট্য আৰু সৌন্দৰ্য আছে। এতিয়া শৰৎ কাল। অসমীয়া মাহ অনুসৰি আহিন, কাতি, ইংৰাজী মাহ অক্টোবৰ-নৱেম্বৰৰ সময়খিনি শৰৎ কালৰ সময়। এই সময়খিনি শেৱালি ফুলৰ সুৱাস, স্নিগ্ধ জোনাক আৰু ফৰকাল বতৰৰ সময়-উৎসৱ পাৰ্বণৰ সময়। উৎকট গৰমো নাই, ঠাণ্ডাও নাই। উৎসৱ-পাৰ্বণ বুলিলে সাধাৰণ কোলাহলৰ পৰা আনন্দ, উল্লাসৰ কথা জড়িত হৈ থাকে।

সাধাৰণতে শৰৎ কালৰ উছৱ বুলিলে গণেশ চতুৰ্থীৰ পৰা কালী পূজা, দীপান্বিতা, আনকি পৱিত্ৰ ৰাস উৎসৱো পৰে। উৎসৱৰ ৰাজ্য আমাৰ ইয়াত মহালয়াৰ সময়ৰ পৰা ৰাস-পূৰ্ণিমালৈ বিভিন্ন উৎসৱ অনুষ্ঠিত হয়। মহাপুৰুষ দুজনাৰ তিথি, গণেশ পূজা, শাৰদীয় দুৰ্গতিনাশিনী দুৰ্গা পূজা, সৌভাগ্যৰ প্ৰতীক শ্ৰীশ্ৰী লক্ষ্মী পূজা, পোহৰৰ উৎসৱ দীপান্বিতা, কালী পূজা, আমাৰ জাতীয় উৎসৱ কাতি বিহু আৰু লগতে মনোমোহা শৰৎ কালৰ ৰাতি পৱিত্ৰ ৰাসোৎসৱ পালন কৰা হয়। ক'ভিড সৃষ্ট পৰিস্থিতিয়ে আমাৰ ধৰিত্ৰীলৈ স্থৱিৰতা আনিছে যদিও শৰৎ কালৰ উৎসৱ-পাৰ্বণে আমাৰ মন সদায় প্ৰফুল্ল আৰু আনন্দময় কৰি তোলে। শিশুৰ পৰা আবাল বৃদ্ধ-বনিতালৈ পূজা বুলি ক'লে নতুন কাপোৰ পৰিধান কৰাটো এক প্ৰকাৰ নিয়মতে পৰিণত হৈ পৰে। শৰৎ কালত মন সদায় ফৰকাল থাকে, ৰাস্তা-পদূলি পৰিষ্কাৰ হয়, চোতালৰ সন্মুখত শেৱালি ফুলৰ সুৱাসে আমাক ৰাতিপুৱা টোপনিৰ পৰা উঠিয়েই দিনটোৰ বাবে মনত প্ৰশান্তি আনি দিয়ে। নৈৰ দাঁতিত এই সময়তে কঁহুৱা ফুল ফুলে। ৰাতি চোতালত বহি নিৰ্মল আকাশৰ পিনে দৃষ্টি নিক্ষেপ কৰিলেও মনলৈ ফৰকাল ভাব এটা আহি পৰে। এই সময়ত সাধাৰণতে দেখা নাযায় আকাশত ক'লীয়া মেঘ। কবি, সাহিত্যিকে এই বিতোপন শৰৎ কালতেই সাহিত্যৰ সমলো বিচাৰি পায়। বহু সময়জুৰি ধাৰাবাহিকভাৱে চলি থকা বাৰিষাৰ বৰষুণো এই সময়ত নোহোৱা হৈ পৰে। পূজা সেৱাৰ লগতে দেৱী বন্দনাৰ উচ্চ স্বৰত গোৱা 'ৰূপং দেহি, জয়ং দেহি, যশো দেহি, দ্বিযো জহি' আদি মন্ত্ৰৰ ঝংকাৰে সকলো ভক্তৰে আধ্যাত্মিক চেতনা জগাই তোলে। স্নিগ্ধ শৰতৰ পূৰ্ণিমাৰ ৰাতি শ্ৰী শ্ৰী লক্ষ্মীৰ পূজাও অনুষ্ঠিত হয়। লক্ষ্মী সুখ, সমৃদ্ধি আৰু সৌভাগ্যৰ অধিষ্ঠাত্ৰী দেৱী। লক্ষ্মী সদায় বেপাৰ বাণিজ্যত বাস কৰে বুলি কথা এষাৰ আছে। আমি পালন কৰা জাতীয় উৎসৱ কাতি বিহুও এক শাৰদীয় উৎসৱ। চোতালত তুলসী পুলি ৰোপণ কৰি, চাকি জ্বলাই, আকাশ বন্তি জ্বলাই, ধাননি-পথাৰ, ভঁৰাল ঘৰত চাকি জ্বলাই পালন কৰা এই বিহুটোত অভাৱ-অনাটন থাকিলেও ইয়াৰ এক অধ্যাত্মিক তাৎপৰ্য আছে। আহিন আৰু কাতিৰ সংক্ৰান্তিৰ উদ্‌যাপন কৰা এই বিহুটোত চোতালত তুলসী পুলি ৰুই ভৱিষ্যতৰ দিনবিলাক মংগলময়, শস্যপূৰ্ণ কৰাৰ বাবে লখিমীক প্ৰাৰ্থনা জনোৱা হয়।



**দেৱ প্ৰসাদ মিশ্ৰ**



আমাৰ সমাজৰ স্মৰণাতীত কালৰে পৰা চলি অহা তুলসী তলৰ চাকি গছি আমাৰ জেউতি, আলোক আৰু জ্ঞানৰ প্ৰতীক। এজন সৎ-স্বভাৱৰ ব্যক্তিক কেতিয়াবা তুলসী তলৰ চাকিৰ জ্যোতিৰ লগতো তুলনা কৰা হয়। পোহৰৰ উৎসৱ দীপান্বিতা, কালীপূজাও শাৰদীয় উৎসৱ। দীপান্বিতা হিন্দু ধৰ্মাৱলম্বী লোকৰ এক সৰ্বভাৰতীয় উৎসৱ। বন্তি প্ৰজ্বলনেৰে অশুভ শক্তিৰ বিৰুদ্ধে শুভ- শক্তিৰ জয়লাভ এই উৎসৱ পালনৰ মূল উদ্দেশ্য। 'অন্ধকাৰৰ পৰা মোক পোহৰলৈ নিয়া' 'তমসো মা জ্যোতিৰ্গময়'— Lead me from darkness to light' ইয়াৰ মূলমন্ত্ৰ। শৰৎ কালত অনুষ্ঠিত হোৱা শ্ৰীকৃষ্ণৰ ৰাসলীলাও এক উল্লেখযোগ্য শাৰদীয় উৎসৱ।

শৰৎ বছৰটোৰ তৃতীয় ঋতু। ই এক উছৱ-পাৰ্বণৰ ঋতু। শৰতক ঋতুৰ ৰাণী বুলি ক'ব পৰা যায়। শস্য চপোৱাৰ আগমুহূৰ্তত শৰৎ ঋতুৱে পৃথিৱীখন শস্যপূৰ্ণ কৰি তোলে। এই সময়ত বাতৰি কাকত, আলোচনী আদিৰ শাৰদীয় সংখ্যাই প্ৰতিজন পঢ়ুৱৈক আকৰ্ষণীয় কৰি তোলে। এই আপাহতে কবি যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতাৰ শাৰী উল্লেখ নকৰি নোৱাৰিলো—

'দেখিম চকুৰে শতেক শৰৎ
সুখেৰে উপচা ধৰা
কটাম ৰঙেৰে শতেক শৰৎ
পৰাণ উলাহ ভৰা
কাণেৰে শুনিম শত শৰতৰ
শুৱলা অমৃত ধ্বনি
স্পন্দিত হওক শতেক শৰত
শুনি তেজোময় বাণী।'

কতিয়াবা বৃদ্ধলোকে আনক, আনকি কনিষ্ঠই জ্যেষ্ঠজনক আৰু জ্যেষ্ঠজনে কনিষ্ঠজনক শৰতৰ নামেৰে আশীৰ্বাদ দিয়াও দেখা যায়— 'পশ্যেম শৰদঃ শতম্‌, জীৱেম শৰদঃ শতম্‌, শৃনুয়ামো শৰদঃ শতম্‌' অৰ্থাৎ আপুনি এশটা শৰতৰ শোভা চাবলৈ সমৰ্থবান হওক। শৰতৰ তাৎপৰ্য ইয়াৰ পৰাও উপলব্ধ কৰিব পাৰি। শৰৎ উছৱৰ ঋতু হ'লেও উছৱৰ মাত্ৰাধিক্যই যাতে আমাৰ চিন্তা-চৰ্চা তৰাং কৰিব নোৱাৰে, যুৱ ছাত্ৰক বিপথে পৰিচালিত কৰিব নোৱাৰে, তাৰ বাবে প্ৰাপ্ত বয়স্কসকলে সমাজখনত দিক্‌দৰ্শকৰ ভূমিকা পালন কৰিব লাগিব। কৰুণা অতিমাৰীয়ে পৃথিৱীখন উলট-পালট কৰাৰ সময়তে শৰতৰ উৎসৱসমূহৰো সৌন্দৰ্য কিছু ম্লান পৰা যেন লাগিছে। তথাপি আমি আগ্ৰহেৰে বাট চাম মহামাৰী পৃথিৱীৰ বুকুৰ পৰা নোহোৱা হ'ব; কাল অমানিশাও আঁতৰিব— শৰতে কঢ়িয়াই আনিব সৌন্দৰ্যৰ আকৰ আৰু উন্নয়নমূলক চিন্তা-চৰ্চা—Let noble thoughts come to us from every side'– আমাৰ জীৱনলৈ প্ৰতিটো ক্ষণতে মহৎ চিন্তাৰ উদ্ৰেক হওক 'আনো ভদ্ৰা ক্ৰতবোয়ন্তু বিশ্বতঃ।'

*ফোন ঃ ৯৪৩৫১১৯২৩৬*

## শিল্পী হৰেন দাসলৈ 'লোকসংগীত শিৰোমণি গোকুল পাঠক বঁটা

■ ৯৬ সংখ্যক গোকুল পাঠকৰ জন্মদিনৰ প্ৰস্তুতি

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৬ অক্টোবৰ ঃ** ভ্ৰাম্যমাণ থিয়েটাৰৰ এসময়ৰ প্ৰখ্যাত অভিনেতা, গীতিকাৰ, সুৰকাৰ, সংগীত শিল্পী তথা গোকুল পাঠকৰ বৈঠকীৰ সংগী বিজনী নিৱাসী হৰেন দাসলৈ আগবঢ়োৱা হৈছে ২০২১বৰ্ষৰ 'লোকসংগীত শিৰোমণি গোকুল পাঠক বঁটা।' আজি এই বিষয়ে সদৰী কৰিছে গোকুল পাঠক স্মৃতি সুৰক্ষা সমিতিৰ প্ৰচাৰ সম্পাদক কমলেশ বৈশ্যই। অহা ১৪ অক্টোবৰত পালন কৰা হ'ব বৰপেটাৰ মহীৰূহ শ্ৰীশ্ৰীমথুৰা দাস বুঢ়াআতা বঁটাপ্ৰাপক, বিষ্ণু ৰাভা বঁটা প্ৰাপক, বৰপেটা সত্ৰৰ ইতিহাস প্ৰণেতা লোকসংগীত শিৰোমণি শিল্পী সাহিত্যিক গোকুল পাঠকৰ জন্মদিন। আঠ পৃষ্ঠাত চাওক

■ ডিব্ৰুগড়ৰ ব্যক্তিগত চিকিৎসালয়ত ভয়ংকৰ ঘটনা ■ ৰোগীৰ অকাল মৃত্যুক কেন্দ্ৰ কৰি ডিব্ৰুগড়ৰ 'ইউৰভিছন হাস্পতাল'ত উত্তপ্ত পৰিস্থিতি

# এনাস্থেছিয়া দিয়া ৰোগীয়ে নাপালে জ্ঞান ঘূৰাই

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ৬ অক্টোবৰ ঃ** অস্ত্ৰোপচাৰৰ বাবে সংজ্ঞাহীন কৰিবলৈ 'এনাস্থেছিয়া' বা 'চেতনানাশক' দি একেবাৰে ৰোগীক সংজ্ঞাহীন কৰাৰ ঘটনাই উত্তেজনাৰ সৃষ্টি কৰিছে ডিব্ৰুগড়ত। ডিব্ৰুগড়ৰ 'ইউৰভিছন হাস্পতাল' নামৰ ব্যক্তিগত চিকিৎসালয়খনত সংঘটিত হৈছে এই ঘটনা। ইপিনে, এনাস্থেছিয়াৰ পাৰ্শ্বক্ৰিয়াৰ বাবে ইতিমধ্যে মৃত্যুক আঁকোৱালি লৈছে দুৰ্ভগীয়া ৰোগীজনে। তথ্য মতে, চহৰখনৰ সেউজপুৰৰ ব্যক্তিগত চিকিৎসালয়খনত যোৱা দুই অক্টোবৰত চিকিৎসাৰ বাবে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ মহাদেৱপুৰৰ নন্দেশ্বৰ মৰাণ নামৰ লোকজনক ভৰ্তি কৰোৱা হৈছিল। প্ৰস্ৰাৱ আৰু পাইখানাৰ ৰোগত আক্ৰান্ত ৰোগীজনক সুচিকিৎসাৰ বাবে চিকিৎসালয়খনত পৰিয়ালৰ লোকে ভৰ্তিৰ পাছতে বিশেষজ্ঞ চিকিৎসক ডাঃ এ কে শাণ্ডিল্যৰ তত্ত্বাৱধানত চিকিৎসাৰ অন্তত যোৱা চাৰি অক্টোবৰত অস্ত্ৰোপচাৰৰ ব্যৱস্থা কৰে। অস্ত্ৰোপচাৰ কক্ষত সুমুৱাই লোকজনক সংজ্ঞাহীন কৰিবলৈ এনাস্থেছিয়া প্ৰদান কৰে যদিও দুৰ্ভাগ্যৰ বিষয় যে তেতিয়াৰে পৰা একেবাৰে সংজ্ঞাহীন হৈ পৰে ৰোগীজন। এই ঘটনাৰ পাছতে এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হোৱাত চিকিৎসালয় কৰ্তৃপক্ষই দুৰ্ভাগ্যজনক ঘটনাটোৰ সন্দৰ্ভত পৰিয়ালৰ স'তে আলোচনা কৰি বিভিন্ন বিভাগৰ কে'বাজনো বিশেষজ্ঞ চিকিৎসক আনিছিল যদিও কোনো ফল নধৰিল বুলি পৰিয়ালৰ লোকে অভিযোগ কৰিছে। কালি সন্ধিয়া পৰ্যন্ত ৰোগীৰ কোনো সংজ্ঞা ঘূৰি অহাৰ লক্ষণ নেদেখি চিকিৎসালয় কৰ্তৃপক্ষই ৰোগীক অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়াৰ বাবে পৰামৰ্শ প্ৰদান কৰে। ইফালে, পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চিকিৎসালয়খনত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী নিয়োজিত কৰিবলগীয়া হয়। পিতৃক চিকিৎসাৰ বাবে আনি অস্ত্ৰোপচাৰত এনাস্থেছিয়াত একেবাৰে সংজ্ঞাহীন হৈ পৰাত ভাঙি পৰে পুত্ৰৰ লগতে পত্নীসহ আত্মীয়-স্বজনে। ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে স্থানীয় আৰক্ষী থানাত গোচৰ ৰুজু কৰি ৰোগীক অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়ে যদিও কে'বাঘণ্টাৰ পূৰ্বে ৰোগীৰ মৃত্যু হোৱা বুলি সদৰী কৰে চিকিৎসকে। চিকিৎসালয় কৰ্তৃপক্ষৰ এনে কাৰ্যত ক্ষোভ উজাৰি পৰিয়ালৰ লগতে সকলোৱে ঘটনাৰ উচিত তদন্তৰ দাবী কৰিছে।

ইপিনে, ৰোগীজনৰ মৃত্যু সন্দৰ্ভত চিকিৎসক তথা ব্যক্তিগত চিকিৎসালয়খনৰ সঞ্চালক ডাঃ এ কে শাণ্ডিল্যই এয়া ঔষধৰ পাৰ্শ্বক্ৰিয়া আৰু এনে ঘটনা চিকিৎসা বিজ্ঞানৰ ইতিহাসত বিৰল বুলি কৈ দুৰ্ভাগ্যজনক ঘটনাটোৰ বাবে দুখ কৰে। চিকিৎসকে যাৱতীয় সকলো পৰীক্ষাৰ পাছতে অস্ত্ৰোপচাৰ কৰিবলৈ সাজু হৈছিল যদিও এনাস্থেছিয়া দিয়াৰ পাছতে একেবাৰে সংজ্ঞাহীন হৈ পৰে ৰোগীজন। ঔষধৰ পাৰ্শ্বক্ৰিয়া হোৱাৰ ফলতে এনে ঘটনা সংঘটিত হোৱা বুলি সদৰী কৰি তেওঁ কয় যে এনে ঘটনা কোটিৰ ভিতৰত পাঁচ-ছজনৰ ক্ষেত্ৰতহে কেতিয়াবা হয়। সেয়া যিয়েই নহওক ৰোগীৰ অস্ত্ৰোপচাৰৰ বাবে সংজ্ঞাহীন কৰাৰ সময়ত মৃত্যুক আঁকোৱালি লোৱা এই ঘটনা চিকিৎসকৰ অমনযোগিতা নে কাণ্ডজ্ঞানহীনতাৰ বাবে সংঘটিত হ'ল সেয়া তদন্ততহে পোহৰলৈ আহিব।

## আঁচনি-ভিচিডিচিৰ ভাগ-বাটোৱাৰ লৈ জিএচপি, বিজেপি, ইউপিএলত শীতল যুঁজ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৬ অক্টোবৰ ঃ** বিটিআৰৰ প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএল বিজেপি আৰু জিএছপি মিত্ৰজোঁটৰ চৰকাৰখনত উন্নয়নৰ আঁচনি হওক বা ভিচিডিচি গঠনে হওক আভ্যন্তৰত যেন দলীয় কৰ্মী নেতাৰ মাজত খোৱাকামোৰা আৰম্ভ হৈছে। উল্লেখ্য যে বিটিআৰত শেহতীয়াকৈ আঁচনিৰ কাম-কাজলৈ ইউপিপিএলৰ নেতা বনাম জি এছপিৰ নেতাৰে হোৱা মুকলি সংঘাতে বিটিআৰৰ তিনিটা দলৰ মিত্ৰজোঁটৰ কন্দল আৰম্ভ কৰিছে। উল্লেখ্য যে বিটিআৰৰ দিহিৰা সমষ্টিৰ ইউপিপিএলৰ ব্লক সভাপতি জগদীশ স্বৰ্গীয়াৰীয়ে কিছুদিন পূৰ্বে জিএছপিৰ নেতা তথা ই এম ঘনশ্যাম দাসৰ বিৰুদ্ধে উন্নয়নৰ আঁচনিৰ কাম-কাজ নোপোৱাৰ মুকলি ক্ষোভৰ বহিপ্ৰকাশ ঘটাইছিল। এই কাৰ্যই জিএছপি নেতা তথা বিটিচিৰ কৃষি বিভাগৰ ই এম দাসে আজি তেওঁৰ বিৰুদ্ধে ইউপিপিএলৰ নেতাজনে ভিত্তিহীন অভিযোগেৰে অপমান কৰাত দুঃখীত বুলি সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, 'বিটিচিৰ কোনো এটা আঁচনিৰ কাম-কাজ এতিয়ালৈ ৰাইজক দিয়া হোৱা নাই আৰু কোনো এজন ই এমে কোনো এটা কাম দিব পৰা নাই। তেওঁ লগতে কয় যে মিত্ৰজোঁটৰ চৰকাৰখনত বিটিচিৰ ২০২০-২০২১লৈ কোনো আঁচনিৰ কাম হোৱাই নাই। তেনে ক্ষেত্ৰত ইউপিপিএলৰ নেতাজনে তেওঁৰ ওপৰত জাপি দিয়া বদনাম মিছা আৰু ব্যক্তিগত আক্ৰোশ। কিয়নো বিটিচি আঠ পৃষ্ঠাত চাওক

### ■ দিহিৰা সমষ্টিৰ ইউপিপিএল নেতাৰ বিৰুদ্ধে ক্ষোভ ই এম দাসৰ

■ বিধায়ক পুঁজি আত্মসাৎ ঃ লগ দিলে নতুন বিপদে

# শীঘ্ৰে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে জিম্মাত ল'ব বিধায়ক শ্বেৰমানক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৬ অশেবৰ ঃ** ছহিদক ঘাতক আখ্যা দি সম্প্ৰতি ৰঙাঘৰৰ আলহী হৈ থকা বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলীৰ সন্মুখত পুনৰ নতুন বিপদে দেখা দিছে। বিধায়ক পুঁজি আত্মসাৎ গোচৰত বিতৰ্কিত বিধায়কজনক জিম্মাত ল'বলৈ মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে তৎপৰতা গ্ৰহণ কৰিছে বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে। উল্লেখ্য যে বাঘবৰ সমষ্টিৰ অন্তৰ্গত মন্দিয়া উন্নয়ন পৰিষদত বিধায়ক পুঁজি আত্মসাৎ কৰা ঘটনাত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষত ভাৰতীয় দণ্ড বিধিৰ ০(বি) /৪০৬/৪২০/৪০৯/৪৬৮/৪৭১, দুৰ্নীতি প্ৰতিৰোধ আইন-১৯৮৮ৰ আৰ ডব্লিউ চেকচন ১৩(২) ধাৰাৰ অধীনত ০২/২০২১ নম্বৰত এক গোচৰ ৰুজু হৈছিল। এই গোচৰৰ ভিত্তিত তদাৰকী কোষে মঙলদৈ জিলা পৰিষদৰ উপ-মুখ্য কাৰ্যবাহী বিষয়া ইউছুফুৰ ৰহমান, মন্দিয়া খণ্ড উন্নয়ন বিষয়া যাদৱ চৌধুৰী, মন্দিয়া উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তা আইনু ৰহমান, বিধায়ক পুঁজি ৰূপায়ণৰ বাবে গঠন কৰা তিনিখন নিৰ্মাণ সমিতিৰ সভাপতি তথা বিধায়ক আলীৰ অতি ঘনিষ্ঠ আব্দুল ৰেজ্জাক, মজাহিদুৰ ৰহমান আৰু শ্বাহজামাল আলীক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছতে সমগ্ৰ বিষয়টোৰ তদন্ত প্ৰক্ৰিয়া তদাৰকী কোষে আগবঢ়াই নিয়াৰ পাছতে বিধায়ক আলীক পাণবজাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছতে তদাৰকী কোষেও আলীক ইতিমধ্যে আঠ পৃষ্ঠাত চাওক

## ছহিদ মোজাম্মিল হকলৈ শ্ৰদ্ধাঞ্জলি

**অগ্ৰদূত বাৰ্তা**

**ফকিৰাগ্ৰাম, ৬ অক্টোবৰ ঃ** সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ উদ্যোগত ফকিৰাগ্ৰামৰ ছহিদ বেদীত ১৯৭২ৰ ছয় অক্টোবৰত দুৰ্বৃত্তই হাতত আঘাতপ্ৰাপ্ত হৈ ভাষা মাধ্যম আন্দোলনৰ প্ৰথমজন ছহিদ মোজাম্মিল হকৰ মৃত্যু হৈছিল। তেওঁৰ স্মৃতিত আজি সন্ধিয়া সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ কোকৰাঝাৰ জিলা সমিতিয়ে শ্ৰদ্ধাঞ্জলী অনুষ্ঠান অনুষ্ঠিত কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম গৰিয়া মৰিয়া দেশী পৰিষদৰ কোকৰাঝাৰ জিলা সভাপতি শ্বেখ ছালিম পাটগিৰি, কবিবুল হক অধ্যাপক ড° ৰেজাউল কৰিম আদি।

## কংগ্ৰেছ নেতাৰ বিয়োগ

**বিশেষ সংবাদদাতা**

**পাঠশালা, ৬ অক্টোবৰ ঃ** ভৱানীপুৰ বিধানসভা সমষ্টিৰ জ্যেষ্ঠ কংগ্ৰেছী নেতা, সমাজকৰ্মী আতাৰ আলী (৫০) হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ যোৱা নিশা বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত অকাল বিয়োগ ঘটে। ভৱানীপুৰৰ ধুপালপাৰা গাঁৱত জন্মগ্ৰহণ কৰা আলীয়ে সম্প্ৰতি বৰপেটা ৰোডত বসবাস কৰিবলৈ লৈছিল। মৃত্যুৰ সময়লৈকে অসম প্ৰদেশ কংগ্ৰেছৰ সংখ্যালঘু কোষৰ সম্পাদক পদত অধিষ্ঠিত হৈ থকা আলীয়ে প্ৰায় ২০ বছৰ ধৰি কংগ্ৰেছৰ স'তে জড়িত থাকি দলটোৰ ভিন্ন পদত অধিষ্ঠিত হৈছিল। ছাত্ৰ অৱস্থাতে তেওঁ নিখিল ভাৰত ছাত্ৰ সন্থাৰ সক্ৰিয় সদস্য আছিল। মৃত্যুৰ সময়ত পত্নীসহ এগৰাকী কন্যাকে ধৰি বহু গুণমুগ্ধক ইহসংসাৰত এৰি যোৱা আলীৰ অকাল বিয়োগত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ লগতে বিভিন্ন দল-সংগঠন তথা ৰাইজে গভীৰ শোক প্ৰকাশ কৰিছে।

## বিশ্বনাথত কৃষক সভা-চিটুৰ প্ৰতিবাদী কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৬ অক্টোবৰ ঃ** অসম ৰাজ্যিক কৃষক সভা আৰু চিটুৰ প্ৰতিবাদকাৰীসকলে বিশ্বনাথ নগৰৰ বীনাপাণি নাট্য মন্দিৰ প্ৰাংগণত আজি সমদল কৰি বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰি এক উত্তাল আঠ পৃষ্ঠাত চাওক

■ পূৰ্বৰ বুকীয়ে মালিকৰ ৰূপত অৱতীৰ্ণ

# উত্তৰ শালমাৰা মহকুমাত চলিছে তীৰ-শেষ নম্বৰৰ লটাৰী খেল

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৬ অক্টোবৰ ঃ** ক'ভিড পৰিস্থিতিত অৰ্ধ তলাবন্ধৰ পৰিপ্ৰেক্ষিতত বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাত অবৈধ তীৰ খেল, শেষ নম্বৰৰ লটাৰী খেল সাময়িকভাৱে বন্ধ আছিল যদিও বৰ্তমানেও মহকুমাটোৰ অঞ্চলে অঞ্চলে অবৈধ তীৰ আৰু শেষ নম্বৰ লটাৰী খেলৰ ৰমৰমীয়া ব্যৱসায় চলি আহিছে। মহকুমাটোৰ সদৰ অভয়াপুৰী চহৰকে ধৰি অভয়াপুৰী থানাৰ অন্তৰ্গত লেংটিছিঙা, মোৱামাৰী, লালমাটি, উত্তৰ শালমাৰা, দেওহাটী, মিলন বজাৰ আদি অঞ্চলৰ লগতে যোগীঘোপা থানাৰ অন্তৰ্গত মালেগড়, পাচনীয়া, বৰজানা, খোৱাগাঁও আদি অঞ্চলত অবৈধ তীৰ খেলৰ ব্যৱসায় চলি আহিছে। উল্লেখ্য যে পূৰ্বতে অবৈধ তীৰ মালিকৰ অধীনত অঞ্চলে অঞ্চলে বহুকেইজন বুকী নিয়োগ কৰি বুকীৰ জৰিয়তে ২০ শতাংশ কমিছনত অবৈধ তীৰৰ ব্যৱসায় চলাই আহিছিল যদিও তলাবন্ধৰ পৰিপ্ৰেক্ষিতত তীৰৰ কলা আঠ পৃষ্ঠাত চাওক



## মৰিগাঁৱত দেহ ব্যৱসায়ৰ ঘাটিত গ্ৰেপ্তাৰ ছয়

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৬ অক্টোবৰ ঃ** মৰিগাঁৱত এক দেহ ব্যৱসায়ৰ ঘাটিত আজি মৰিগাঁও সদৰ আৰক্ষীৰ এটা দলে চলোৱা অভিযানত ছয়গৰাকী দেহ ব্যৱসায়ত জড়িত লোকক গ্ৰেপ্তাৰ কৰে। লগতে বহু আপত্তিজনক সামগ্ৰী জব্দ কৰে। মৰিগাঁও পৌৰসভাৰ অন্তৰ্গত আঠ নম্বৰ ৱাৰ্ডস্থিত এটা বাসগৃহত আজি দিনত মৰিগাঁও আৰক্ষীয়ে অভিযান চলাই দেহ ব্যৱসায়ত লগত জড়িত চাৰিগৰাকী মহিলা আৰু দুজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে এখন গাড়ী আৰু বহুতো আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰে।

■ অমানৱীয় ঘটনাৰ বাবে দোষীক শাস্তি, ভুক্তভোগী পৰিয়ালক ক্ষতিপূৰণৰ দাবী আছৰ

# ৰঙাগড়াঘাটত কিশোৰৰ মৃতদেহ সন্মুখত লৈ ৰাইজে ঘেৰাও কৰিলে বাসগৃহ

**খুমটাই, ৬ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ কমৰাগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাগড়াঘাটত মঙলবাৰে এটা ঘৰচীয়া হাতীৰ গছকত এজন কিশোৰৰ মৃত্যুক কেন্দ্ৰ কৰি আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখ্য যে ৰঙাগড়াঘাট অঞ্চলৰ ৰত ভূঁইৰ একমাত্ৰ পুত্ৰ বিশাল ভূঁইয়ে মঙলবাৰে দিনৰ প্ৰায় এক বজাত ৰঙাগড়াঘাটৰ গেলাবিল নৈ কাষৰ এখন বাঁহনিত এটা পোহনীয়া হাতীৰ গছকত অকাল মৃত্যুক সাৱটি লয়। ইয়াৰ পাছতেই কমাৰগাঁও আৰক্ষীৰ এটি দল উপস্থিত হৈ ঘটনাস্থলীৰ পৰা কিশোৰজনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাট প্ৰেৰণ কৰাৰ লগতে হাতী আৰু হাতীটোৰ মাউত গৌৰৱ বড়োক আৰক্ষীয়ে আটক কৰে। আনহাতে, আজি দিনৰ প্ৰায় ১১ বজাত হাতীৰ গচকত মৃত্যু হোৱা বিশাল ভূঁইৰ মৃতদেহ আহি পোৱাই মাত্ৰই এক শোকাকুল পৰিৱেশে বিৰাজ কৰে অঞ্চলটোত। ইফালে, আটছা, আছু, স্থানীয় আঠ পৃষ্ঠাত চাওক



## টাকামপুৰ, ভৰতনগৰত পশু চিকিৎসা

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ৬ অক্টোবৰ ঃ** গোসাইগাঁৱৰ তেলিপাৰাস্থিত কৃষি বিজ্ঞান কেন্দ্ৰ, কোকৰাঝাৰৰ উদ্যোগত আৰু গোসাঁইগাঁও মহকুমা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সহযোগত আজি কচুগাঁও উন্নয়ন খণ্ডৰ অন্তৰ্গত ভৰতনগৰ গাঁৱত ঘৰচীয়া পশুধন বিনামূলীয়া চিকিৎসা, জহৰবাত, গলফুলা বেমাৰৰ এক টিকাকৰণ শিবিৰ অনুষ্ঠিত কৰা হয়। ঘৰচীয়া জীৱ জন্তুৰ পৰা বন্যা জীৱ-জন্তুলৈ যাতে এই ৰোগ বিয়পাব নোৱাৰে তাৰ উদ্দেশ্যৰে ভৰতনগৰৰ নামৰ গাঁওখনত এই টিকাকৰণ শিবিৰ অনুষ্ঠিত কৰে।

উক্ত পশু চিকিৎসা শিৱিৰত উপস্থিত থাকে কৃষি বিজ্ঞান কেন্দ্ৰ, কোকৰাঝাৰৰ মুৰব্বী ডাঃ মনোজ কুমাৰ ভূঞা, পশু বিশেষজ্ঞ ডাঃ নীলোৎপল দাস, গোসাঁইগাঁও মহকুমা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ মুনিন্দ্ৰনাথ তালুকদাৰ, ইণ্টানশ্বিপ ছাত্ৰ অক্ষয় ৰয় আদি।

## বিশ্বনাথ চাৰিআলিত চিনাক্ত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৬ অক্টোবৰ ঃ** কালি বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডলৰ অধীনস্থ নাগশংকৰ ৰেঞ্জৰ অন্তৰ্গত কৃষ্টি নলাৰ কাষতে ব্ৰহ্মপুত্ৰৰ বালিচৰত উদ্ধাৰ হয় এটি অচিনাক্ত মৃতদেহ। নাগশংকৰ ৰেঞ্জৰ ৰেঞ্জাৰ দেৱজিৎ শইকীয়াই উক্ত মৃতদেহটো প্ৰত্যক্ষ কৰি বিশ্বনাথঘাটস্থিত নদী আৰক্ষী বাহিনীক অৱগত কৰে। পাছত নদী আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় যদিও মৃতদেহটোৰ অধিকাংশ অংশই উৰলি যোৱা বাবে চিনাক্ত কৰাত ব্যৰ্থ হয়।

# লালুক আৰক্ষীৰ অভিযানত গ্ৰেপ্তাৰ দুই নকল সোণ-টকাৰ ব্যৱসায়ী





**অগ্ৰদূত বাৰ্তা**

**লালুক, ৬ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ বিভিন্ন প্ৰান্তত নকল টকা, নকল সোণৰ ব্যৱসায়ী, ঠগ, প্ৰৱঞ্চক, ড্ৰাগছকে আদি কৰি নিচাজাতীয় সামগ্ৰীৰ ব্যৱসায়ীৰ বিৰুদ্ধে আৰক্ষীৰ তীব্ৰ অভিযান অব্যাহত আছে। আজিও লালুক আৰক্ষীয়ে নকল টকা, নকল সোণ ব্যৱসায়ীৰ লগত জড়িত দুজন লোকক গ্ৰেপ্তাৰ কৰে। বিহপুৰীয়া থানাৰ অন্তৰ্গত দুই নম্বৰ ইছলামপুৰ গাঁৱৰ ইনটিয়াজ আলীৰ পুত্ৰ মিজানুৰ ৰহমান (৩২) আৰু এক নম্বৰ আহমেদপুৰ গাঁৱৰ আব্দুল মজিদৰ পুত্ৰ চাইদুল ইছলাম (৩৬)ৰ বিৰুদ্ধে নকল সোণ, নকল টকা ব্যৱসায় সংক্ৰান্তীয় গোচৰ ৰুজু হৈ আছিল। আৰক্ষীৰ চকুত ধূলি দি বঙালমৰাকে আদি কৰি বিভিন্ন অঞ্চলত গোপনে নকল টকা, নকল সোণ, ঠগ প্ৰৱঞ্চনাৰ ব্যৱসায় চলাই থকা দুয়োজন প্ৰৱঞ্চকৰ সন্দৰ্ভত লালুক আৰক্ষীয়ে অভিযান চলাই কালি গ্ৰেপ্তাৰ কৰে। আজি আৰক্ষীয়ে দুয়োকে আদালতত হাজিৰ কৰোৱাত আদালতে দুয়োকে জেল হাজোতলৈ প্ৰেৰণ কৰে।

## 'গোসাইগাঁৱৰ উন্নয়নে হ'ব কংগ্ৰেছৰ মূল লক্ষ্য' ঃ টুডু

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ৬ অক্টোবৰ ঃ** স্বাধীনতাৰ পাছত একেৰাহে ৪৫ বছৰ কংগ্ৰেছৰ দখলত থকা ২৮ নম্বৰ গোসাইগাঁও বিধানসভা সমষ্টি এইবাৰ পুনৰুদ্ধাৰ হ'ব বুলি দাবী কৰিছে কংগ্ৰেছ প্ৰাৰ্থী জুৱেল টুডুৱে। তেওঁ আজি কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাৰ শ্ৰীৰামপুৰস্থিত কংগ্ৰেছ কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদ মেলত কয়, বিগত বিটিচি নিৰ্বাচনত কংগ্ৰেছ আৰু বিধানসভা নিৰ্বাচনত মহাজোঁটৰ প্ৰাৰ্থী গোসাঁইগাঁওৰ পৰা বিপুল ভোটত জয়ী হৈছিল। সেই অনুপাতে আঠ পৃষ্ঠাত চাওক

■ ছহিদ মোজাম্মিল হকৰ ৫০ সংখ্যক স্মৃতি দিৱস ■ মঙলদৈত কেন্দ্ৰীয় মাতৃভাষা দিৱস উদ্‌যাপন অসম সাহিত্য সভাৰ ■ চতুৰ্দশ মাতৃভাষা দিৱস উদ্‌যাপন গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ

# অসমীয়া ভাষা এতিয়াও বজাৰৰ ভাষাৰ স্থান দখল কৰি আহিছে



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ৬ অক্টোবৰ ঃ** আজি ছয় অক্টোবৰ। আজিৰ দিনটোতেই ৪৯ বছৰ আগতে ১৯৭২ত মঙলদৈৰ ফুলকুমলীয়া ছাত্ৰ মোজাম্মিল হক মাধ্যম আন্দোলনত ছহিদ হৈছিল। মাধ্যম আন্দোলনৰ প্ৰথম ছহিদজনৰ ৫০ সংখ্যক স্মৃতি দিৱস দৰং জিলা সাহিত্য সভা আৰু ছহিদ মোজাম্মিল হক স্মৃতিৰক্ষা সমিতিৰ যুটীয়া উদ্যোগত অসম সাহিত্য সভাই কেন্দ্ৰীয় মাতৃভাষা দিৱস হিচাপে উদ্‌যাপন কৰে। এই উদ্দেশ্যে মঙলদৈ ইয়ুথ ক্লাব সংলগ্ন ছহিদ মোজাম্মিল উদ্যানত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন ৰাজবংশীয়ে আৰু ছহিদ মোজাম্মিল হক স্মৃতি ৰক্ষা সমিতিৰ পতাকা উত্তোলন কৰে বিশিষ্ট উদ্যোগপতি মুকুল ডেকাই।

ছহিদ ভ্ৰাতৃ বদৰুল হকে স্মৃতিসৌধত এগছি চাকি জ্বলোৱাৰ সমান্তৰালকৈ ৫০গৰাকী বিশিষ্ট লোকে ৫০ গছি বন্তি প্ৰজ্বলন কৰি জাতীয় ছহিদগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন জনায়। ইয়াৰ পাছতে মঙলদৈ ইয়ুথ ক্লাব প্ৰেক্ষাগৃহত অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি প্ৰহ্লাদ তাছাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি অধ্যাপক ইদ্ৰিছ আলীয়ে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই আঁত ধৰা সভাত লেখক ময়ূৰ বৰাই মাধ্যম আন্দোলনৰ প্ৰথম ছহিদগৰাকীক পলমকৈ হ'লেও অসম সাহিত্য সভাই উপযুক্ত সন্মান দিয়াৰ বাবে সভাৰ শলাগ লয়। তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক চন্দন শৰ্মাই অসমীয়া ভাষা এতিয়াও বজাৰৰ (বজৰুৱা নহয়) ভাষাৰ স্থান দখল কৰি আঠ পৃষ্ঠাত চাওক

## ধলপুৰ-গৰুখুঁটি কাণ্ডৰ বিৰুদ্ধে ভৱানীপুৰত চিপিআই (এম)ৰ প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ৬ অক্টোবৰ ঃ** দৰং জিলাৰ ধলপুৰ আৰু গৰুখুঁটিকে ধৰি ৰাজ্যখনৰ কে'বাঠাইত চৰকাৰে চলোৱা উচ্ছেদ অভিযানৰ বিৰুদ্ধে চিপিআই (এম) দলৰ ৰাজ্যিক কমিটীয়ে জনোৱা আহ্বানমৰ্মে আজি ভবানীপুৰতো এক প্ৰতিবাদী সমদল উলিওৱা হয়। চিপিআই(এম) দলৰ ভবানীপুৰ আঞ্চলিক কমিটীৰ উদ্যোগত উলিওৱা প্ৰতিবাদী কাৰ্যসূচীত প্ৰতিবাদকাৰীসকলে হাত হাতে দলীয় পতাকা লৈ উচ্ছেদ কাৰ্যক অমানৱীয় আখ্যা দি, ইয়াৰ বিৰুদ্ধে শ্ল'গান দি সমীপৰ ৰাজ্য চৰকাৰৰ শ্ৰম পৰিদৰ্শকৰ কাৰ্যালয় অভিমুখে আগবাঢ়ে। আনহাতে, শ্ৰম পৰিদৰ্শকৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদকাৰীসকলে ঠাইতে এখন পথসভাৰো আয়োজন কৰে। উক্ত পথসভাত প্ৰবীণ চিপিআই (এম) নেতা চিত্তৰঞ্জন দাস আৰু অক্ষয় কুমাৰ ডেকাই ভাষণ দি চৰকাৰী এই উচ্ছেদ নীতিৰ বিৰুদ্ধে সৰব হৈ পৰে। চৰকাৰৰ নিবনুৱা খিলঞ্জীয়াক সংস্থাপিত কৰাৰ সলনি উচ্ছেদিত কৃষিভূমিসহ কৰ্প'ৰেট গোষ্ঠীক যে গতাব, সেয়া চৰকাৰী কৰ্মকাণ্ডই প্ৰমাণ কৰিছে বুলিও তেওঁলোকে ভাষণত কয়।

# মৰিয়নিত উপ-নিৰ্বাচনত চাৰি প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতাৰ সম্ভাৱনা

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৬ অক্টোবৰ ঃ** সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই মৰিয়ানিৰ উপ-নিৰ্বাচনৰ বাবে চাৰিটাকৈ দলে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। নিৰ্বাচনী মিত্ৰতাৰ সকলো সম্ভাৱনা নস্যাৎ কৰি ইতিমধ্যে ৰাইজৰ দলে সঞ্জীৱ গগৈৰ নাম ঘোণষা কৰাৰ পাছত বিজেপিৰ হৈ প্ৰাক্তন কংগ্ৰেছী ৰূপজ্যোতি কুৰ্মীক প্ৰাৰ্থিত্ব প্ৰদান কৰে। কংগ্ৰেছে লোহিত কোঁৱৰ (অভিজিত)ক প্ৰাৰ্থিত্ব প্ৰদান কৰে। আনহাতে, অসম সংগ্ৰামী মঞ্চয়ো গোপাল ঘাটোৱাৰক পুনৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। ফলত চাৰিজন প্ৰাৰ্থীৰ মাজত যুঁজ হোৱাৰ সম্ভাৱনা প্ৰৱল হৈ পৰিছে। উল্লেখ্য যে মৰিয়নিৰ প্ৰাক্তন বিধায়ক কুৰ্মীয়ে বিধায়ক পদ ত্যাগ কৰাৰ পাছত সমষ্টিটোত উপ-নিৰ্বাচনত আৱশ্যম্ভাৱী হৈ পৰিছিল। কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰা কুৰ্মীয়ে প্ৰত্যাশিতভাৱেই দলৰ পৰা প্ৰাৰ্থিত্ব লাভ কৰে। তাৰ বিপৰীতে এসময়ত কুৰ্মীৰ সোঁহাত স্বৰূপ কোঁৱৰে কংগ্ৰেছৰ পৰা টিকট লৈ ৰূপজ্যোতিৰ বিৰুদ্ধেই প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ৰূপজ্যোতি প্ৰথমবাৰ বিধায়ক হিচাপে নিৰ্বাচিত হওতে এই কোঁৱৰ আছিল তেওঁৰ অন্যতম শক্তি। আনহাতে, ৰাইজৰ দলে প্ৰাৰ্থিত্ব দিয়া গগৈয়ে এসময়ত কংগ্ৰেছৰ নেতা আছিল। তেওঁ কংগ্ৰেছৰ পৰা প্ৰতিনিধিত্ব কৰি লাহিং জিলা পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। কিন্তু ৰূপজ্যোতিৰ স'তে মতানৈক্য হৈয়েই কংগ্ৰেছ ত্যাগ কৰিছিল সঞ্জীৱে। এইবাৰ তিনিও প্ৰত্যক্ষ প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ইয়াৰ বিপৰীতে অসম সংগ্ৰামী মঞ্চৰ হৈ গোপাল ঘাটোৱাৰে বিগত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল যদিও শোচনীয়ভাৱে পৰাজিত হৈছিল। এইবাৰ পুনৰ তেওঁকেই দলে প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

## ভৱানীপুৰত আজি মনোনয়ন দাখিল কৰিব খাম্ফা খুংগুৰ গয়াৰীয়ে

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৬ অক্টোবৰ ঃ** উপ-নিৰ্বাচনৰ বাবে ভৱানীপুৰ সমষ্টিত কাইলৈ নিৰ্দলীয় প্ৰাৰ্থীৰূপে খাম্ফা গয়াৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰিব। গয়াৰীয়ে আজি শালবাৰীত এক সংবাদমেল এই বিষয়ে সদৰী কৰে। ব্যক্তিগতভাৱে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ ইচ্ছা নথকাৰ বিষয়ে ব্যক্ত কৰি তেওঁৰ সমৰ্থক আৰু একাংশ অনুৰাগীৰ দাবীত প্ৰতি সন্মান জনাইহে তেওঁ নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱাৰ বিষয়ে মন মেলা বুলি কয়। সমষ্টিটোৰ বড়ো ভোটাৰৰ ২৫ হেজাৰেই তেওঁৰ সপক্ষে ভোটদান কৰিব বুলি তেওঁ দাবী কৰি পুনৰ কয় আন জনগোষ্ঠীৰো ভোট লাভ কৰিব। গয়াৰীয়ে বিজয় এশ শতাংশই নিশ্চিত বুলি দাবী কৰে কয় যে আৰু এঢাপ ওপৰলৈ গৈ বিধায়ক হিচাপে পোৱা তেওঁৰ দৰমহাৰ সকলো ধনেই প্ৰতিমাহে সমষ্টিটোৰ একো একোখন গাঁৱৰ উন্নয়নৰ বাবে ব্যয় কৰিব।



## ‘ৰামায়ণ’ত ‘ৰাৱণ’ৰ চৰিত্ৰত অভিনয় কৰা অৰবিন্দ ত্ৰিবেদী প্ৰয়াত

**নিউজ ব্যুৰ’, আহমেদাবাদ, ৬ অক্টোবৰ ঃ** ৰামানন্দ সাগৰ পৰিচালিত টেলিভিছনৰ এসময়ৰ জনপ্ৰিয় ধাৰাবাহিক ‘ৰামায়ণ’ত ৰাৱণৰ চৰিত্ৰত অভিনয় কৰা অৰবিন্দ ত্ৰিবেদীৰ মৃত্যু হ’ল। মঙলবাৰে নিশা ৮২ বছৰীয়া অভিনেতাজনে চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। হৃদৰোগত আক্ৰান্ত হোৱা ত্ৰিবেদীৰ একাধিক অংগ বিকল হোৱাৰ ফলত মৃত্যু হয়। ‘ৰামায়ণ’ৰ লগতে আন কে’বাখনো চলচ্চিত্ৰতো অভিনয় কৰিছিল গুজৰাটৰ এইজন অভিনেতাই। অভিনয়ৰ লগতে ৰাজনীতিতো জড়িত হোৱা ত্ৰিবেদীয়ে ১৯৯১ত সবৰকণ্ঠ সমষ্টিৰ পৰা বিজেপিৰ টিকটত লোকসভাৰ সাংসদ নিৰ্বাচিত হৈছিল।

## পূজাত নতুন চমক দিলে মমতাই ঃ এইবাৰ গালে গীত

**নিউজ ব্যুৰ’, কলকাতা, ৬ অক্টোবৰ ঃ** এখন ৰাজ্যৰ মুখ্যমন্ত্ৰী হোৱাৰ পাছতো পূৰ্বে মমতা বেনাৰ্জীয়ে গ্ৰন্থ ৰচনা কৰিছিল, কবিতা লিখিছিল, গান লিখিছিল আৰু গীতৰ সুৰো ৰচিছিল। কিন্তু এইবাৰ গীতত কণ্ঠদান কৰিলে পশ্চিমবংগৰ মুখ্যমন্ত্ৰীগৰাকীয়ে। দুৰ্গা পূজাৰ পূৰ্বে আজি মহালয়াৰ দিনটোতে উন্মোচিত হ’ল মুখ্যমন্ত্ৰী মমতাই কণ্ঠদান কৰা উক্ত গীতৰ এলবাম। উল্লেখ্য যে কণ্ঠদান কৰা গীতটো মমতাই নিজে লিখাৰ লগতে ইয়াৰ সুৰো তেওঁ ৰচনা



কৰিছিল। আজি মহালয়াৰ দিনা নজৰুল মঞ্চত জাগো বাংলাৰ উৎসৱত মমতাৰ এই গীতৰ এলবাম আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। এই এলবামৰ নাম ৰখা হৈছে ‘জননী’। এলবামত মমতাই লিখা মুঠ আঠটা গীত আছে। আঠটা গীতৰ এটাত কণ্ঠদান কৰিছে পশ্চিমবংগৰ মুখ্যমন্ত্ৰীগৰাকীয়ে। আন গীতকেইটাত কণ্ঠদান কৰিছে ইন্দ্ৰনীল সেন, নচিকেতা, শ্ৰীৰাধা বন্দ্যোপাধ্যায়, ৰূপঙ্কৰ, মনোময় ভট্টাচাৰ্য, দেৱজ্যোতি মিশ্ৰ আৰু তৃষাই।

## পেণ্ডু’ৰা পেপাৰ্ছ, আই চি আই জে-ৱাশ্বিংটন প’ষ্টৰ বিৰুদ্ধে মানহানিৰ গোচৰ

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ৬ অক্টোবৰ ঃ** চাঞ্চল্য সৃষ্টিকাৰী পেণ্ডু’ৰা পেপাৰ্ছ কেলেংকাৰি ফাদিল কৰা ইণ্টাৰনেচনেল কনচ’ৰ্টিয়াম অৱ ইনভেষ্টিগেটিভ জাৰ্ণেলিষ্ট (আই চি আই জে) আৰু ‘দ্য ৱাশ্বিংটন প’ষ্ট’ৰ বিৰুদ্ধে মানহানিৰ অভিযোগ উত্থাপন কৰিলে জৰ্দানৰ শ্বাহ অব্দুল্লা দ্বিতীয়ই। প্ৰকাশিত বাতৰি অনুসৰি, অব্দুল্লা দ্বিতীয়ই ইতিমধ্যে আই চি আই জে আৰু ‘দ্য ৱাশ্বিংটন প’ষ্ট’ৰ বিৰুদ্ধে মানহানিৰ গোচৰ তৰিবলৈ আমেৰিকাৰ এটা আইন প্ৰতিষ্ঠানক দায়িত্ব অৰ্পণ কৰিছে। অব্দুল্লা দ্বিতীয়ই তেওঁৰ বিত্তীয় লেনদেন আৰু সা-সম্পত্তিৰ সন্দৰ্ভত পেণ্ডু’ৰা পেপাৰ্ছে অসত্য তথ্য প্ৰকাশ কৰাৰ অভিযোগৰে কথিত মানহানিৰ বাবদ বৃহৎ পৰিমাণৰ বিত্তীয় ক্ষতিপূৰণ দাবী কৰিব।



পেণ্ডু’ৰা পেপাৰ্ছৰ প্ৰতিবেদনত দাবী কৰা অনুসৰি, অব্দুল্লা দ্বিতীয়ই বিদেশৰ কোম্পানীত বৃহৎ পৰিমাণৰ ধন বিনিয়োগ কৰিছিল আৰু কৰ ফাকি দি আহিছে। জৰ্দানৰ এইজন শ্বাহে বিদেশত যথেষ্ট পৰিমাণৰ সা-সম্পত্তি ক্ৰয় কৰাৰ তথ্যও পেণ্ডু’ৰা পেপাৰ্ছে প্ৰতিবেদনত ফাদিল কৰিছিল।

## ছমাহৰ সৰ্বনিম্ন হ’ল কৰ’নাৰ সক্ৰিয় ৰোগী, মৃত্যু বৃদ্ধিত উদ্বেগ বাহাল



**নিউজ ব্যুৰ’, নতুন দিল্লী, ৬ অক্টোবৰ ঃ** উৎসৱৰ বতৰতে দেশত পুনৰ বৃদ্ধি পালে কৰ’নাৰ দৈনিক মৃত্যুৰ সংখ্যা। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ১৮,৮৩৩ জন লোক নতুনকৈ কৰ’নাত আক্ৰান্ত হ’ল। ইফালে, বিগত এদিনত পুনৰ ২৭৮ জন লোকৰ প্ৰাণ কাঢ়িলে কৰ’নাই। অতিমাৰীৰ সমগ্ৰ পৰ্বটোত ভাৰতত চাৰি লাখ ৪৯ হেজাৰ ৫৩৮ জন লোকৰ মৃত্যু হ’ল। দেশত তিনি কোটি ৩৮ লাখ ৭১ হেজাৰ ৮৮১ জন লোক বৰ্তমানলৈকে ক’ভিডত আক্ৰান্ত হৈছে। বৰ্তমানে ভাৰতত দুই লাখ ৪৬ হেজাৰ ৬৮৭ জন সক্ৰিয় ৰোগী আছে আৰু বিগত চাৰে ছমাহৰ পাছত দেশত সক্ৰিয় ৰোগীৰ সংখ্যা সৰ্বনিম্ন হ’ল।

### তৃতীয় সম্ভাৱ্য ঢৌৰ সন্দৰ্ভত কি ক’লে এইমছ্‌ৰ মুৰব্বীয়ে? প্ৰতি মুহূৰ্ততে সঠিকভাৱে ক’ভিড বিধি মানি চলক

# উৎসৱৰ বতৰতে ভাৰতত আগমন হ’ব পাৰে নতুন সংক্ৰমণ

**নিউজ ব্যুৰ’ নতুন দিল্লী, ৬ অক্টোবৰ ঃ** উৎসৱৰ দিন চমু চাপি অহাৰ লগে লগে দেশত কৰ’না মহামাৰীৰ তৃতীয় ঢৌৰ আশংকাও ক্ৰমে বৃদ্ধি পাইছে। স্মৰ্তব্য যে ভাৰতত ক’ভিডৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৰ আগমনে উৎসৱৰ বতৰতে আৰম্ভ হৈছিল। চলিত বৰ্ষৰ মাৰ্চত হোলীৰ পাছতে দেশত কৰ’নাৰ সংক্ৰমণ পুনৰ ঊৰ্ধ্বমুখী হৈছিল। ইয়াৰ পাছতে এক-ডেৰমাহৰ ভিতৰতে কৰ’নাৰ সংক্ৰমণে সবাতোকৈ ভয়াৱহ ৰূপ ধাৰণ কৰিছিল। সম্প্ৰতি দেশৰ ক’ভিড পৰিস্থিতি নিয়ন্ত্ৰণত আছে যদিও বিশেষজ্ঞসকলৰ মতে, ভাৰতত উৎসৱৰ বতৰতে পুনৰ তৃতীয়টো ঢৌৰ আগমনৰ যথেষ্ট শংকা আছে। এই সন্দৰ্ভত পুনৰ দেশবাসীক কিছু পৰামৰ্শ দিলে দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ্)ৰ মুৰব্বী ডাঃ ৰণদীপ গুলেৰিয়াই। ডাঃ গুলেৰিয়াই দেশবাসীক আহ্বান জনাই কয়, ‘আপোনালোকে উৎসৱ পালন কৰক, আনন্দ উপভোগ কৰক, কিন্তু ধ্যান ৰাখিব যাতে উৎসৱে ঘৰলৈ আনন্দহে আনে, কৰ’নাক নহয়। আপোনালোকে এনেদৰে উৎসৱ পালন কৰক যাতে ক’ভিডৰ সংক্ৰমণ পুনৰ বিয়পি নপৰে। ক’ভিড বিধি সঠিকভাৱে পালন কৰক। আমি উৎসৱ পালন কৰাৰ ফলত যাতে আমাৰ অঞ্চলটোত পুনৰ আক্ৰান্তৰ সংখ্যা বৃদ্ধি নাপায় আৰু চিকিৎসাধীন হ’ব লগা নহয় তাৰ প্ৰতি সকলোৱে সাৱধান হ’ব লাগিব। অন্যথা এই উৎসৱসমূহে নেতিবাচক প্ৰভাৱ পেলাব। সেয়েহে মই আপোনালোকক কওঁ যে উৎসৱ পালন কৰক, কিন্তু সঠিকভাৱে ক’ভিড বিধি মানি চলক।’ ডাঃ গুলেৰিয়াই লগতে কয় যে সকলোৱে এই কথা ভালদৰে জনা উচিত যে কৰ’নাই এতিয়াও দেশৰ পৰা বিদায় লোৱা নাই আৰু সেয়েহে প্ৰতিজন ব্যক্তিয়ে উৎসৱৰ বতৰত প্ৰতি মুহূৰ্ততে মাস্ক পৰিধান কৰা, ছেনিটাইজাৰ ব্যৱহাৰ কৰা আৰু ভিৰৰ পৰা আঁতৰি থকাটো অত্যন্ত জৰুৰী। অন্যথা দেশত উৎসৱৰ বতৰতে পুনৰ ক’ভিডৰ তৃতীয়টো ঢৌৰ আগমন ঘটিব পাৰে বুলি এইমছ্‌ৰ মুৰব্বীগৰাকীয়ে দেশবাসীক সকীয়াই দিয়ে।





## সোমনাথ মন্দিৰ ধ্বংসকাৰী মাহমুদ গজনভীক প্ৰশংসা তালিবান নেতা হক্কানীৰ

**নিউজ ব্যুৰ’, কাবুল, ৬ অক্টোবৰ ঃ** তালিবান নেতা অনছ হক্কানীয়ে কালি মাহমুদ গজনভীৰ সমাধিস্থল পৰিদৰ্শন কৰিছিল। উল্লেখ্য যে গজনভীয়ে গুজৰাটত থকা সোমনাথ মন্দিৰত একাধিকবাৰ আক্ৰমণ চলাইছিল। হিন্দুৰ মন্দিৰ আক্ৰমণকাৰী গজনভীক এজন প্ৰসিদ্ধ মুছলমান যোদ্ধা আখ্যা দিলে অনছ হক্কানীয়ে। উল্লেখ্য যে অনছ হৈছে কুখ্যাত হক্কানী নেটৱৰ্কৰ তালিবানৰ নতুন গৃহমন্ত্ৰী চিৰাজুদ্দিন হক্কানীৰ কনিষ্ঠ ভ্ৰাতৃ। অনছে টুইট কৰি কয়, ‘আজি আমি দশম শতাব্দীৰ এজন প্ৰসিদ্ধ মুছলমান যোদ্ধা আৰু মুজাহিদ চুলতান মাহমুদ গজনভীৰ দৰগাহ দৰ্শন কৰিলো। গজনভীয়ে গজনীত এখন শক্তিশালী মুছলমান ৰাজ্য স্থাপন কৰিছিল আৰু সোমনাথৰ মূৰ্তি ধ্বংস কৰিছিল।’ উল্লেখ্য যে ৯৯৮ৰ পৰা ১০৩০ বৰ্ষলৈকে শাসন কৰা গজনভীয়ে সোমনাথ মন্দিৰত ১৭ বাৰ আক্ৰমণ চলাইছিল আৰু ১০২৪ বৰ্ষত মন্দিৰটোত লুটপাত চলাবলৈ সক্ষম হৈছিল। গজনভীয়ে এজন শাসক হিচাপে হিন্দুৰ মঠ-মন্দিৰ ধ্বংসক লক্ষ্য হিচাপে লৈছিল। এনে এজন ইতিহাসৰ কুখ্যাত শাসকক তালিবান নেতাই প্ৰসিদ্ধ মুছলমান যোদ্ধা আখ্যা দি কৰা মন্তব্যই ভাৰততো ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## ১৫ বছৰ পুৰণি গাড়ী চলালে ভৰিব লাগিব আঠগুণ অধিক ধন



**নিউজ ব্যুৰ’, নতুন দিল্লী, ৬ অক্টোবৰ ঃ** ১৫ বছৰৰ পুৰণি যানবাহনক দেশৰ ৰাজপথৰ পৰা বিদায় দিবলৈ কেন্দ্ৰীয় চৰকাৰে নানা নিয়ম-নীতি নিৰ্ধাৰণ কৰিছে। কেন্দ্ৰীয় পথ আৰু পৰিবহণ মন্ত্ৰণালয়ে ২০২১ৰ পহিলা এপ্ৰিলৰ পৰা দেশত পুৰণি গাড়ীৰ চলাচলৰ সন্দৰ্ভত কেতবোৰ নতুন নিয়ম বলৱৎ কৰিব। নতুন নিয়ম অনুসৰি ১৫ বছৰ পুৰণি কোনো গাড়ী যদিহে ফিটনেছ আৰু প্ৰদূষণ পৰীক্ষাত উত্তীৰ্ণ নহয়, তেন্তে সেইসমূহ গাড়ী ৰাজপথত চলাচল কৰিব নোৱাৰিব। ভাৰতত কমেও ১৭ লাখ পুৰণি বাণিজ্যিক যানবাহন কোনো বৈধ প্ৰমাণপত্ৰ অবিহনে চলাচল কৰা বুলিও তথ্য পোহৰলৈ আহিছে। ২০ বছৰৰ পুৰণি লঘু যানবাহন দেশত সম্প্ৰতি ৫১ লাখখন আছে। নতুন মটৰ চাইকেলৰ পঞ্জীয়ন মাচুল বৰ্তমানে প্ৰায় ৩০০ টকা। কিন্তু ১৫ বছৰ পুৰণি মটৰ চাইকেলৰ পঞ্জীয়ন নবীকৰণৰ বাবে আদায় দিব লাগিব প্ৰায় এহেজাৰ টকা। আনহাতে, নতুন গাড়ীৰ পঞ্জীয়ন মাচুল বৰ্তমানে ৬০০ টকা। কিন্তু ১৫ বছৰ পুৰণি গাড়ীৰ পঞ্জীয়ন নবীকৰণৰ বাবদ আদায় দিব লাগিব পাঁচ হেজাৰ টকা। পুৰণি গাড়ীৰ পঞ্জীয়ন মাচুল এইদৰে বৃদ্ধি কৰাৰ কাৰণ হৈছে যাতে দেশবাসীয়ে পুৰণি গাড়ী ৰাজপথত চলোৱাৰ পৰা বিৰত থাকে।

## এইবাৰ কাবুলত গুৰুদ্বাৰ লণ্ডভণ্ড কৰিলে তালিবানে



**নিউজ ব্যুৰ’, কাবুল, ৬ অক্টোবৰ ঃ** তালিবানৰ আমোলত আফগানিস্তানত পুনৰ চৰম নিৰ্যাতনৰ বলি হৈছে সংখ্যালঘু সম্প্ৰদায়। এইবাৰ কাবুলত গুৰুদ্বাৰত প্ৰৱেশ কৰি লুটপাত চলালে সশস্ত্ৰ তালিবান জেহাদীয়ে। গুৰুদ্বাৰৰ কে’বাজনো কৰ্মীকো তালিবানে আটক কৰি ৰখাৰ বাতৰি লাভ কৰা হৈছে। যোৱা নিশা কাবুলৰ প্ৰধান গুৰুদ্বাৰ কাৰ্টে পাৰৱানত তালিবান সদস্যই প্ৰৱেশ কৰি গুৰুদ্বাৰটো লণ্ডভণ্ড কৰিছিল। একাধিক তলা ভঙাৰ লগতে গুৰুদ্বাৰ চৌহদত থকা চিচি টিভি কেমেৰাও জেহাদীয়ে ভাঙি পেলায়। এই ঘটনাৰ পাছৰে পৰা অঞ্চলটোৰ সংখ্যালঘু বাসিন্দাসকল চৰম আতংকৰ মাজত আছে। উল্লেখ্য যে যোৱা ১৫ আগষ্টত কাবুল দখলৰ পাছত তালিবানে প্ৰতিশ্ৰুতি দি কৈছিল যে তেওঁলোকে সংখ্যালঘুৰ ওপৰত অত্যাচাৰ নচলায়। কিন্তু কাৰ্যত তালিবানে প্ৰতিশ্ৰুতি ভংগ কৰি পূৰ্বৰ বৰ্বৰতা প্ৰদৰ্শন কৰিব ধৰিছে।

# যিকোনো মুহূৰ্ততে হ’ব পাৰে তৃতীয় বিশ্বযুদ্ধ ঃ গ্ল’বেল টাইমছ্‌ৰ সকীয়নি

### আমেৰিকাৰ শক্তি প্ৰদৰ্শনত ক্ষুব্ধ চীন

**নিউজ ব্যুৰ’ বেইজিং, ৬ অক্টোবৰ ঃ** টাইৱানৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে পাৰমাণৱিক বোমাবাহী যুঁজাৰু বিমান প্ৰেৰণৰে দাদাগিৰি প্ৰদৰ্শন কৰা চীনৰ চৰকাৰী সংবাদপত্ৰ ‘গ্ল’বেল টাইমছ্’-এ সকীয়নি দি ক’লে যে যিকোনো মুহূৰ্ততে বিশ্বত তৃতীয় বিশ্বযুদ্ধই দেখা দিব পাৰে। চীনৰ চৰকাৰী সংবাদপত্ৰখনে এই সকীয়নি এনে সময়ত দিলে যিসময়ত আমেৰিকা, ব্ৰিটেইন, কানাডা আৰু অষ্ট্ৰেলিয়াৰ নৌসেনাই ছাবমেৰিনসহ যৌথভাৱে দক্ষিণ চীন সাগৰত নিজৰ শক্তি প্ৰদৰ্শন কৰিছে। গ্ল’বেল টাইমছ্-এ কয় যে টাইৱান আৰু আমেৰিকাই একেলগ হৈ দুঃসাহস প্ৰদৰ্শন কৰিছে আৰু এনে দুঃসাহসিকতাৰ ফলত বিশ্বৰ স্থিৰতা ব্যাহত হ’ব পাৰে। টাইৱানক সহযোগিতা প্ৰদান কৰি অহা আমেৰিকাৰ স’তে যুদ্ধৰ বাবে চীন সম্পূৰ্ণ সাজু আছে বুলিও ‘গ্ল’বেল টাইমছ্’-এ বাতৰিত দাবী কৰিছে। চীনৰ চৰকাৰী সংবাদপত্ৰখনে টাইৱানকো সকীয়নি দি কয় যে দেশখনে আমেৰিকাৰ স’তে মিতিৰালি কৰি প্ৰকৃততে জুইৰ স’তেহে খেলা কৰিছে। উল্লেখ্য যে বিগত কিছুদিন ধৰি চীনে টাইৱানৰ আকাশমাৰ্গত চীনৰ বায়ুসেনাৰ যুঁজাৰু বিমান উৰুৱাই আহিছে। এনে এক পৰিস্থিতিতে দক্ষিণ চীন সাগৰত আমেৰিকা, ব্ৰিটেইন, জাপান আৰু অষ্ট্ৰেলিয়াই যৌথ সামৰিক অনুশীলনত অংশ লোৱাত স্বাভাৱিকতে চীন চিন্তিত হৈছে। দক্ষিণ চীন সাগৰত চীনে নিজৰ আধিপত্য দাবী কৰি আহিছে। চীনৰ এই দাবীক প্ৰত্যাহ্বান জনাবলৈকে আমেৰিকা, ব্ৰিটেইন, জাপান আৰু অষ্ট্ৰেলিয়াই দক্ষিণ চীন সাগৰত শেহতীয়াভাৱে নিজৰ শক্তি প্ৰদৰ্শন কৰিছে। চাৰি ৰাষ্ট্ৰৰ এই পদক্ষেপত উদ্বিগ্ন চীনে সেয়েহে যিকোনো মুহূৰ্ততে তৃতীয় বিশ্বযুদ্ধৰ আৰম্ভণি হ’ব পাৰে বুলি চৰকাৰী সংবাদ মাধ্যমৰ জৰিয়তে সকীয়নি দিলে।



## তালিবানৰ চৰকাৰ গঠনৰ পুৰস্কাৰ ঃ আই এছ আইৰ মুৰব্বীক পদোন্নতি পাকিস্তানত




**নিউজ ব্যুৰ’, ইছলামাবাদ, ৬ অক্টোবৰ ঃ** তালিবান সন্ত্ৰাসবাদীৰ আমন্ত্ৰণ ক্ৰমে আফগানিস্তানৰ ৰাজধানী কাবুললৈ গৈছিল পাকিস্তানৰ চোৰাংচোৱা সংস্থা আই এছ আইৰ মুৰব্বী জেনেৰেল ফইজ মহম্মদে। সেই সময়ত আফগানিস্তানত চৰকাৰ গঠনক লৈ তালিবানৰ ভিতৰচ’ৰাত যথেষ্ট সংঘাতৰ সৃষ্টি হৈছিল। এই বিষয়ত দ্ৰুত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত পাকিস্তানী চোৰাংচোৱা সংস্থাৰ মুৰব্বীজনে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। তালিবানক এখন চৰকাৰ গঠনৰ ক্ষেত্ৰত প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়াইছিল জেনেৰেল মহম্মদে। এইবাৰ তালিবানক চৰকাৰ গঠনত কৰা সহায়ৰ বাবে জেনেৰেল মহম্মদক পুৰস্কৃত কৰিলে পাকিস্তান চৰকাৰে। প্ৰকাশিত বাতৰি অনুসৰি, ইমৰান খানৰ চৰকাৰে জেনেৰেল মহম্মদক পেছোৱাৰৰ কৰ্পছ কমাণ্ডাৰৰ দায়িত্ব অৰ্পণ কৰিলে। আই এছ আইৰ নতুন মুৰব্বী হিচাপে পাকিস্তান চৰকাৰে নিযুক্তি দিলে নাদিম অঞ্জুমক। পেছোৱাৰৰ কৰ্পছ কমাণ্ডাৰৰ দায়িত্ব লাভৰ পাছত জেনেৰেল মহম্মদে আগন্তুক সময়ত পাকিস্তানৰ সেনা প্ৰধান হোৱাৰ পথ প্ৰশস্ত হ’ল। তালিবানক সহায় কৰিয়ে জেনেৰেল মহম্মদ এইদৰে পাকিস্তানত চৰকাৰৰ দ্বাৰা পুৰস্কৃত হ’ল বুলি চৰ্চিত হৈছে।

## টিকাকৰণৰ পাছত বিশ্বত ৩০ শতাংশ, আমেৰিকাত ৩৫ শতাংশ সংক্ৰমণ হ্ৰাস

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ৬ অক্টোবৰ ঃ** কৰ’নাই বিশ্বৰ পৰা বিদায় লোৱা নাই যদিও ইয়াৰ প্ৰকোপ সম্প্ৰতি বহুখিনি নিয়ন্ত্ৰিত হৈছে। বিগত কেইটামান দিনত বিশ্বৰ বিভিন্ন দেশত কৰ’না আক্ৰান্তৰ আৰু চিকিৎসালয়ত ভৰ্তি হোৱা লোকৰ সংখ্যা হ্ৰাস পাইছে। আমেৰিকাত যোৱা এক ছেপ্টেম্বৰৰ পৰা দৈনিক ক’ভিড আক্ৰান্তৰ সংখ্যা ৩৫ শতাংশ হ্ৰাস পাইছে। আনহাতে, যোৱা আগষ্টৰ তুলনাত ছেপ্টেম্বৰত বিশ্বত ক’ভিড আক্ৰান্তৰ সংখ্যা ৩০ শতাংশ হ্ৰাস পাইছিল। ইফালে, আমেৰিকাত যোৱা পহিলা ছেপ্টেম্বৰৰ পৰা চিকিৎসালয়ত ভৰ্তি হোৱা কৰ’না ৰোগীৰ সংখ্যা ২৫ শতাংশ হ্ৰাস পাইছে। যোৱা ২০ ছেপ্টেম্বৰৰ পাছত দেশখনত ক’ভিডত মৃতকৰ সংখ্যাও ১০ শতাংশ হ্ৰাস পাইছে। ‘ডেল্টা’ প্ৰজাতিৰ প্ৰভাৱ হ্ৰাস পোৱাৰ ফলত ভাৰত, ইন্দোনেছিয়া, থাইলেণ্ড, ফ্ৰান্স আৰু স্পেইনতো কৰ’নাত আক্ৰান্ত আৰু মৃতকৰ সংখ্যা সম্প্ৰতি যথেষ্ট হ্ৰাস পাইছে। চিকিৎসক-গৱেষকৰ মতে, ব্যাপক টিকাকৰণ আৰু গণসচেতনতাৰ ফলত বিশ্বত ক’ভিডৰ প্ৰকোপ সম্প্ৰতি হ্ৰাস পাইছে।





## কাশ্মীৰত ডেৰঘণ্টাত তিনিটা সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনা

**নিউজ ব্যুৰ’, শ্ৰীনগৰ, ৬ অক্টোবৰ ঃ** জম্মু-কাশ্মীৰত মঙলবাৰে তিনিটা পৃথক অঞ্চলত সন্ত্ৰাসবাদীয়ে আক্ৰমণৰ ঘটনা সংঘটিত কৰিলে। এই ঘটনাত মুঠ তিনিজন লোকৰ মৃত্যু হ’ল। মঙলবাৰে সন্ধিয়া শ্ৰীনগৰৰ ইকবাল পাৰ্কত থকা প্ৰতিষ্ঠিত ফাৰ্মাচী ব্যৱসায়ী মাখনলাল বিন্দ্ৰুক সন্ত্ৰাসবাদীয়ে ব্যৱসায়িক প্ৰতিষ্ঠানতে আক্ৰমণ চলাই হত্যা কৰিছিল। আনহাতে, লালবাজাৰ অঞ্চলত বিহাৰৰ এজন ফেৰিৱালাক সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰে। সন্ত্ৰাসবাদীৰ আক্ৰমণৰ বলি হোৱা ৬৮ বছৰীয়া মাখনলাল এজন কাশ্মীৰী পণ্ডিত আছিল। তৃতীয়টো আক্ৰমণত বান্দিপুৰাত সন্ত্ৰাসবাদীয়ে টেক্সি ইউনিয়নৰ এজন সভাপতিক হত্যা কৰে। কাশ্মীৰত সন্ত্ৰাসবাদীয়ে পুনৰ কাশ্মীৰী পণ্ডিতক আক্ৰমণৰ লক্ষ্য হিচাপে লোৱা ঘটনাই ৰাজ্যখনত চাঞ্চল্যৰ সৃষ্টি কৰিছে। সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা কাশ্মীৰী পণ্ডিত মাখনলালে যোৱা শতিকাৰ ৯০ দশকত সন্ত্ৰাসবাদীৰ ভাবুকিৰ পাছতো কাশ্মীৰ ত্যাগ কৰা নাছিল।

## পুনৰ বিতৰ্কত ফে’চবুক ঃ জুকাৰবাৰ্গৰ বিৰুদ্ধে প্ৰাক্তন কৰ্মীৰ গুৰুতৰ অভিযোগ



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ৬ অক্টোবৰ ঃ** গোপনীয় নথিপত্ৰ ফাদিল হোৱাৰ পাছত ফে’চবুকৰ বিৰুদ্ধে ব্যৱহাৰকাৰীৰ সুৰক্ষাক লৈ খেলা কৰাৰ অভিযোগ উত্থাপিত হ’ল। কিছুদিন পূৰ্বে ফে’চবুকৰ আভ্যন্তৰীণ কিছুমান অতি গুৰুত্বপূৰ্ণ নথিপত্ৰ ফ্ৰান্সেছ হ’গেন নামৰ এজন ব্যক্তিয়ে ফাদিল কৰিছিল। উল্লেখ্য যে ফ্ৰান্সেছে পূৰ্বে ফে’চবুকত কাম কৰিছিল। ফ্ৰান্সেছে শেহতীয়াভাৱে উত্থাপন কৰা অভিযোগ অনুসৰি ফে’চবুকে ধন উপাৰ্জনৰ উদ্দেশ্যৰে ইয়াৰ ব্যৱহাৰকাৰীৰ গোপনীয়তা ভংগ কৰাৰ লগতে নিৰাপত্তাকো সংকটাপন্ন কৰিছিল। ফ্ৰান্সেছৰ এই অভিযোগৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে ফে’চবুকৰ মুখ্য কাৰ্যবাহী বিষয়া মাৰ্ক জুকাৰবাৰ্গে। ফ্ৰান্সেছৰ এই অভিযোগ অস্বীকাৰ কৰি জুকাৰবাৰ্গে কয় যে ফে’চবুকে ব্যৱহাৰকাৰীসকলৰ নিৰাপত্তাৰ প্ৰতি সদায়ে গুৰুত্ব আৰোপ কৰি আহিছে। ফে’চবুক ব্যৱহাৰকাৰীৰ তথ্যপাতিৰ গোপনীয়তা মেছেজিং এপটোৱে সদায় সুৰক্ষিত ৰাখিছে বুলিও জুকাৰবাৰ্গে দাবী কৰে। ফ্ৰান্সেছে এটা টেলিভিছন চেনেলৰ স’তে হোৱা সাক্ষাৎকাৰত এইদৰে কৈছিল, ‘মই ফে’চবুকত যোগদান কৰিছিলো কিয়নো আশা কৰিছিলো মই ইয়াৰ জৰিয়তে বিশ্বত কিবা এটা ভাল কাম কৰিব পাৰিম। কিন্তু মই ফে’চবুক ত্যাগ কৰিবলৈ বাধ্য হ’লো, কিয়নো ফে’চবুকে এনে কিছুমান বিষয়ক অগ্ৰাধিকাৰ দিছিল যিসমূহ শিশুৰ বাবে অতি ক্ষতিকাৰক। এনে এপে সমাজক বিভাজন বৃদ্ধি কৰাৰ লগতে গণতন্ত্ৰক বিপদত পেলাইছে।’ ফ্ৰান্সেছৰ অভিযোগ অনুসৰি, ফে’চবুকে কেৱল মুনাফা অৰ্জনৰ বাবে এই এপটোৱে ব্যৱহাৰকাৰীৰ গোপনীয়তা ভংগ কৰি আহিছে।

## তালিবানৰ ঘোষণা, বিগত ২০ বছৰত গ্ৰহণ কৰা ডিগ্ৰী মূল্যহীন

**নিউজ ব্যুৰ’, কাবুল, ৬ অক্টোবৰ ঃ** আফগানিস্তানৰ তালিবান চৰকাৰে উচ্চ শিক্ষাৰ ক্ষেত্ৰত নতুন নিৰ্দেশনা জাৰি কৰিলে। এই নিৰ্দেশনা অনুসৰি, দেশখনত বিগত ২০ বছৰত যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিলে, সেইসমূহ ডিগ্ৰীৰ স্বীকৃতি বাতিল কৰা হৈছে। আফগানিস্তানৰ উচ্চ শিক্ষা মন্ত্ৰী অব্দুল বাকী হক্কানীয়ে এই ঘোষণা কৰি কয়, ‘আশ্ৰফ ঘানি বা হামিদ কাৰজাইৰ চৰকাৰৰ দিনত যিসকল ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ বিভিন্ন ডিগ্ৰী আহৰণ কৰিছিল, সেইসমূহ ডিগ্ৰীৰ মান্যতা বাতিল কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই সিদ্ধান্তৰ কাৰণ হৈছে এইসমূহ চৰকাৰৰ দিনত শিক্ষা ক্ষেত্ৰত মজহবী দিশটোক আওকাণ কৰা হৈছিল।’ ২০০০ৰ পৰা ২০২০ৰ সময়ছোৱাত বিভিন্ন ডিগ্ৰী গ্ৰহণ কৰা



লোকসকলক শিক্ষাগত অৰ্হতাৰ ভিত্তিত কোনো চৰকাৰী পদত নিযুক্তি দিয়া নহ’ব বুলিও মন্ত্ৰীজনে স্পষ্ট কৰি দিছে। হক্কানীয়ে লগতে কয় যে পি এইচ ডি লাভ কৰা ব্যক্তিতকৈও মাদ্ৰাছাৰ শিক্ষা লাভ কৰা ব্যক্তি অধিক শিক্ষিত।

অসম চৰকাৰ
GOVERNMENT OF ASSAM

## Government of Assam launches

# Assam Right to Public Services Web Portal

**www.rtps.assam.gov.in**

A web portal for electronic delivery of notified public services

XOHARI

Assam Right to Public Services Act, 2012 (as amended in 2019) has been passed to provide time-bound public services to the citizens of Assam. The launching of the ARTPS web portal is aimed at providing notified public services electronically to the citizens under this Act.

Citizens can now conveniently apply for notified public services online through the web portal.

## Services active in the web portal are given below:

(more services will be included in due course of time)

| Sl. No. | Department/ Council | Services |
|---|---|---|
| 1. | Revenue and Disaster Management Department | • Marriage Registration<br>• Registration of property documents<br>• Mutation of property ownership<br>• Certified copy of land records<br>• Non-encumbrance certificate<br>• Certified copy of registered sale deeds<br>• Certified copy of Mutation Order<br>• Perfect Partition<br>• NoC for Reclassification of Land<br>• NoC for Reclassification cum Transfer<br>• NoC for Transfer of Immovable Property |
| 2. | Guwahati Municipal Corporation | • Payment of Animal Tax<br>• Trade License for veterinary<br>• Cesspool Services<br>• Issuance of certificate for Dog registration<br>• Holding mutation<br>• Assessment of Holding |
| 3. | Secondary Education Department | • Issue of Migration Certificate by SEBA<br>• Issue of Migration Certificate by AHSEC |
| 4. | Welfare of Plain Tribes and Backward Classes Department | • Non Creamy Layer Certificate<br>• Schedule Caste Certificate |
| 5. | Transport Department | • Duplicate Vehicle Registration for Transport<br>• Duplicate Vehicle Registration for Non-Transport<br>• Ownership Transfer for Non-Transport/Transport Vehicle<br>• NOC for transfer of record of registration to other Registering Authority<br>• Certificate of Fitness for Transport vehicles |
| 6. | Inland Water Transport Department | • Registration of Vessels and Boats<br>• Renewal of Certificate of Survey<br>• Certificate of Competency |
| 7. | Skill, Employment & Entrepreneurship Department | • Registration of employment seeker in Employment Exchange<br>• Renewal of Registration Card of employment seeker in Employment Exchange<br>• Re-registration of Registration Card of employment seeker in Employment Exchange |
| 8. | Dima Hasao Autonomous Council | • NOC for immovable properties<br>• Jamabandi copy<br>• Permanent Residential Certificate (PRC) |
| 9. | Karbi Anglong Autonomous Council | • Certified Copy of Jamabandi<br>• Duplicate Copy of Land Patta<br>• Land Valuation Certificate<br>• Non Encumbrance Certificate<br>• Issuance of Land Holding Certificate<br>• Issuance of Income Certificate<br>• Certified copies of Chitha<br>• Issuance of Trace Map<br>• Land Revenue Clearance Certificate |
| 10. | Bodoland Territorial Council | • Registration of Establishment under the Assam Shops & Establishment Act,1971 in FORM O<br>• Renewal of Establishment under the Assam Shops & Establishment Act,1971 in FORM O<br>• Registrations of Partnership firms |

### Highlights of the web portal

- Online application of Services
- SMS alerts to applicant and Designated officials
- Information repository of RTPS Services
- Acknowledgement receipt on application submission
- Dashboard for real time monitoring
- Online tracking of status of application
- Process automation
- Online appeal provision for non-delivery/ delay in providing services
- Lodge online grievance


KNOW. APPLY. AVAIL!

FOR MORE INFORMATION/ ASSISTANCE
Call ARTPS Helpline
1800-345-3574

FOLLOW US ON
Assam State Citizen Service Delivery Project
ACCSDP ARIAS Society
@accsdp_assam

**Issued in public interest by:**
Administrative Reforms, Training, Pension and Public Grievances Department, Government of Assam
under the World Bank-financed Assam Citizen-Centric Service Delivery Project (ACCSDP), ARIAS Society

## ছয়গাঁৱৰ শিল্পী ভাস্কৰ বড়োৰ নাটকৰ আখৰা চলি থকাৰ সময়তে মৃত্যু



**ছয়গাঁও, ৬ অক্টোবৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ বিশিষ্ট শিল্পী ভাস্কৰ বড়ো (৪৮)ৰ যোৱা নিশা মৃত্যু হয়। ছয়গাঁৱৰ এজন সু-অভিনেতা, কণ্ঠশিল্পীৰ লগতে বাদ্য শিল্পী হিচাপে বড়োৰ সুনাম আছিল। নিশা ছয়গাঁৱৰ ওচৰৰ পানীখাইতিৰ এখন যাত্ৰাপাৰ্টিত আখৰা চলি থকাৰ সময়তে হঠাৎ অসুস্থ হৈ পৰে শিল্পীজনে। লগে লগে তেওঁক ছয়গাঁৱৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ চিকিৎসাৰ বাবে নিয়া হয় যদিও অৱস্থা শোচনীয় হৈ পৰাত উন্নত চিকিৎসাৰ বাবে জি এম চি হাস্পতাললৈ প্ৰেৰণ কৰে যদিও আদবাটতে তেওঁৰ মৃত্যু হয়। উল্লেখ্য যে বড়োৱে দক্ষিণ কামৰূপৰ কে'বাখনো যাত্ৰাপাৰ্টিত অভিনয় কৰাৰ উপৰি গীত গোৱাৰ লগতে বাদ্যও বজাইছিল। এগৰাকী সুদক্ষ অভিনেতা হিচাপে অঞ্চলটোত বহু সুনাম আছিল বড়োৰ। তেওঁৰ মৃত্যুত ছয়গাঁৱৰ বিষ্ণুজ্যোতি নাট্য গোষ্ঠীৰ প্ৰযোজক তথা সাংবাদিক বিপুল দাস, ছয়গাঁও শিল্পী সুৰক্ষা পৰিষদ, ছয়গাঁও শিল্পী সমাজ, প্ৰভাতী সুৰুজ নাট্যগোষ্ঠীকে ধৰি কে'বাটাও দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। আনহাতে, পুৱা তেওঁৰ মৃতদেহটো ছয়গাঁও শিল্পী সমাজৰ কাৰ্যালয়লৈ আনি শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে শোভাযাত্ৰাৰে তেওঁৰ মৃতদেহ ছয়গাঁৱৰ পৰা ঘৰলৈ লৈ যায়।

## ■ গোসাঁইগাঁৱত অভিভাৱক মন্ত্ৰী অশোক সিংহাল
## ■ বিপিএফ দল চাৰি নম্বৰত থাকিব
# ইউপিপিএল-বিজেপিৰ জয় নিশ্চিত

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ/গোসাঁইগাঁও, ৬ অক্টোবৰ ঃ** গোসাইগাঁও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন সমাগত। নিৰ্বাচনক লৈ ব্যস্ত হৈ পৰিছে শাসক-বিৰোধী। দিনে-নিশাই চলিছে নিৰ্বাচনী প্ৰচাৰ অভিযান। শাসক-বিৰোধীয়ে তীব্ৰ গতিত চলাই গৈছে নিৰ্বাচনী প্ৰচাৰ অভিযান। এই ক্ষেত্ৰত পিছপৰি থকা নাই শাসক বিজেপি-ইউপিপিএল, অগপ, জিএছপি মিত্ৰ দল। চাৰিও দলৰ যৌথ প্ৰাৰ্থীগৰাকীক জয়ী কৰাৰ বাবে প্ৰস্তুত কৰিছে ৰাজনৈতিক কৌশল। উপ-নিৰ্বাচন উপলক্ষে আজি গোসাইগাঁও মহকুমা সদৰ চহৰৰ মাজমজিয়াত ইউপিপিএলৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। কাৰ্যালয় মুকলি কৰে অভিভাৱক মন্ত্ৰী তথা গোসাইগাঁও সমষ্টিৰ উপ-নিৰ্বাচনৰ দায়িত্বত থকা অশোক সিংহাল। কাৰ্যালয় মুকলি কৰাৰ পাছত এখন কৰ্মী সভা অনুষ্ঠিত হয়। কৰ্মী সভাখনত বিজেপি, ইউপিপিএল, জিএছপিৰ নেতা কৰ্মীসকলে দলীয় প্ৰাৰ্থীক বিপুল ভোটত জয়ী কৰাৰ প্ৰস্তুতি গ্ৰহণ কৰে। মন্ত্ৰী সিংহালে কয় যে ইউপিপিএল-বিজেপি, জিএছপি, অগপৰ যৌথ প্ৰাৰ্থী জিৰণ বসুমতাৰীৰ জয় নিশ্চিত হৈ পৰিছে। প্ৰাৰ্থীগৰাকী কমেও ২৫ হেজাৰ ভোটত জয়ী হ'ব সেয়া আজি ভোটাৰ ৰাইজে প্ৰমাণিত কৰিছে। গোসাইগাঁও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিপিএফৰ প্ৰাৰ্থী গৰাকী চাৰি নম্বৰত থাকিব। বিজেপিৰ লগত বিপিএফৰ কোনো সম্পৰ্ক নাই। বিপিএফে বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰীৰ স'তে বিশ্বাসঘাতকতা কৰিছে। সম্পৰ্ক বিপিএফে নষ্ট কৰিছে। সেইবাবে বিজেপিৰ লগত বিপিএফৰ কোনো ধৰণৰ সম্পৰ্ক নাই বুলি তেওঁ স্পষ্ট কৰি দিয়ে। তেওঁ কয় যে এই বেলি গোসাইগাঁও সমষ্টিত উপ নিৰ্বাচনৰ উন্নয়ন হৈছে মূল ইছু। বিগত সময়ছোৱাত গোসাইগাঁও বিধানসভা সমষ্টিত তেনে কোনো উন্নয়ন হোৱা নাই। উন্নয়নৰ ওপৰত গুৰুত্ব দি প্ৰচাৰ অভিযান চলোৱা হ'ব। অকল সেয়া নহয় বিজেপিয়ে কৰা উন্নয়ন আৰু নীতি আদৰ্শৰ ওপৰত ভিত্তি কৰি ঘৰে ঘৰে গৈ প্ৰচাৰ কৰা হ'ব। কাইলৈ মনোনয়ন পত্ৰ দাখিলৰ পাছত আৰম্ভ হ'ব নিৰ্বাচনী প্ৰচাৰ অভিযান।

## কৃষক সভাৰ উত্তাল প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৬ অক্টোবৰ ঃ** বিকল্প ব্যৱস্থা অবিহনে সকলো প্ৰকাৰৰ উচ্ছেদ বন্ধ, উচ্ছেদিতসকলক ক্ষতিপূৰণ তথা পুনৰ সংস্থাপনৰ দাবীত আৰু উত্তৰ প্ৰদেশৰ কৃষক হত্যাৰ প্ৰতিবাদত গোৱালপাৰা জিলাৰ ৰাক্ষসিনী মিলনপাৰাত আজি কৃষক সভাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৰ প্ৰায় শতাধিক পুৰুষ-মহিলাই বেনাৰ আৰু প্লেকাৰ্ডেৰে সুসজ্জিত হৈ চৰকাৰ বিৰোধী শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীত ভাষণ প্ৰদান কৰে বামপন্থী নেতা ননী দাস, অজিত কুমাৰ ডালু আৰু বীৰেন হাজঙে।

## প্ৰাক্তন আছু নেতা আহচান উল্লাহৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**
**হাজো, ৬ অক্টোবৰ ঃ** প্ৰাক্তন আছু নেতা, সমাজকৰ্মী তথা হাজোৰ ৰাজাবজাৰ শইকীয়াপাৰাৰ আহচান উল্লাহ (৫৩)ৰ আজি বিয়লি তিনি বজাত নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৩ বছৰ। দীৰ্ঘদিন ধৰি তেওঁ বৃক্ক ৰোগত আক্ৰান্ত হৈ নিজ গৃহতে শয্যাশায়ী হৈ আছিল। উল্লেখ্য যে ১৯৯২-৯৩ত তেওঁ হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি পদত অধিষ্ঠিত হৈছিল। পৰৱৰ্তী সময়ত তেওঁ কামৰূপ জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক আৰু উপদেষ্টা হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ তেওঁ আছিল প্ৰথম আলোচনী সম্পাদক। মৃত্যুৰ সময়লৈকে তেওঁ হাজোৰ বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস, আছু নেতা ইমদাদুৰ ৰহমান, অসম যুৱ পৰিষদ কামৰূপ জিলা সমিতিৰ সাধাৰণ সম্পাদক আতাউৰ ৰহমান, হাজো আছু, দমদমা আছু, পশ্চিম বংশৰ আছু, কামৰূপ জিলা আছু, হাজো সাংবাদিক সন্থা, অজাপ নেতা দুলু আহমেদ, প্ৰাক্তন সমবায় মন্ত্ৰী নুৰুল হুছেইনকে ধৰি বিভিন্ন ব্যক্তি-দল-সংগঠনে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই কন্যাক এৰি যায়।

## ঘগ্ৰাপাৰত দিহজাৰীত দিব্যাংগৰ পৰীক্ষণ শিবিৰ অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৬ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে সেৱা আৰু সমৰ্পণ অভিযানৰ অংশ স্বৰূপে আজি বড়িগোগ বনভাগ মণ্ডল সমিতিৰ উদ্যোগত আৰু নলবাৰী স্বাস্থ্য বিভাগৰ সহযোগত ঘগ্ৰাপাৰৰ-দিহজাৰী গাঁও পঞ্চায়তত এটা দিব্যাংগসকলৰ বাবে পৰীক্ষণ শিবিৰ অনুষ্ঠিত হয়। অনুষ্ঠান মুকলি কৰে নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰে। বিজেপি চৰকাৰে ৰাইজৰ কাৰণে বিভিন্ন অভিলাষী আঁচনি গ্ৰহণ কৰাৰ লগতে দিব্যাংগসকলৰ বাবেও বিশেষ গুৰুত্ব দিয়া বুলি সদৰী কৰে ডাঃ তালুকদাৰে। নলবাৰী স্বাস্থ্য বিভাগৰ চিকিৎসা-কৰ্মচাৰীৰ লগতে বড়োগোগ বনভাগ মণ্ডল বিজেপিৰ সম্পাদক তথা দিহজাৰী পঞ্চায়তৰ প্ৰভাৰী বুবুল দাস, কনক ভৰালী, দিহজাৰী গাঁও পঞ্চায়তৰ সভাপতি দীপক কলিতা আদিয়ে উপস্থিত থাকে। অনুষ্ঠানত ২৫ গৰাকী দিব্যাংগক তেওঁলোকৰ দিব্যাংগৰ প্ৰমাণপত্ৰ প্ৰদান কৰে।

## সমাজ সেৱিকা যামিনী দেৱীৰ বিয়োগ

**পাটাছাৰকুছি, ৬ অক্টোবৰ ঃ** বজালী জিলাৰ অন্তৰ্গত গাড়ীসত্ৰ গাঁৱৰ মানৰদৰদী, ধৰ্মপ্ৰাণা মহিলা যামিনী দেৱী (৯০) যোৱা পাঁচ অক্টোবৰত নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ চাৰি পুত্ৰ-আৰু পাঁচগৰাকী কন্যাসহ বহু আত্মীয়ক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত গাড়ীসত্ৰ নামঘৰ, গাড়ীসত্ৰ সেৱক সংঘ, পৰিহৰেশ্বৰ দেৱালয় পৰিচালনা সমিতি, পাঠশালা আঞ্চলিক ব্ৰাহ্মণ সমাজ, মধ্যকামৰূপ মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ, তিত্‌কা হাইস্কুলৰ পৰিয়ালবৰ্গ, পাঠশালা জলসম্পদৰ উপ-সংমণ্ডলকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ সমবেদনা প্ৰকাশ কৰে। তেওঁৰ মৃত্যুত এগৰাকী সুযোগ্যা মাতৃ হেৰোৱা বুলি গুণমুগ্ধসকলে মত পোষণ কৰে।

## ■ অৰ্ডাৰ লাভৰ পাছতো ধনৰ বাবে মূৰ্তি নিৰ্মাণ কৰিব নোৱাৰি হতাশা
# ক'ভিডৰ বাবেই আৰ্থিক সংকটত তেজপুৰৰ মৃৎশিল্পী

**অৰূপ কলিতা**
**তেজপুৰ, ৬ অক্টোবৰ ঃ** ক'ভিডে বিগত ডেৰবছৰে ধাৰাবাহিকভাৱে জুৰুলা কৰা পৰিস্থিতিত অতিশয় বিপদত পৰিছে মৃৎশিল্পীসকল। বিগত সময়ছোৱাত কৰ্মহীন হৈ পৰি সকলো সাচতীয়া ধন ব্যয় কৰি এইবাৰ তেওঁলোকৰ বহুজনেই লাভ কৰা 'অৰ্ডাৰ'ৰ বিপৰীতে মহিষাসুৰমৰ্দিনীৰ প্ৰতিমা নিৰ্মাণ কৰিবলৈ সক্ষম নহ'ল। তেজপুৰৰ তেলেৰীয়া নিবাসী স্বভাৱজাত শিল্পী খেমেশ্বৰ বৰায়ো এতিয়া ভুগিছে চৰম আৰ্থিক সংকটত। উল্লেখ্য যে সাত বছৰ বয়সৰ পৰাই শ্ৰীকৃষ্ণ আৰু বিশ্বকৰ্মাৰ মৃণ্ময় প্ৰতিমা নিৰ্মাণ কৰি সকলোকে চমক দিয়া আৰু ডেকাৰগাঁও হাইস্কুলত অষ্টম শ্ৰেণীত পঢ়ি থকা অৱস্থাত বিদ্যালয়ৰ সৰস্বতী প্ৰতিমা সজা এইজন মৃৎশিল্পীয়ে বিগত সময়ছোৱাত অসংখ্য দেৱ দেৱতাৰ প্ৰতিমা নিৰ্মাণ কৰিছে। ৪৫ বছৰীয়া খনিকৰজনৰ এতিয়া এয়া জীৱিকাৰ পথ। কিন্তু ২০১৯ত আৰম্ভ হোৱা ক'ভিডৰ বাবেই তেওঁ সন্মুখীন হ'বলগীয়া হ'ল এক অনাহুত পৰিস্থিতিৰ। এনে অৱস্থাত পূৰ্বে বহুসংখ্যক দুৰ্গা প্ৰতিমা সজা এইজন মৃৎ শিল্পীয়ে এইবাৰ সাতখন প্ৰতিমা নিৰ্মাণৰ 'অৰ্ডাৰ' লাভ কৰিছিল যদিও তেওঁ মাত্ৰ দুখন নিৰ্মাণৰ দায়িত্বহে গ্ৰহণ কৰিব পাৰিলে। ইয়াৰ কাৰণ হিচাপে বৰাই কয় যে দুৰ্গা প্ৰতিমাৰ লগতে এই পূজাত থকা আনসকল দেৱ দেৱী তথা তেওঁলোকৰ বাহনৰ উপৰি মহিষাসুৰৰ মূৰ্তিও প্ৰয়োজন। এনে একোটা মণ্ডপৰ বাবে প্ৰয়োজনীয় প্ৰতিমা নিৰ্মাণৰ বাবে প্ৰয়োজন হয় কমেও তিনিডাল বাঁহ। এতিয়া একোডাল বাঁহৰ মূল্য আঢ়ৈশ টকা। একেদৰে প্ৰয়োজন খেৰ আৰু আলতীয়া মাটিৰ। কিন্তু এইবাৰো ক'ভিডৰ বাবে পূজা অনুষ্ঠিত হ'বনে নহয় তাৰ বাবে নিশ্চিত হোৱালৈকে যথেষ্ট সময় অতিক্ৰম কৰিলো। এনে অৱস্থাত এইজন শিল্পীৰ বাবে অধিক প্ৰতিমা নিৰ্মাণ সম্ভৱ নহ'ল বুলি মন্তব্য কৰি তেওঁ পুনৰ কয় যে এই দুসময় শীঘ্ৰেই আঁতৰক। অন্যথা তেওঁৰ দৰে পেটেভাতে খাই থকা মৃৎ শিল্পীসকলৰ লগতে এই শিল্পীলৈও অস্তিত্বৰ সংকট নামি আহিব। আনহাতে, তেজপুৰৰ আন এগৰকী প্ৰবীণ মৃৎশিল্পী তথা ভাস্কৰ বিহগুৰি মেকনৰচুবুৰী নিবাসী এগৰাকী টংকেশ্বৰ কলিতায়ো এইবাৰ পূৰ্বৰ তুলনাত আধাতকৈও কম সংখ্যক প্ৰতিমাহে নিৰ্মাণ কৰিছে। উল্লেখ্য যে এইজন শিল্পী বিশ্বকৰ্মা পূজাৰ পূৰ্বে ক'ভিডত আক্ৰান্ত হৈ তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হ'বলগীয়া হৈছিল। সম্প্ৰতি সুস্থ হৈ পুনৰ কামত হাত দিয়া শিল্পীজনে এইবাৰ ১৪খন মৃণ্ময় দুৰ্গা প্ৰতিমা নিৰ্মাণ কৰিছে। উল্লেখ্য যে পূৰ্বে কলিতাই ৩৫খন প্ৰতিমা নিৰ্মাণ কৰিছিল। এইবাৰ এইজন শিল্পীয়ে বিহগুৰিৰ লগতে মাজগাঁৱৰ ঘৰপৰাচুবুৰী জ্ঞানোদয় পুথিভঁৰাল চৌহদৰ মাজগাঁও সাৰ্বজনীন দুৰ্গাপূজাৰ প্ৰতিমা নিৰ্মাণ কৰাৰ উপৰি গৰৈমাৰী, বালিপুখুৰী আৰু তেজপুৰৰ কে'বাখনো শাৰদীয় দুৰ্গাপূজাৰ প্ৰতিমা নিৰ্মাণ কৰিছে। এইবাৰ আকাৰ অনুসৰি এই প্ৰতিমাৰ মূল্য ২০-৩৫ হেজাৰ বুলি উল্লেখ কৰি তেওঁ কয় যে প্ৰতিমা নিৰ্মাণৰ বাবে প্ৰয়োজনীয় মাটিৰ অভাৱ আৰু ৰছী, খেৰ, বাঁহ, ৰঙৰ লগতে হাজিৰাৰ মূল্য বৃদ্ধি পাইছে। প্ৰণিধানযোগ্য যে কলিতাক তেওঁৰ ভ্ৰাতৃ তথা আত্মীয় বিদ্যুৎ কলিতা, লুহিত কলিতা আৰু পুলিন বৰুৱাই মূৰ্তি নিৰ্মাণত সহযোগিতা আগবঢ়াই আহিছে। কলিতাই বৰ্তমান দায়িত্ব লোৱা প্ৰতিমাহসমূহ নিৰ্মাণ কৰিবলৈ শাৰীৰিক দুৰ্বলতাক নেওচি ব্যস্ত হৈ পৰাৰ লগতে এই ৰোগৰ নিৰ্মূলৰ উপায় শীঘ্ৰে যাতে আৱিস্কাৰ হয় তাৰে কামনা কৰিছে। তেজপুৰ চহৰতে শতাধিক দুৰ্গা পূজা অনুষ্ঠিত হয়। ইয়াৰ বাবে অধিকাংশ প্ৰতিমা নিয়া হয় চহৰখনৰ হাৰিপট্টি অঞ্চলৰ পৰা। তেজপুৰৰ হাৰিপট্টি অঞ্চলত দীৰ্ঘদিনৰ পৰাই পাঁচটা খনিকৰ পৰিয়ালে নিৰ্মাণ কৰি আহিছে দশভূজাৰ লগতে বিভিন্ন দেৱ-দেৱতাৰ মৃণ্ময় প্ৰতিমা। প্ৰয়াত মৃৎশিল্পী ৰুদ্ৰ পাল বংশৰ এইসকল খনিকৰ বৰ্তমান অতি ব্যস্ত। ক'ভিডে এইসকল মৃৎ শিল্পীকো যোৱা সময়ছোৱাত জুৰুলা কৰিছে। যোৱা বৰ্ষত বহু পূজা তেজপুৰত প্ৰতিমাবিহীনভাৱেই অনুষ্ঠিত হোৱাৰ বিপৰীতে এইবাৰ এইসকল মৃৎশিল্পীয়ে তেওঁলোকে লাভ কৰা প্ৰতিমা নিৰ্মাণৰ দায়িত্ব ১০ অক্টোবৰৰ পূৰ্বে সম্পূৰ্ণ কৰিবলৈ দিনে নিশাই পৰিশ্ৰম কৰিছে।



## নগৰবেৰাৰ টুপামাৰীত অবৈধ প্ৰেমিকৰে মিলি স্বামীক হত্যা

**আলোপতি, ৬ অক্টোবৰ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰাৰ টুপামাৰীত সংঘটিত হৈছে এক জঘন্য হত্যাকাণ্ডৰ ঘটনা। পৰকীয়া প্ৰেমৰ বাবেই সম্পৰ্কীয় দেওৰেক আৰু পত্নীয়ে মিলি স্বামীক হত্যাৰ অভিযোগ উত্থাপিত হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে অঞ্চলটোত। ইফালে, পৰকীয়া প্ৰেমৰ বাবেই স্বামীক হানি-খুঁচি হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ অভিযোগ উত্থাপিত হৈছে পত্নীৰ বিৰুদ্ধে। উল্লেখ্য যে টুপামাৰী আৰক্ষী চকীৰ অধীনস্থ দুই নম্বৰ টুপামাৰী গাঁৱৰ ছহিদুল ইছলাম নামৰ লোকজনৰ পত্নী ৰাশিদা খাতুন আৰু ছহিদুলৰ সম্পৰ্কীয় ভ্ৰাতৃ মহিদুল ইছলামৰ স'তে দীৰ্ঘদিনৰে পৰা আছিল অবৈধ প্ৰেমৰ সম্পৰ্ক। কালি পুৱতি নিশা ছহিদুলৰ মৃতদেহ ওচৰৰে বাঁহবাৰীত চিপ লোৱা অৱস্থাত উদ্ধাৰ হয় যদিও স্থানীয় লোকৰ সন্দেহ ওপজাত আৰক্ষীক খবৰ দিয়ে। পৰিয়াল তথা স্থানীয় লোকৰ সন্দেহ এয়া আত্মহত্যা নহয় হত্যাহে। অভিযোগ অনুসৰি ছহিদুলক হানি-খুঁচি হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা কৰিছে হত্যাকাৰীয়ে। ইপিনে, ছহিদুলৰ পৰিয়ালৰ লোকৰ এজাহাৰৰ ভিত্তিত টুপামাৰী আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে ইতিমধ্যে ঘটনাৰ প্ৰাথমিক তদন্ত কৰি পত্নী ৰাশিদা আৰু সম্পৰ্কীয় ভ্ৰাতৃ মহিদুলক গ্ৰেপ্তাৰ কৰিছে। এই ঘটনাই সমগ্ৰ টুপামাৰী অঞ্চলতে সৃষ্টি হৈছে চেপা উত্তেজনাৰ। মৰণোত্তৰ পৰীক্ষাৰ ফলাফলে প্ৰকৃত ৰহস্য উদ্‌ঘাটন কৰিব বুলি স্থানীয় লোকে ব্যক্ত কৰিছে।

## পাঁচমাহৰ অন্তত চাৰি ব্যৱসায়ীক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ৬ অক্টোবৰ ঃ** 'উত্তৰ গুৱাহাটী ব্ৰহ্মপুত্ৰ ইণ্ডাষ্ট্ৰিয়েল পাৰ্ক'ৰ কে'বাশ কোটিটকীয়া চুপাৰি কেলেংকাৰিৰ অভিযোগত সুদীৰ্ঘ পাঁচমাহৰ অন্তত আজি চাৰি ব্যৱসায়ীক আটক কৰিছে চাংসাৰি আৰক্ষীয়ে। পুৱা দীননাথ মোৰীয়া, বিকাশ সিং, সন্তোষ সিং আৰু ৰমেশ কুমাৰক গ্ৰেপ্তাৰ কৰি আবেলি আদালতত হাজিৰ কৰায়। আনহাতে, এই ঘটনাত জড়িত আন কে'বাজনকো আটক কৰাৰ বাবে অভিযান অব্যাহত ৰাখিছে আৰক্ষীয়ে। উল্লেখ্য যে যোৱা সাত জুনত কামৰূপ আৰক্ষীৰ এটা দলে ব্ৰহ্মপুত্ৰ ইণ্ডাষ্ট্ৰিয়েল পাৰ্কৰ ভিতৰত ১৪টাকৈ গুদামত অভিযান চলাইছিল। কামৰূপ গ্ৰাম্য জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক আছিফ আহমেদৰ নেতৃত্বত কৰফাকি দিয়া চুপাৰিৰ বিৰুদ্ধে অভিযান চলাইছিল। তদুপৰি এই সন্দৰ্ভত চাংসাৰি থানাত ভাৰতীয় দণ্ডবিধিৰ ১২০ (বি) /৩৭৯/৪১১ ধাৰাৰ অধীনত ২৫৫/২১ নম্বৰত এটা গোচৰ ৰুজু হৈছিল। তদন্তকাৰী আৰক্ষী বিষয়া ভাস্কৰ বৰ্মনৰ স'তে কামৰূপ জিলা আৰক্ষীয়ে চলোৱা অভিযানত আৰক্ষীয়ে প্ল'ট নম্বৰ ৪,১৭ চি, ১৮, ৯৬ আৰু ১১৩ নম্বৰত অভিযান চলাই সেই গুদাম ছীল কৰিছিল। কিন্তু অভিযানৰ পাছত বেআইনীভাৱে চুপাৰি মজুত কৰা এজন ব্যৱসায়ীক আটক নকৰিলে। কিন্তু আজি হঠাৎ চাৰিজন ব্যৱসায়ীক আটক কৰে আৰক্ষীয়ে। অৱশ্যে ধৃত ব্যৱসায়ীকেইজনে তেওঁলোকৰ ব্যৱসায় বৈধ বুলি দাবী কৰিছে। এই সমগ্ৰ ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে।

## অৱসৰপ্ৰাপ্ত শিক্ষক চন্দ্ৰকান্ত চহৰীয়াৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**কলাইগাঁও, ৬ অক্টোবৰ ঃ** কলাইগাঁৱৰ সমীপৱৰ্তী উদমাৰীৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক চন্দ্ৰকান্ত চহৰীয়া (৯৫)ৰ আজি নিজ বাসভৱনত মৃত্যু হয়। বাৰ্ধক্যজনিত কাৰণত মৃত্যু হোৱা চহৰীয়াই কলাইগাঁও গান্ধী শিল্প বিদ্যালয়ৰ প্ৰথম বৰ্ষৰ ছাত্ৰ হোৱাৰ লগতে পাছলৈ বিদ্যালয়খনৰ শিক্ষক হিচাপে নিযুক্তি লাভ কৰিছিল আৰু পৰৱৰ্তী পৰ্যায়ত সেইখন বিদ্যালয় ক্ৰমে কলাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে প্ৰতিষ্ঠা হয়। আধ্যাত্মিক ভাৱাসম্পন্ন, সমাজকৰ্মী, সৰবৰহী ব্যক্তি চহৰীয়া উদমাৰী দুৰ্গা মন্দিৰ, গৰুবান্ধা দুৰ্গা মন্দিৰ, কলাইগাঁও ভাগৱত মন্দিৰৰ লগতে কে'বাখনো শিক্ষানুষ্ঠানৰ স'তে জড়িত আছিল। তেওঁৰ মৃত্যুত কলাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়, উদমাৰী প্ৰাথমিক বিদ্যালয়, উদমাৰী যুৱক সংঘ, বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয়, দৰং আৰু ওদালগুৰি, গৰুবন্ধা দুৰ্গা মন্দিৰ, কলাইগাঁও প্ৰেছ ক্লাব, ক্লাব মিউজিকা, কলাইগাঁও ইউথ ক্লাব, কলাইগাঁও শিক্ষক সন্থা, টেঙেবাৰী দুৰ্গা মন্দিৰ, বৰুৱাপাৰা ৰূপালী সংঘ আদি দল-সংগঠনৰ লগতে বিটিআৰৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱাই শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত চহৰীয়াই পত্নীৰ লগতে দুই পুত্ৰক এৰি যায়।

## লাহৰীঘাটত পাঁচ চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**লাহৰীঘাট/ভূৰাগাঁও, ৬ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত চাইবাৰ ক্ৰাইমৰ লগত জড়িত পাঁচজনকৈ অপৰাধীক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। অভিযোগ মতে, উক্ত চক্ৰটোৱে দীৰ্ঘদিন ধৰি বৃহত্তৰ অঞ্চলটোত চাইবাৰ ক্ৰাইমৰ দৰে অনৈতিক কাৰ্য চলাই আহিছিল। লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অদিত বড়োৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটি দলে অঞ্চলটোৰ বিভিন্ন স্থানত অভিযান চলাই হাতে লোটে পাঁচজনকৈ চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ধৃত লোক কেইজনৰ পৰা এটা লেপটপ, সাতটা ম'বাইল, বহুকেইটা বেংকৰ পাচবুক, এ টি এম কাৰ্ড, আধাৰকাৰ্ড আৰু নথিপত্ৰ উদ্ধাৰ কৰে। গ্ৰেপ্তাৰ কৰা চাইবাৰ অপৰাধী কেইজন ক্ৰমে আশ্ৰাফুল আলম (২২), ছাদ্দাম হুছেইন (২৭) ৰফিকুল ইছলাম (২৪) আজহাৰ উদ্দিন (২২) আৰু ৰাজদুল ইছলাম (২৩)। আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত লোক কেইজনক জেৰা অব্যাহত ৰাখিছে।



## ■ প্ৰতিমাত শেষ পৰশ দিয়াত ব্যস্ত মৃৎ শিল্পীসকল
# জামুগুৰিহাটত ২৫খনৰো অধিক দুৰ্গা পূজা

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ৬ অক্টোবৰ ঃ** শৰতৰ আগমনৰ লগে লগে শেৱালিৰ আমোলমোল গোন্ধ, কঁহুৱাৰ শুভ্ৰ কোমল পৰশে দেহ-মন চঞ্চলা কৰি তোলাৰ সময়তে পদূলি মুখত উপস্থিত হ'লহি হেঁপাহৰ দুৰ্গোৎসৱ। মাজত মাথোঁ আৰু দুটামান দিন বাকী থকা অৱস্থাত জামুগুৰিহাটতো দুৰ্গোৎসৱৰ পালনৰ প্ৰস্তুতি তুংগত। বিগত বৰ্ষত কৰ'না অতিমাৰীৰ বাবে পূজা অনুষ্ঠিত কৰিব পৰা নগ'ল যদিও এইবাৰ চৰকাৰে কিছু নিয়মাৱলী পালনৰ জৰিয়তে পূজা অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়াৰ পাছত জামুগুৰিহাটতো পূজা কমিটীসমূহ চৰকাৰী নিয়মাৱলী পালনৰ জৰিয়তে পূজা অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলাইছে। এইবাৰ বৃহত্তৰ জামুগুৰিহাটৰ অন্তৰ্গত জামুগুৰি, কৰ্চনতলা, ধলাইবিল, মৰিসুঁতি, ৰঙাচকুৱা, টৌভঙা, গমিৰিপাল, দ্বীপটোলাকে ধৰি বিভিন্ন স্থানত ২৫খন দুৰ্গা পূজা অনুষ্ঠিত হ'ব। ইয়াৰে ভিতৰত জামুগুৰি ব্যৱসায়িক কেন্দ্ৰস্থলত সৰ্বমুঠ চাৰিখন পূজা অনুষ্ঠিত হ'ব। জামুগুৰি ব্যৱসায়িক কেন্দ্ৰস্থলৰ ডাকঘৰৰ সমীপত ১৯১৬তেই পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত দুৰ্গা পূজাখনে এইবাৰ ১০৪ সংখ্যক বৰ্ষত ভৰি দিলে। সেইদৰে অঞ্চলটোৰ নন্দিকেশ্বৰত ১৯৫২তে স্থাপিত নন্দিকেশ্বৰ মংগলময়ী পূজাখনে এইবেলি এইদৰে ৬৯ সংখ্যক বৰ্ষত ভৰি দিয়াৰ লগতে ভাগৱতীচুকৰ গায়ত্ৰী মন্দিৰত অনুষ্ঠিত শ্ৰীশ্ৰী কৰুণাময়ী সাৰ্বজনীন দুৰ্গা পূজাখনে এইদৰে ২৮ সংখ্যক বৰ্ষত ভৰি দিলে। দুৰ্গা পূজা কমিটীসমূহৰ লেখিয়াকৈ জামুগুৰিহাটৰ মৃৎশিল্পীসকলেও তেওঁলোকৰ নিৰ্মীয়মান প্ৰতিমাসমূহত অন্তিম পৰশ দিয়াত ব্যস্ত। বিগত বৰ্ষত পূজা অনুষ্ঠিত নোহোৱাৰ ফলত যথেষ্ট আৰ্থিক ক্ষতিৰ সন্মুখীন হোৱা জামুগুৰিহাটৰ মৃৎ শিল্পীসকলে এইবাৰ পূজা অনুষ্ঠিত কৰিবলৈ দিয়াৰ বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছে যদিও পূজাৰ বতৰত সকলো জনসাধাৰণকে ক'ভিডৰ নীতি-নিয়ম পালন কৰি পূজা উপভোগ কৰিবলৈ আহ্বান জনাইছে।

**'PUBLICATION OF STANDARD MANUSCRIPTS' FOR PUBLICATION OF LITERARY WORKS ON SCHEDULED TRIBES (HILLS AND PLAINS) OF ASSAM**

Applications are invited from deserving authors / writers under the scheme 'Publication of Standard Manuscripts' for publication of literary works on Scheduled Tribes (Hills and Plains) of Assam and will be received up to 30th October, 2021. Two copies of the manuscripts alongwith neatly typed synopsis / brief note on the manuscript must be sent alongwith the application.

The decision of the authority as to acceptance or otherwise of the manuscripts for publication shall be final. Manuscripts not accepted by the authority shall be returned to the authors / writers.

Prescribed application form (as per Annexure-A) and detailed information regarding the same will be sent by post on request or may be collected from the office of the undersigned during office hours on all working days.

Applications received after the closing date shall not be entertained.

**Director,**
**Assam Institute of Research for Tribals and Scheduled Castes, Jawaharnagar, Guwahati-22**

**ANNEXURE-A**

**PRESCRIBED APPLICATION FORM FOR 'PUBLICATIONOF STANDARD MANUSCRIPTS ON SCHEDULED TRIBES (HILLS AND PLAINS) OF ASSAM'**

1. Name of applicant in full (in block letters) :
2. Present Address :
3. Contact details : (i) Mobile Number : (ii) Email ID :
4. Father's name :
5. Educational Qualification :
6. Occupation :
7. Are you a member of SC/ST community? If yes, give particulars supported by a certificate from the relevant authorities. (A copy of which should be enclosed). :
8. Title of manuscript / literary work alongwith two complete copies of the neatly typed or handwritten to be submitted along with synopsis written in English or Assamese within one page. :
9. Whether your books were published previously, if so give details with the name/firm of the publishers. Also mention if any financial assistance was received from the Govt. for publication of the above.:
10. Previous publications, if any (enlist the names) :
11. Have you applied in the Govt. / Autonomous Bodies for publication of the present manuscript, if yes, give details. :

I am an applicant for the Scheme on 'Publication of Standard Manuscripts on Scheduled Tribes (Hills & Plains) of Assam' entitled ________________________which is not published earlier, and the fact stated above are true to the best of my knowledge and belief. In case of any false statement, I am liable to undergo any Government action deem fit and proper.

Janasanyog/D/7208/21 **Signature of the applicant**

सत्यमेव जयते

Government of Assam

# Externally Aided Projects- KEY TO ASSAM'S DEVELOPMENT STORY

Externally Aided Projects, funded by Multilateral Development Agencies such as World Bank, Asian Developmental Bank, New Development Bank, etc. are important sources for augmenting the States resources and play an important role in our developmental journey-boosting our infrastructure, social development and enhancement of capacities.

The Government of Assam aims to use the resources from different external funding agencies for the development of the State in various focused sectors. The following are 'Ongoing' and 'In Pipeline' Projects under the Government of Assam.

## Ongoing Projects

### POWER
- Enhancement of Intra State Transmission System of Assam (By AEGCL)
- Assam Power Sector Investment Program, Tranche III, Lower Kopili H.E Project (120 MV) APGCL

### TRANSPORT
- Assam Inland Water Transport Project

### AR&T
- Assam Citizen Centric Service Delivery Project

### PWRD
- Assam Bridge Project

### AGRICULTURE
- Assam Agribusiness and Rural Transformation Project (APART)

### ENVIRONMENT & FOREST
- Assam Project on Forest and Biodiversity Conservation (APFBC) Society Phase II

### DEPARTMENT OF HOUSING & URBAN AFFAIRS
- Guwahati Water Supply Project
- Assam Urban Infrastructure Invest Program (AUIIP-I)

### FINANCE
- Assam State Public Finance Institutional Reforms (ASPIRe)

## Projects in the Pipeline

### PWRD
- Assam Road Network Improvement Project (ARNP)
- Assam Secondary Roads Network Improvement Project (ASRIP)

### HOUSING & URBAN AFFAIRS
- Assam Urban Infrastructure Investment Program

### FISHERY
- Assam Fisheries Development and Livelihood Project

### WATER RESOURCES
- Assam Integrated River Basin Management Project

### POWER
- Assam Power Distribution System Enhancement and Loss Reduction Project (APDCL)

### HEALTH & FW
- Assam Strengthening of Health System and Medical Education

### SEED
- Assam Skill University at Mangaldai

### HOUSING & URBAN AFFAIRS/PHED
- Support for Project Institutional Development for UDD and PHED

The exhibition stall will be open for general public, at **Srimanta Sankardev Kalakshetra** on the **8th and 9th of October 2021** between **10:30 am to 4 pm**.

Janasanyog/DF/975/21



উইকেট লাভ পাছত সতীৰ্থ বলাৰৰ লগত উল্লাস বিৰাটৰ।

# আজি দ্বিতীয় মেচত ভাৰতৰ সন্মুখত শ্ৰীলংকা

## ছাফ চেম্পিয়নশ্বিপ ফুটবল

**নতুন দিল্লী, ৬ অক্টোবৰ ঃ** ভাৰতীয় ফুটবল দলে চলিত ছাফ চেম্পিয়নশ্বিপত কাইলৈ নিজৰ দ্বিতীয় মেচত মুখামুখি হ'ব শ্ৰীলংকাৰ। উল্লেখ্য যে প্ৰথম মেচত ড্ৰ খেলি নিজৰ অভিযান আৰম্ভ কৰিছে ভাৰতীয় ফুটবল দলে। চলিত ছাফ চেম্পিয়নশ্বিপত ভাৰতীয় ফুটবল দলে প্ৰতিযোগিতাৰ প্ৰথমখন মেচ খেলে বাংলাদেশৰ বিৰুদ্ধে। 1-1 গ'লত ড্ৰ হয় মেচখন। খেলত প্ৰথমে ভাৰতীয় ফুটবল দলে গ'ল কৰি অগ্ৰগতি লৈছিল যদিও 10 জনৰে খেলাৰ পাছতো সমতা সুচক গ'ল কৰি মেচ ড্ৰ কৰিবলৈ সক্ষম হয় বাংলাদেশে। উল্লেখ্য যে ভাৰতৰ হৈ খেলৰ 27 মিনিটত গ'ল কৰে সুনীল চেত্ৰীয়ে। কেৰিয়াৰৰ 121 সংখ্যক আন্তৰ্জাতিক মেচ খেলা সুনীলে 76 সংখ্যক গ'ল কৰে। উল্লেখ্য যে মালেত চলি আছে ছাফ চেম্পিয়নশ্বিপ ফুটবল। ভাৰতীয় ফুটবল দলে ছাফ চেম্পিয়নশ্বিপত পূৰ্বে সাতবাৰ খিতাপ লাভ কৰিছে। অহা 10 অক্টোবৰত নেপালৰ বিৰুদ্ধে খেলিব ভাৰতীয় ফুটবল দলে। আনহাতে, 13 অক্টোবৰত মলদ্বীপৰ মুখামুখি হ'ব ভাৰতীয় ফুটবল দল।



## আজি গ'ল কৰিলেই পেলেক স্পৰ্শ সুনীলৰ

**নতুন দিল্লী, ৬ অক্টোবৰ ঃ** ভাৰতীয় ফুটবল দলে চলিত ছাফ চেম্পিয়নশ্বিপত কাইলৈ নিজৰ দ্বিতীয় মেচত মুখামুখি হ'ব শ্ৰীলংকাৰ। উল্লেখ্য যে এই মেচত ভাৰতীয় ফুটবল দলৰ তাৰকা সুনীল চেত্ৰীয়ে কিংবদন্তী ফুটবলাৰ ব্ৰাজিলৰ পেলেক স্পৰ্শ কৰাৰ সুযোগ লাভ কৰিব। ভাৰতীয় ফুটবল দলে ছাফ চেম্পিয়নশ্বিপত ড্ৰ খেলি নিজৰ অভিযান আৰম্ভ কৰিছে। ভাৰতে প্ৰতিযোগিতাৰ প্ৰথমখন মেচ খেলে বাংলাদেশৰ বিৰুদ্ধে। 1-1 গ'লত ড্ৰ হয় মেচখন। উল্লেখ্য যে ভাৰতৰ হৈ খেলৰ 27 মিনিটত গ'ল কৰিছিল সুনীল চেত্ৰীয়ে। কেৰিয়াৰৰ 121 সংখ্যক আন্তৰ্জাতিক মেচ খেলা সুনীলে 76 সংখ্যক গ'লটো কৰে। পেলেক স্পৰ্শ কৰিবলৈ এতিয়া মাত্ৰ এটা গ'লৰ প্ৰয়োজন ভাৰতীয় ফুটবল দলৰ তাৰকা সুনীলৰ। উল্লেখ্য যে পেলে 92 খন আন্তৰ্জাতিক মেচ খেলি 77 টা গ'ল কৰিছে। কাইলৈ শ্ৰীলংকাৰ বিৰুদ্ধে সফল হ'লেই গৌৰৱ লাভ কৰিব সুনীলে। ভাৰতীয় ফুটবল দলৰ তাৰকা সুনীল চেত্ৰীয়ে



সৰ্বাধিক আন্তৰ্জাতিক গ'ল কৰা তথা বৰ্তমানেও খেলি থকা খেলুৱৈৰ তালিকাত চতুৰ্থ স্থানত উপনীত হৈছে। উল্লেখ্য যে 37 বছৰীয়া সুনীলৰ ওপৰত আছে পৰ্তুগালৰ ক্ৰিষ্টিয়ানো ৰোনাল্ডো, আৰ্জেণ্টিনাৰ লিয়নেল মেছি আৰু ইৰাণৰ আলী। এইসময়ত পৰ্তুগালৰ ক্ৰিষ্টিয়ানো ৰোনাল্ডোৰ গ'লৰ সংখ্যা হ'ল 111। ইফালে, 79 টা গ'ল কৰিছে আৰ্জেণ্টিনাৰ লিয়নেল মেছিয়ে। আনহাতে, ইৰাণৰ আলীয়ে 77 টা গ'ল কৰিছে। অৰ্থাৎ ছাফ চেম্পিয়নশ্বিপতে সুনীলে কিংবদন্তী পেলেক স্পৰ্শ কৰাৰ লগতে আৰ্জেণ্টিনাৰ লিয়নেল মেছি আৰু ইৰাণৰ আলীক চেৰ পেলোৱা সুযোগ আছে। উল্লেখ্য যে মালেত চলি আছে ছাফ চেম্পিয়নশ্বিপ ফুটবল।

## দিবা-নৈশ টেষ্টত কৰা প্ৰদৰ্শনক লৈ আশাবাদী ভাৰত

# আজি অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে প্ৰথম টি-২০ খেলিব ভাৰতীয় মহিলা ক্ৰিকেট দলে

**কেনবেৰা, ৬ অক্টোবৰ ঃ** অষ্ট্ৰেলিয়া ভ্ৰমণলৈ যোৱা ভাৰতীয় মহিলা ক্ৰিকেট দলে কাইলৈ তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথম মেচখন খেলিব। উল্লেখ্য যে ভাৰতে প্ৰথম দুখন এদিনীয়া মেচত পৰাস্ত হৈছিল যদিও তৃতীয় এদিনীয়া আৰু একমাত্ৰ টেষ্টত দৰ্শনীয় প্ৰদৰ্শন কৰিছে। সেয়ে তিনিখনীয়া টি-20 শৃংখলাৰ বাবে দল আত্মবিশ্বাসী। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলৰ বিৰুদ্ধে অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দলে দিবা-নৈশ টেষ্টখন ড্ৰ কৰিছিল যদিও ভাৰতৰ শক্তি আছিল অদমনীয়। ভাৰতে প্ৰথম ইনিংছত আঠ উইকেটত 377 ৰাণ কৰি ইনিংছ ঘোষণা কৰিছিল। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দলে 241-9 ৰাণত প্ৰথম ইনিংছ ঘোষণা কৰে। ভাৰতৰ হৈ ঝুলন গোস্বামীয়ে দুটা আৰু পূজাই তিনিটা উইকেট পায়। উল্লেখ্য যে ভাৰতীয় দলে প্ৰথম ইনিংছত 136 ৰাণৰ অগ্ৰগতি লাভ কৰাৰ পাছত দ্বিতীয় ইনিংছত 135-3 ৰাণত ইনিংছ ঘোষণা কৰিছিল আৰু অষ্ট্ৰেলিয়াৰ সন্মুখত 272 ৰাণৰ বিজয়লক্ষ্য দিছিল। ঘৰুৱা দলে 36-2 ৰাণ কৰাৰ সময়তে মেচ ড্ৰৰূপে সমাপ্ত হয়। দ্বিতীয় ইনিংছত ভাৰতৰ হৈ শ্বেফালীয়ে 52, পুনমে 41 আৰু মান্ধানাই 31 ৰাণ কৰে। ইয়াৰপূৰ্বে প্ৰথম ইনিংছত স্মৃতি মান্ধানাই অনবদ্য বেটিং কৰি ঐতিহাসিক শতক অৰ্জন কৰে। 22 টা বাউণ্ডেৰী আৰু এটা ছিক্সাৰ মাৰি মান্ধানাই 127 ৰাণৰ শতকীয় ইনিংছ খেলে। মেচৰ শ্ৰেষ্ঠ হৈছিল মান্ধানা।



## নৱাগত ক্ৰিকেটাৰে সুযোগ পাব ঃ শৰ্মা

**মুম্বাই, ৬ অক্টোবৰ ঃ** ভাৰতীয় ক্ৰিকেট দলে অনাগত আঠ মাহত গৃহভূমিত চাৰিখন দেশৰ বিৰুদ্ধে শৃংখলা খেলিব। আৰু এই শৃংখলাত নৱাগতক সুযোগ দিয়া হ'ব বুলি আজি বি চি চি আইৰ নিৰ্বাচক চেতন শৰ্মাই জনাইছে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট দলৰ ঘৰুৱা আন্তৰ্জাতিক মেচৰ সূচী প্ৰকাশ কৰিছে। সেই অনুসৰি টীম ইণ্ডিয়াই নিউজিলেণ্ড, ৱেষ্ট ইণ্ডিজ, শ্ৰীলংকা আৰু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চাৰিটা শৃংখলা খেলিব। আসন্ন আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পাছতে এই শ্ৰীলংকা আৰম্ভ হ'ব। নৱেম্বৰৰ পৰা নিউজিলেণ্ডৰ বিৰুদ্ধে আৰম্ভ হ'ব লগা শৃংখলা অহাবছৰ জুনত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা শৃংখলাৰে সমাপ্ত হ'ব। উল্লেখ্য যে টীম ইণ্ডিয়াই নিউজিলেণ্ড, ৱেষ্ট ইণ্ডিজ, শ্ৰীলংকা আৰু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে এই সময়চোৱাত চাৰিখন টেষ্ট, তিনিখন এদিনীয়া আৰু 14 খন টি-20 মেচ খেলিব। নিউজিলেণ্ডৰ বিৰুদ্ধে ভাৰতে তিনিখন টি-20 আৰু দুখন টেষ্ট খেলিব। আনহাতে, ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতীয় ক্ৰিকেট দলে তিনিখন এদিনীয়া আৰু সমসংখ্যক টি-20 মেচ খেলিব। তাৰপাছত শ্ৰীলংকাৰ বিৰুদ্ধে ভাৰতীয় দলে দুখন টেষ্ট আৰু তিনিখন টি-20 মেচ খেলিব। আনহাতে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে পাঁচখন টি-20 মেচ খেলিব টীম ইণ্ডিয়াই।



## দৃঢ়তাৰে খেলিব ভাৰতীয় মহিলা দলে ঃ হৰমনপ্ৰিত

**কেনবেৰা, ৬ অক্টোবৰ ঃ** গোলাপী বলৰে প্ৰথমখন টেষ্ট খেলি ভাৰতীয় মহিলা ক্ৰিকেট দলে যি দৃঢ়তা প্ৰদৰ্শন কৰিছে তাক লৈ সুখী হৰমনপ্ৰীত কৌড়। অষ্ট্ৰেলিয়াৰ ভূমিত এয়া ভাৰতৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন বুলি কয় হৰমনপ্ৰীতে। উল্লেখ্য যে অষ্ট্ৰেলিয়া ভ্ৰমণলৈ যোৱা ভাৰতীয় মহিলা ক্ৰিকেট দলে কাইলৈ তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথম মেচখন খেলিব। ভাৰতীয় মহিলা দলক তিনিখনীয়া টি-20 শৃংখলাত নেতৃত্ব দিব হৰমনপ্ৰীতে। উল্লেখ্য যে ভাৰতে প্ৰথম দুখন এদিনীয়া মেচত পৰাস্ত হৈছিল যদিও তৃতীয় এদিনীয়া আৰু একমাত্ৰ টেষ্টত দৰ্শনীয় প্ৰদৰ্শন কৰিছে। সেয়ে তিনিখনীয়া টি-20 শৃংখলাৰ বাবে দল আত্মবিশ্বাসী। আজি সংবাদমেলত হৰমনপ্ৰীত কৌড়েও দৃঢ়তাৰে কয় যে তিনিখনীয়া টি-20 শৃংখলাত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ফেভাৰিট ভাৰতীয় মহিলা ক্ৰিকেট দল। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলে ইয়াৰপূৰ্বে সদ্য সমাপ্ত তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথম দুখন এদিনীয়া মেচত পৰাস্ত হৈ শৃংখলা হেৰুৱাইছিল যদিও তৃতীয় তথা অন্তিমখন মেচত দুই উইকেটত জয়ী হৈ আত্মবিশ্বাস ঘুৰাই আনিছিল। ইয়াৰপূৰ্বে শৃংখলাৰ প্ৰথম দুখন মেচত ভাৰতীয় মহিলা দল পৰাস্ত হৈছিল। অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দলে দ্বিতীয় মেচত পাঁচ উইকেটত ভাৰতক পৰাস্ত কৰাৰ পূৰ্বে প্ৰথমখন এদিনীয়া মেচত ন উইকেটত জয়ী হৈছিল অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দল।

# বিজয়ৰ পাছতো প্লে-অফলৈ যোগ্যতা অৰ্জনৰ শংকা আঁতৰা নাই মুম্বাইৰ

**ডুবাই, ৬ অক্টোবৰ ঃ** বিগত বৰ্ষৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ দলে চলিত আই পি এলত প্লে-অফ মেচ খেলিব পাৰিব নে নাই তাক লৈ শংকা আঁতৰা নাই। উল্লেখ্য যে যোৱানিশা মুম্বাই দলে আঠ উইকেটত পৰাস্ত কৰে ৰাজস্থান ৰয়েলছক। পোনতে বেটিং কৰি ৰাজস্থানে ন উইকেটত 90 ৰাণ কৰে। প্ৰত্যুত্তৰত, মুম্বাই দলে 8.2 অভাৰত দুটা উইকেট হেৰুৱাই 94 ৰাণ কৰি জয় অৰ্জন কৰে। কিন্তু বিজয়ৰ পাছতো মুম্বাই দলৰ প্লে-অফ নিশ্চিত হোৱা নাই। দলে এখন মেচ খেলিবলৈ থকাত মুঠ পইণ্ট হ'ল 12¼



কলকাতা নাইট ৰাইডাৰ্ছ আৰু পঞ্জাৱ কিংছো আছে দৌৰত। উল্লেখ্য যে অন্তিম মেচত মুম্বাই চাৰি উইকেটত পৰাস্ত হৈছিল দিল্লী কেপিটেলছৰ বিৰুদ্ধে। পোনতে বেটিং কৰি মুম্বাই দলে আঠ উইকেটত 129 ৰাণ কৰে। প্ৰত্যুত্তৰত দিল্লীয়ে পাঁচটা বল বাকী থাকেতেই ছয় উইকেটত 132 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে ক্ৰমাগত তৃতীয় পৰাজয়ৰ সন্মুখীন হোৱাৰ পাছত বিগত বৰ্ষৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ দলে অন্তিম মেচত পঞ্জাছ কিংছক ছয় উইকেটত পৰাস্ত কৰি প্লে-অফৰ আশা সজীৱ কৰি ৰাখিছিল। পূৰ্বৰ মেচত পোনতে বেটিং কৰি পঞ্জাছ কিংছ দলে ছয় উইকেটত 135 ৰাণ কৰিছিল। প্ৰত্যুত্তৰত, মুম্বাই দলে এক অভাৰ বাকী থকাত চাৰি উইকেটত 137 ৰাণ কৰি গুৰুত্বপূৰ্ণ জয় অৰ্জন কৰে। ইয়াৰপূৰ্বে মুম্বাই ইণ্ডিয়ানছ দল 54 ৰাণত পৰাস্ত হৈছিল আৰ চি বিৰ বিৰুদ্ধে। মেচখনত পোনতে বেটিং কৰি আৰ চি বিয়ে ছয় উইকেটত 165 ৰাণ কৰে। প্ৰত্যুত্তৰত, মুম্বাই দলে 18.1 অভাৰত 111 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, চেন্নাই ছুপাৰ কিংছ দলৰ বিৰুদ্ধে 20 ৰাণত পৰাস্ত হৈছিল মুম্বাই ইণ্ডিয়ানছ। পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে 20 অভাৰত ছয় উইকেট হেৰুৱাই সংগ্ৰহ কৰে 156 ৰাণ। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে জয়ৰ বাবে 157 ৰাণ অনুসৰণ কৰি গৈ 20 অভাৰত আঠ উইকেটত 136 ৰাণ কৰে। আনহাতে, কলকাতা নাইট ৰাইডাৰ্ছ দলে [159-7 ৰাণ) সাত উইকেটত পৰাস্ত কৰিছিল মুম্বাই ইণ্ডিয়ানক (155-6 ৰাণ)।



# ৰাষ্ট্ৰীয় মুকলি দৌৰলৈ অসমৰ ছজনীয়া দল ঘোষণা এথলেটিকছ সন্থাৰ

**গুৱাহাটী, ৬ অক্টোবৰ ঃ** অহা 11-12 অক্টোবৰত নতুন দিল্লীত অনুষ্ঠিত হ'ব 400 মিটাৰ দৌৰৰ ৰাষ্ট্ৰীয় মুকলি প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত অংশ লোৱাৰ বাবে অসম দলটো বাচনি কৰিছে অসম এথলেটিকছ সন্থাই। উল্লেখ্য যে 400 মিটাৰ দৌৰৰ ৰাষ্ট্ৰীয় মুকলি প্ৰতিযোগিতাখনত অসমৰ ছজন খেলুৱৈয়ে অংশ ল'ব। নিৰ্বাচিত খেলুৱৈ ছগৰাকী হ'ল ঃ পল্লৱ গগৈ, ৰমা পেগু, ইস্মিতা মহাজন, সংঘমিত্ৰা পল, লখিমতী পেগু আৰু দীপশিখা শইকীয়া। দলটো আঠ অক্টোবৰত ৰাওনা হ'ব বুলি জনাইছে অসম এথলেটিকছ সন্থাৰ সম্পাদক অশোক কুমাৰ ভৰালীয়ে। উল্লেখ্য যে 400 মিটাৰ দৌৰৰ ৰাষ্ট্ৰীয় মুকলি প্ৰতিযোগিতাখনত অসমৰ দল নিৰ্বাচন কৰিবলৈ এথলেটিকছ সন্থাই গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত এক বাছনি শিবিৰ আয়োজন কৰিছিল। অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰে জানিবলৈ দিয়া অনুসৰি সৰুসজাই ষ্টেডিয়ামত হোৱা বাছনি শিবিৰত অনূৰ্ধ 16, 18 আৰু 20 বছৰৰ ল'ৰা-ছোৱালীক সুযোগ দিয়া হয় আৰু অসম দলৰ বাবে নিৰ্বাচন কৰা হয়। বাছনি তথা ৰাষ্ট্ৰীয় মুকলি প্ৰতিযোগিতাখনত খেলুৱৈয়ে কৰ'নাৰ চৰকাৰী নিয়ম পালন কৰাটো বাধ্যতামূলক কৰা হৈছে বুলিও অৱগত কৰে অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰে।



টাইকোৱান-ড'ত দুটা সোণ লাভ কৰি সফলতা লাভ নগাঁৱৰ ৰাজনন্দিনী বৰাৰ।

## হতাশাৰে ছিজন সমাপ্তি আই পি এলৰ প্ৰথম চেম্পিয়নৰ

# মৰণপণ মেচত পৰাস্ত হৈ বিদায় ল'লে ৰাজস্থান ৰয়েলছে

**ডুবাই, ৬ অক্টোবৰ ঃ** ছানৰাইজাৰ্ছ হায়দৰাবাদৰ পাছত চলিত আই পি এলৰ পৰা বিদায় লোৱা দ্বিতীয়টো দল হ'ল ৰাজস্থান ৰয়েলছ। উল্লেখ্য যে যোৱানিশা মুম্বাই দলে আঠ উইকেটত পৰাস্ত কৰে ৰাজস্থান ৰয়েলছক। পোনতে বেটিং কৰি ৰাজস্থানে ন উইকেটত 90 ৰাণ কৰে। প্ৰত্যুত্তৰত, মুম্বাই দলে 8.2 অভাৰত দুটা উইকেট হেৰুৱাই 94 ৰাণ কৰি জয় অৰ্জন কৰে। এই পৰাজয়ৰ পাছতে ৰাজস্থান ৰয়েলছৰ বিদায় নিশ্চিত হয়। উল্লেখ্য যে অন্তিম মেচত চেন্নাই ছুপাৰ কিংছক সাত উইকেটত পৰাস্ত কৰি প্লে-অফৰ ক্ষীণ আশা সজীৱ কৰি ৰাখিছিল ৰাজস্থান ৰয়েলছ দলে। উল্লেখ্য যে ঋতুৰাজ গাইকোৱাড়ৰ (101] শতকৰে চেন্নাই ছুপাৰ কিংছ দলে চাৰি উইকেটত 189 ৰাণ কৰিছিল। 60 বলত পাঁচটা ছিক্সাৰ আৰু নটা বাউণ্ডেৰীৰে শতক অৰ্জন কৰে ঋতুৰাজে। কিন্তু মেচত জয় অৰ্জন কৰে ৰয়েলছে। দলে 17.3 অভাৰত তিনি উইকেটত 190 ৰাণ কৰি জয়লাভ কৰে। শিৱম ডুবে 64 আৰু জয়ছোৱালে 50 ৰাণ কৰে। এই জয় ৰাজস্থানৰ বাবে নতুন আশা সঞ্চাৰ কৰিছিল যদিও যোৱানিশাৰ পৰাজয়ৰ পাছতে সকলো অংক সমাপ্ত হয়। অন্তিম মেচত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে সাত উইকেটত পৰাস্ত কৰিছিল ৰাজস্থান ৰয়েলছক। পোনতে বেটিং কৰা ৰাজস্থানে পাঁচ উইকেটত 164 ৰাণ কৰে। প্ৰত্যুত্তৰত, হায়দৰাবাদে 18.3 অভাৰত 167 ৰাণ কৰি জয়লাভ অৰ্জন কৰে। পূৰ্বৰ মেচত দিল্লী কেপিটেলছ দলে 33 ৰাণত পৰাস্ত কৰিছিল ৰাজস্থান ৰয়েলছ দলক। পোনতে বেটিং কৰি দিল্লী কেপিটেলছ দলে ছয় উইকেটত সংগ্ৰহ কৰে 154 ৰাণ। প্ৰত্যুত্তৰত, ৰাজস্থান ৰয়েলছে ছয় উইকেটত 121 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। অৱশ্যে ইয়াৰপূৰ্বৰ এখন ৰোমাঞ্চকৰ মেচত ৰাজস্থান ৰয়েলছে দুই ৰাণত পৰাস্ত কৰিছিল পঞ্জাৱ কিংছক। পোনতে বেটিং কৰা ৰাজস্থান ৰয়েলছ দলে 20 অভাৰত সকলো উইকেট হেৰুৱাই সংগ্ৰহ কৰে 185 ৰাণ। আনহাতে, বিজয়ৰ বাবে 186 ৰাণ অনুসৰণ কৰা পঞ্জাৱ কিংছ দলে 183-4 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে।



## নেহৰু ষ্টেডিয়ামত অসম ক্ৰীড়া সাংবাদিক কল্যাণ সন্থাৰ দশম বৰ্ষ পূৰ্তি সম্পন্ন

# ৰাজ্যৰ চাৰিগৰাকী খেলুৱৈক এন আৰ এল বঁটা প্ৰদান



**গুৱাহাটী, ৬ অক্টোবৰ ঃ** অসম ক্ৰীড়া সংবাদিক কল্যাণ সন্থাই আজি দিনযোৱা কাৰ্যসূচীৰে পালন কৰে সন্থাৰ দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস। এই উপলক্ষ্যে ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত থকা অসম অলিম্পিক সন্থাৰ সভাকক্ষত 'ক্ৰীড়া চিন্তন' শীৰ্ষক আলোচনা চক্ৰৰ লগতে খেলুৱৈ আৰু ক্ৰীড়া সংগঠকক সম্বৰ্ধনা জনাই অসম ক্ৰীড়া সংবাদিক কল্যাণ সন্থাই। আনহাতে, অনুষ্ঠানত ৰাজ্যৰ চাৰিগৰাকী খেলুৱৈক এন আৰ এল বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে ইতিমধ্যে ৰাজ্যৰ চাৰিগৰাকী খেলুৱৈক ক্ৰীড়া সংবাদিক কল্যাণ সন্থাই 2019-2020 তথা 2020-2021 বৰ্ষৰ বঁটাৰ বাবে নিৰ্বাচন কৰিছিল। খেলুৱৈ চাৰিগৰাকী হ'ল শিৱাংগী শৰ্মা (সাঁতোৰ), গৌৰৱ মজুমদাৰ (বক্সিং), পূজা বসুমতাৰী (জুডো) আৰু



অম্লান বৰগোহাঁই (এথলেটিকছ)। আজি ক্ৰীড়া সংবাদিক কল্যাণ সন্থাৰ দশম প্ৰতিষ্ঠা দিৱসত এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। বঁটাত আছে নগদ 25 হেজাৰ টকা, মানপত্ৰ, ট্ৰফী, গামোছা আৰু ফুলৰ থোপা। আজিৰ অনুষ্ঠানত ৰাজ্যৰ ক্ৰীড়াজগতৰ কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



অসম চৰকাৰ




# বিকাশ আৰু প্ৰগতিৰ পথ প্ৰশস্ত কৰি

## হাফলং তিনিআলিৰ পৰা নামনি হাফলঙলৈ ৯০ কিলোমিটাৰ পথৰ উন্নীতকৰণ আৰু সৰলীকৰণ

এছিয়ান ডেভেলপমেন্ট বেংকৰ অৰ্থ সাহায্যপ্ৰাপ্ত
'আচাম ৰোড নেটৱৰ্ক ইমপ্ৰুভ্‌মেন্ট প্ৰজেক্ট'ৰ অধীনত

**২ লেনযুক্ত ঘাইপথৰ আধাৰশিলা স্থাপন কৰিব**

**শ্ৰীমতী নিৰ্মলা সীতাৰমনে**
মাননীয়া বিত্তমন্ত্ৰী, ভাৰত চৰকাৰ

গৌৰৱময় উপস্থিতি

**ড° হিমন্ত বিশ্ব শৰ্মা**
মাননীয় মুখ্যমন্ত্ৰী, অসম

**শ্ৰীমতী অজন্তা নেওগ**
মাননীয়া বিত্তমন্ত্ৰী, অসম চৰকাৰ

**শ্ৰীযুত দেৱলাল গৰ্লোচা**
মাননীয় মুখ্য কাৰ্যবাহী সদস্য
উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদ

স্থানঃ হাফলং তিনিআলি, ডিমা হাছাও, অসম | তাৰিখঃ ৭ অক্টোবৰ ২০২১, বৃহস্পতিবাৰ

লোকনিৰ্মাণ (পথ) বিভাগ, অসম চৰকাৰৰ দ্বাৰা জনহিতাৰ্থে প্ৰকাশিত

জনসংযোগ/ডি এফ/৯৫৬/২১